GSK S5 02 (M)
Exam Code : SKM5B

কাব্য, পুৰাণ, অনুবাদ আৰু ভাৱবোধ পৰীক্ষণ

পঞ্চম ষাণ্মাসিক

সংস্কৃত

খণ্ড ঃ ১

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপিকা মঞ্জুলা দেৱী, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপিকা সুদেষ্ণা ভট্টাচার্য, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড° ইন্দিৱা শইকীয়া বৱা, সংস্কৃত বিভাগ, প্রাগজ্যোতিষ মহাবিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° ইন্দ্রানী ডেকা, কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	**অৱিহণা যোগাইছে**
১, ২	ড° বিনীমা বুজৱবৰুৱা, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
৩, ৪	ড° ইন্দিৱা শইকীয়া বৱা, সংস্কৃত বিভাগ, প্রাগজ্যোতিষ কলেজ
৫, ৬	ড° ভাৱতী গোস্বামী, সংস্কৃত বিভাগ, বি বৰুৱা কলেজ

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ অধ্যাপিকা সুদেষ্ণা ভট্টাচার্য, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয় (১-২)
ড° গায়ত্রী শর্মা, সংস্কৃত বিভাগ, সন্দিকৈ কলেজ (৩-৪)
ড° জগদীশ শর্মা, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয় (৫-৬)

গাঁথনিক সম্পাদনা ঃ ড° ইন্দ্রানী ডেকা, কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রথম প্রকাশ ঃ জুন, ২০১৯

Copyright © Krishna Kanta Handiqui State Open University

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/
For the avoidance of doubt, by applying this license KKHSOU does not waive any privileges or immunities from claims that it may be entitled to assert, nor does KKHSOU submit to the jurisdiction, courts, legal processes or laws of any jurisdiction.

কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৱাণী গেট, গুৱাহাটী- ৭৮১০১৭
উপমুখ্য কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিছপুৰ, গুৱাহাটী - ৭৮১০০৬ ;
Web : www.kkhsou.in

পাঠ্যবিষয়ৰ পৰিচয় ঃ কাব্য, পুৰাণ, অনুবাদ আৰু ভাৱবোধ পৰীক্ষণ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে আগবঢ়োৱা ষাণ্মাসিক পদ্ধতিৰ স্নাতক পাঠ্যক্ৰমৰ সংস্কৃত বিষয়ৰ পঞ্চম ষাণ্মাসিকৰ দ্বিতীয় পাঠ্যবিষয়ৰ বাবে এই পাঠখিনি প্ৰস্তুত কৰা হৈছে। এই পাঠ্যবিষয়টিৰ নাম হৈছে কাব্য, পুৰাণ, অনুবাদ আৰু ভাৱবোধ পৰীক্ষণ। ইয়াত সৰ্বমুঠ চৈধ্যটা অধ্যায় আছে তথা পাঠ্যবিষয়টি দুটা খণ্ডত বিভক্ত কৰা হৈছে। প্ৰথম খণ্ডত ছটা অধ্যায় আছে আৰু এই অধ্যায়সমূহত ৰামায়ণ, মহাভাৰত আৰু বিষ্ণুপুৰাণৰ বিষয়ে আলোচনা কৰা হৈছে। প্ৰথম অধ্যায়ত ৰামায়ণ (বালকাণ্ড, প্ৰথম সৰ্গ)ঃ সাধাৰণ অধ্যয়ন আৰু দ্বিতীয় অধ্যায়ত ৰামায়ণ (বালকাণ্ড - প্ৰথম সৰ্গ) ঃ পাঠ্যাংশৰ আলোচনা কৰা হৈছে। তৃতীয় আৰু চতুৰ্থ অধ্যায়ত মহাভাৰত (সাধাৰণ আলোচনা) আৰু মহাভাৰতৰ শান্তিপৰ্বৰ ১৯১ সংখ্যক অধ্যায়ৰ শ্লোকসমূহৰ (১-১৮) আগবঢ়োৱা হৈছে। পঞ্চম আৰু ষষ্ঠ অধ্যায়ত ক্ৰমে শ্ৰীবিষ্ণুপুৰাণ - সাধাৰণ আলোচনা আৰু ভাৰতবৰ্ষৰ বৰ্ণনা (বিষ্ণুপুৰাণৰ মতে) আলোচনা কৰা হৈছে। পাঠ্যবিষয়টিৰ দ্বিতীয় খণ্ডৰ সপ্তম অধ্যায়টোত শ্ৰীমদ্ভাগৱত পুৰাণ - সাধাৰণ পৰিচয় আগবঢ়োৱা হৈছে। অষ্টম অধ্যায়ত শ্ৰীমদ্ভাগৱতপুৰাণৰ তৃতীয়স্কন্ধৰ প্ৰথম অধ্যায়ৰ (১-১৬ নং) পাঠ্যাংশৰ আলোচনা, নৱম অধ্যায়ত শ্ৰীমদ্ভাগৱতপুৰাণৰ তৃতীয় স্কন্ধৰ প্ৰথম অধ্যায়ৰ (১৭-৩৩ নং শ্লোক) পাঠ্যাংশৰ আলোচনা, দশম অধ্যায়ত শ্ৰীমদ্ভাগৱতপুৰাণৰ তৃতীয়স্কন্ধৰ প্ৰথম অধ্যায়ৰ (২৫-৪৫ নং) শ্লোকসমূহ আৰু দ্বিতীয় অধ্যায়ৰ প্ৰথম পাঁচটা শ্লোকৰ আলোচনা, একাদশ অধ্যায়ত অনুবাদ (অসমীয়া ভাষাৰ পৰা সংস্কৃত ভাষালৈ), দ্বাদশ অধ্যায়ত ভাৱবোধ পৰীক্ষণ আলোচনা, ত্ৰয়োদশ অধ্যায়ত संस्कृत - सम्भाषणम् (সংস্কৃত বার্তালাপ) আলোচনা, চৰ্তুদশ অধ্যায়ত व्यावहारिक-संस्कृत शिक्षाभ्यासः (ব্যৱহাৰিক সংস্কৃত শিক্ষাভ্যাস) আলোচনা কৰা হৈছে।

খণ্ড পৰিচয় - ১

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে আগবঢ়োৱা ষাণ্মাসিক পদ্ধতিৰ স্নাতক পাঠ্যক্ৰমৰ সংস্কৃত বিষয়ৰ পঞ্চম ষাণ্মাসিকৰ দ্বিতীয় পাঠ্যবিষয়ৰ প্ৰথম খণ্ডৰ বাবে এই পাঠখিনি প্ৰস্তুত কৰা হৈছে। এই পাঠ্যবিষয়টিত ৰামায়ণ, মহাভাৰত আৰু বিষ্ণুপুৰাণৰ বিষয়ে আলোচনা কৰা হৈছে। ইয়াত সৰ্বমুঠ ছয়টা অধ্যায় আছে।

পাঠ্যবিষয়টিৰ অধ্যায়সমূহ হ'ল—

অধ্যায় ১ ঃ ৰামায়ণ (বালকাণ্ড, প্ৰথম সৰ্গ)ঃ সাধাৰণ অধ্যয়ন

অধ্যায় ২ ঃ ৰামায়ণ (বালকাণ্ড - প্ৰথম সৰ্গ) ঃ পাঠ্যাংশৰ আলোচনা

অধ্যায় ৩ ঃ মহাভাৰত (সাধাৰণ আলোচনা)

অধ্যায় ৪ ঃ মহাভাৰতৰ শান্তিপৰ্বৰ ১৯১ সংখ্যক অধ্যায়ৰ শ্লোকসমূহৰ (১-১৮) আলোচনা

অধ্যায় ৫ ঃ শ্ৰীবিষ্ণুপুৰাণ - সাধাৰণ আলোচনা

অধ্যায় ৬ ঃ ভাৰতবৰ্ষৰ বৰ্ণনা (বিষ্ণুপুৰাণৰ মতে)

এই খণ্ডটি অধ্যয়ন কৰোঁতে মূল পাঠৰ লগে লগে সোঁ তথা বাঁওফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব পাৰিব। এইবোৰে আপোনাক মূল পাঠত উল্লেখ কৰা দৰকাৰী ধাৰণাসমূহ সৰল অৰ্থত বুজি পোৱাত সহায় কৰিব। 'জানি থোৱা ভাল' বাকচবোৰৰ যোগেদি আপুনি মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ বিষয়ে জ্ঞান লাভ কৰিব। আকৌ 'অগ্ৰগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্বপৰীক্ষণৰ সুবিধা প্ৰদান কৰিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্ৰগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান আৰ্হি প্ৰশ্ন তুলি দিয়া হৈছে। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথি স্বৰূপ। আপুনি বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেইকেইখন অধ্যয়ন কৰিব পাৰিব।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ ৰামায়ণ (বালকাণ্ড, প্রথম সর্গ)ঃ সাধাৰণ অধ্যয়ন ৫-১৬

সমগ্র ৰামায়ণৰ এক সম্যক আভাস ঃ মহাকাব্যখনৰ সাধাৰণ পৰিচয়, প্রতিটো কাণ্ডৰ বিষয়বস্তুৰ ধাৰণা; বালকাণ্ডৰ প্রথম সর্গৰ বিশদ আলোচনা ঃ সর্গটিৰ সাৰাংশ, ৰামচন্দ্রৰ গুণসমূহৰ বর্ণনা, ৰামচন্দ্রৰ বনগমনৰ পৰা সীতাহৰণ পর্য্যন্ত বর্ণনা, সীতা উদ্ধাৰ কার্য্যৰ বিৰৰণ; সর্গটিত উল্লেখিত কেইটামান বিশেষ চৰিত্রৰ পৰিচয়।

অধ্যায় ২ ঃ ৰামায়ণ (বালকাণ্ড - প্রথম সর্গ) ঃ পাঠ্যাংশৰ আলোচনা ১৭-৩৫

সর্গটিৰ মূল বিষয় সম্বলিত সংস্কৃত শ্লোকসমূহ ঃ আৰম্ভণিৰপৰা ৰামৰ বনগমন পর্য্যন্ত, ৰামচন্দ্রৰ চিত্রকূটত থকা সময়চোৱাৰ পৰা দণ্ডকাৰণ্যত প্রবেশ পর্য্যন্ত, শূর্পণখাৰ অঙ্গছেদকৰণৰপৰা সীতা হৰণ পর্য্যন্ত, সুগ্রীৱৰ সিংহাসন লাভৰপৰা সীতা উদ্ধাৰ পর্য্যন্ত; শ্লোকসমূহৰ গদ্যপাঠ তথা অসমীয়া অনুবাদ ঃ আৰম্ভণিৰপৰা ৰামৰ বনগমন পর্য্যন্ত, ৰামচন্দ্রৰ চিত্রকূটত থকা সময়চোৱাৰপৰা দণ্ডকাৰণ্যত প্রবেশ পর্য্যন্ত, শূর্পণখাৰ অঙ্গছেদ কৰণৰপৰা সীতা হৰণ পর্য্যন্ত, সুগ্রীবৰ সিংহাসন লাভৰপৰা সীতা উদ্ধাৰ পর্য্যন্ত; শব্দার্থৰ তালিকা; সন্দিযুক্ত শব্দৰ সন্ধিবিচ্ছেদ।

অধ্যায় ৩ ঃ মহাভাৰত (সাধাৰণ আলোচনা) ৩৬-৫১

মহাভাৰত মহাকাব্যৰ পৰিচয়; মহাভাৰতৰ ৰচক আৰু নামকৰণ (জয়, ভাৰত আৰু মহাভাৰত) ঃ মহাভাৰতৰ কাল, মহাভাৰতৰ টীকাকাৰ, মহাভাৰতৰ বিভিন্ন সংস্কৰণ; মহাভাৰত এখন অনন্য সাধাৰণ ৰচনা; মহাভাৰতৰ প্রক্ষিপ্ত অংশ; মহাভাৰতত শান্তিপর্বৰ স্থান।

অধ্যায় ৪ ঃ মহাভাৰতৰ শান্তিপর্বৰ ১৯১ সংখ্যক অধ্যায়ৰ শ্লোকসমূহৰ (১-১৮) আলোচনা ৫২-৭১

শ্লোকসমূহৰ (১-১৮) সংস্কৃত পাঠ ঃ শ্লোকসমূহৰ গদ্যপাঠ, শ্লোকসমূহৰ শব্দার্থ (সংস্কৃত আৰু অসমীয়া), শ্লোকসমূহৰ অসমীয়া অনুবাদ; মহাভাৰতৰ শান্তিপর্বৰ ১৯১ সংখ্যক অধ্যায়ৰ শ্লোকসমূহৰ (১-১৮) সাৰাংশ; মহত্বপূর্ণ শ্লোকসমূহৰ ভাৱার্থ; ব্যাকৰণগত টোকা।

অধ্যায় ৫ ঃ শ্রীবিষ্ণুপুৰাণ - সাধাৰণ আলোচনা ৭২-৮০

নামৰ তাৎপর্য; বিষ্ণু পুৰাণৰ আলোচ্য বিষয়; ৰচয়িতা আৰু ৰচনা কাল; বিষ্ণুপুৰাণৰ অংশসমূহৰ সাৰাংশ।

অধ্যায় ৬ ঃ ভাৰতবর্ষৰ বর্ণনা (বিষ্ণুপুৰাণৰ মতে) ৮১-৯১

জম্বুদ্বীপৰ পৰিচয়; ভাৰতবর্ষৰ বর্ণনা; সংস্কৃত পাঠ্যাংশ; সংস্কৃত পাঠ্যাংশৰ অসমীয়া অনুবাদ; শব্দার্থ; বিসন্ধি।

অধ্যায় ১ ঃ ৰামায়ণ (বালকাণ্ড, প্ৰথম সৰ্গ)ঃ সাধাৰণ অধ্যয়ন

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ সমগ্ৰ ৰামায়ণৰ এক সম্যক আভাস

- ১.৩.১ মহাকাব্যখনৰ সাধাৰণ পৰিচয়
- ১.৩.২ প্ৰতিটো কাণ্ডৰ বিষয়বস্তুৰ ধাৰণা

১.৪ বালকাণ্ডৰ প্ৰথম সৰ্গৰ বিশদ আলোচনা

- ১.৪.১ সৰ্গটিৰ সাৰাংশ
- ১.৪.২ ৰামচন্দ্ৰৰ গুণসমূহৰ বৰ্ণনা
- ১.৪.৩ ৰামচন্দ্ৰৰ বনগমনৰ পৰা সীতাহৰণ পৰ্য্যন্ত বৰ্ণনা
- ১.৪.৪ সীতা উদ্ধাৰ কাৰ্য্যৰ বিৱৰণ

১.৫ সৰ্গটিত উল্লেখিত কেইটামান বিশেষ চৰিত্ৰৰ পৰিচয়

১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৭ অধিক জানিবলৈ

১.৮ অগ্ৰগতিৰ খতিয়ান

১.৯ আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- সমগ্ৰ ৰামায়ণৰ এক সম্যক পৰিচয় লাভ কৰিব পাৰিব
- ৰামায়ণৰ প্ৰতিটো কাণ্ডৰ বিষয়বস্তুৰ জ্ঞান লাভ কৰিব
- ৰামায়ণৰ বালকাণ্ডৰ প্ৰথম সৰ্গৰ সাৰাংশটি আয়ত্ত কৰিব পাৰিব
- ৰামচন্দ্ৰৰ অসাধাৰণ গুণাৱলী সম্পৰ্কে অবগত হ'ব
- বালকাণ্ডৰ প্ৰথম সৰ্গত উল্লেখিত কেইটামান চৰিত্ৰৰ লগত বিশেষভাবে পৰিচিত হ'ব পাৰিব।

১.২ পৰিচয়

ইতিমধ্যে আপুনি এই বিষয়ে নিশ্চয় ভালদৰে জানিছে যে আমাৰ ভাৰতবৰ্ষত দুখন গ্ৰন্থক মহাকাব্য হিচাপে স্বীকৃতি দিয়া হৈছে। সেই দুখন হৈছে মহামুনি বাল্মীকি বিৰচিত ৰামায়ণ আৰু মহৰ্ষি ব্যাসদেৱ বিৰচিত মহাভাৰত। ভাৰতবৰ্ষৰ বাহিৰে পৃথিৱীৰ আন দেশতো এনে মহাকাব্য

পোৱা যায়। গ্ৰীচ দেশত হোমাৰে ইলিয়াত আৰু ওডিচি আৰু ৰোমত ভাৰ্জিলে ইনিড নামৰ মহাকাব্য ৰচনা কৰিছিল। ৰামায়ণ হৈছে এনে এক মহাকাব্য য'ত ভাৰতীয় জাতীয় জীৱনৰ এক পূৰ্ণ ছবি অংকিত হৈছে। ৰামায়ণত সৰ্বমুঠ সাতটা কাণ্ড আছে। তাৰ ভিতৰত প্ৰথমটোৰ নাম হৈছে বালকাণ্ড।

এই অধ্যায়ত ৰামায়ণৰ বালকাণ্ডৰ প্ৰথম সৰ্গৰ এক সাধাৰণ ধাৰণা দিয়া হৈছে। ইয়াৰ জৰিয়তে আপুনি সৰ্গটিৰ সাৰাংশ, ৰামৰ অসাধাৰণ গুণাৱলী ৰামৰ বনগমনৰপৰা সীতা হৰণ পৰ্য্যন্ত ঘটা ঘটনাসমূহ তথা সীতা উদ্ধাৰ কাৰ্য্য আদি বিষয়ৰ লগত পৰিচিত হ'ব পাৰিব।

১.৩ সমগ্ৰ ৰামায়ণৰ এক সম্যক আভাস

এই অংশত আপুনি ৰামায়ণৰ এক সাধাৰণ পৰিচয় আৰু প্ৰতিটো কাণ্ডৰ বিষয়বস্তু সম্পৰ্কে জানিব পাৰিব।

১.৩.১ মহাকাব্যখনৰ সাধাৰণ পৰিচয়

মহৰ্ষি বাল্মীকি বিৰচিত ৰামায়ণ হৈছে লৌকিক সংস্কৃত ভাষাত ৰচিত প্ৰাচীনতম কাব্য। ভাৰতবৰ্ষত ৰামায়ণক আদিকাব্য আৰু বাল্মীকিক আদিকবি হিচাপে স্বীকৃতি দিয়া হৈছে। সমগ্ৰ ৰামায়ণখন সাতটা কাণ্ডত বিভক্ত। সেই কাণ্ডসমূহ হৈছে - বালকাণ্ড, অযোধ্যাকাণ্ড, অৰণ্যকাণ্ড, কিস্কিন্ধাকাণ্ড, সুন্দৰকাণ্ড, যুদ্ধকাণ্ড আৰু উত্তৰকাণ্ড। এই মহাকাব্যত সৰ্বমুঠ ২৪,০০০ টা শ্লোক আৰু ৫০০ টা ***সৰ্গ***আছে।



সৰ্গ= প্ৰতি কাণ্ডৰ উপবিভাগক সৰ্গ বুলি কোৱা হয়।

ৰামায়ণৰ উৎপত্তি সম্পৰ্কে বালকাণ্ডত এটি আখ্যান পোৱা যায়। এদিন বাল্মীকি মুনিয়ে তমসা নদীত স্নান কৰিবলৈ গৈছিল। তেনে সময়তে মুনিৰ চকুত পৰিল যে এটা ব্যাধে ক্ৰৌঞ্চ মিথুনৰ মতা চৰাইটোক শৰমাৰি বধ কৰিছে আৰু তেতিয়া মাইকী চৰাইজনীয়ে ইনাই বিনাই চিঞৰিছে। এই কৰুণ দৃশ্য দেখি বাল্মীকিৰ মুখেৰে এটা শ্লোক ওলাই আহিল। সেই শ্লোকটো হৈছে -

মা নিষাদ প্ৰতিষ্ঠাং ত্বমগমঃ শাশ্বতীঃ সমাঃ।
যৎ ক্ৰৌঞ্চমিথুনাদেকমৱধীঃ কামমোহিতম্।।

ইয়াৰ অৰ্থ হৈছে এই যে হে ব্যাধ! যিহেতু ক্ৰৌঞ্চ চৰাইহালৰ এটাক কামোন্মত্ত অৱস্থাত বধ কৰিলা, সেয়েহে তুমি চিৰকাললৈ প্ৰতিষ্ঠা লাভ কৰিব নোৱাৰিবা।

ইয়াৰ অলপ পিছত ব্ৰহ্মা আহি বাল্মীকিৰ আগত উপস্থিত হ'ল। ব্ৰহ্মাই তেওঁক ৰামকথা পৃথিৰীত প্ৰচাৰ কৰিবলৈ উপদেশ দিলে।

সমগ্ৰ ৰামায়ণৰ কাহিনীটো তলত চমুকৈ বৰ্ণনা কৰা হ'ল -

অযোধ্যাত দশৰথ নামেৰে এজন ৰজা আছিল। তেওঁৰ তিনিগৰাকী পত্নী আৰু চাৰিজন পুত্ৰ আছিল। দশৰথ ৰজাই তেওঁৰ পত্নী কৈকেয়ীক দিয়া বচন ৰক্ষা কৰিবলৈ

জ্যেষ্ঠ পুত্ৰ ৰামচন্দ্ৰক চৈধ্য বছৰ বনবাস দিছিল। ৰামচন্দ্ৰৰ লগত ভ্ৰাতৃ লক্ষ্মণ আৰু পত্নী সীতাও সঙ্গী হৈছিল। তেওঁলোকে বনত থকা কালছোৱাত লঙ্কাৰ ৰজা ৰাৱণে সীতাক হৰণ কৰি লৈ গৈছিল। ৰামে বান্দৰ সেনাৰ সহায়ত ৰাবণক বধ কৰি সীতাক উদ্ধাৰ কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ পিছত ৰাৱণৰ গৃহত কিছুকাল থকা বাবে সীতাই অগ্নি পৰীক্ষাত অৱতীৰ্ণ হৈ নিজৰ পবিত্ৰতাৰ প্ৰমাণ দিব লগা হয়। তাৰ পিছত ৰাম, লক্ষ্মণ আৰু সীতাই অযোধ্যালৈ উভতি আহে আৰু ৰামে ৰাজ্যভাৰ হাততে লয়। ৰাৱণৰ দ্বাৰা হৰণ কৰি নিয়া বাবে সীতাক প্ৰজাৰ সন্তুষ্টিৰ কাৰণে ৰামে বনবাস দিয়ে। বনত সীতাৰ লব আৰু কুশ নামেৰে দুটি যমজ সন্তানৰ জন্ম হয়। এই লব-কুশৰ জৰিয়তেই পিছত ৰামে সীতাৰ সন্ধান পায় আৰু অযোধ্যালৈ পুনৰ লৈ আহিবলৈ স্থিৰ কৰে। অৱশ্যে তেওঁ কৈছিল যে প্ৰজাবৰ্গৰ সন্মুখত সীতাই আৰু এবাৰ অগ্নি পৰীক্ষাত অবতীৰ্ণ হব লাগিব। কিন্তু সীতাই এইবাৰ মাতৃ ধৰিত্ৰীক অনুৰোধ জনায় আৰু ধৰিত্ৰী দেৱীয়েও তেওঁক আশ্ৰয় দিয়ে। ইয়াৰ পিছত শোকদগ্ধ ৰামেও নিজৰ জীৱন পৰিত্যাগ কৰে।

ৰামায়ণৰ ভাষা অতি সৰল আৰু মার্জিত। অপূৰ্ব চৰিত্ৰচিত্ৰণ, মনোৰম বৰ্ণনাৰীতি, লালিত্যপূৰ্ণ ভাষা তথা অনবদ্য বিষয়বস্তুৰ জৰিয়তে এই মহাকাব্য-খনিয়ে এক অসাধাৰণ জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছে। ইয়াৰ চৰিত্ৰসমূহ বিভিন্ন আদৰ্শৰ পৰিচায়ক। নায়ক ৰামচন্দ্ৰ এজন আদৰ্শ পুত্ৰ। লক্ষ্মণ আৰু ভৰত আদৰ্শ ভ্ৰাতৃ আৰু সীতা আদৰ্শ পত্নীৰ এক উজ্জ্বল নিদৰ্শন। পিতৃৰ প্ৰতিজ্ঞা ৰক্ষাৰ্থে ইয়াত পুত্ৰ ৰামে সিংহাসন আৰু পার্থিব সুখ পৰিত্যাগ কৰিছে। ৰজা দশৰথে নিজৰ বচন ৰক্ষা কৰিবলৈ অতি মৰমৰ পুত্ৰকো বনবাসলৈ পঠিয়াব লগা হৈছে। পত্নী-সীতা এনে এগৰাকী নাৰী যিয়ে জীৱনৰ শেষ মুহূৰ্তলৈ স্বামীৰ প্ৰতি অনুগতা হৈ আছিল। মানৱ জীৱনৰ প্ৰকৃত আদৰ্শ প্ৰতিফলন কৰা আৰু বিভিন্ন নীতিজ্ঞানেৰে সমৃদ্ধ এই ৰামায়ণে ভাৰতীয় জাতীয় জীৱনত যুগে যুগে প্ৰভাৱ বিস্তাৰ কৰিছে।

১.৩.২ প্ৰতিটো কাণ্ডৰ বিষয়বস্তুৰ ধাৰণা

সপ্তকাণ্ডত বিভক্ত ৰামায়ণৰ প্ৰতিটো কাণ্ডৰে সুকীয়া গুৰুত্ব আছে। এই কাণ্ডসমূহত সন্নিবিষ্ট বিষয়সমূহ তলত উল্লেখ কৰা হ'ল।

১) **বালকাণ্ডঃ**-ৰামায়ণৰ বালকাণ্ডত শ্ৰীৰামচন্দ্ৰৰ জন্ম, তেওঁৰ বাল্যকালৰ বিৱৰণ, বিশ্বামিত্ৰৰ আশ্ৰমত যজ্ঞৰক্ষা, তাৰকা, সুবাহু আদি ৰাক্ষসৰ নিধন, অহল্যাৰ অভিশাপ মুক্তি, হৰধনু ভঙ্গ কৰি ৰামৰ সীতাৰ লগত বিবাহ আদি বিষয়সমূহ সন্নিবিষ্ট কৰা হৈছে।

২) **অযোধ্যাকাণ্ডঃ**-ৰামৰ অভিষেক অনুষ্ঠানৰ আয়োজন, তেওঁৰ চৈধ্য বছৰ বনবাস, পুত্ৰশোকাতুৰ ৰজা দশৰথৰ মৃত্যু, ৰাম, লক্ষ্মণ আৰু সীতাৰ চিত্ৰকূটত নিবাস, ভৰতৰ বনলৈ গমন আৰু ৰামক ওভতাই অনাৰ বিফল প্ৰচেষ্টা, ভৰতৰ দ্বাৰা

নন্দী গ্ৰামত ৰাজ্য স্থাপন আদিয়েই হৈছে অযোধ্যা কাণ্ডৰ মূল বিষয়।

৩) **অৰণ্যকাণ্ডঃ**-অৰণ্য কাণ্ডত তলৰ বিষয়সমূহ সন্নিবিষ্ট হৈছে - দণ্ডকাৰণ্যত ৰামৰ জীৱন যাপন, বিৰাধ নামৰ ৰাক্ষস নিধন, শৰভঙ্গ, সুতীক্ষ্ণ, অত্রি আদি ঋষিসকলৰ লগত সাক্ষাৎ, ৰাক্ষসী শূৰ্পণখাৰ অঙ্গচ্ছেদ, খৰ, ত্রিশিৰা প্ৰমুখ্যে চৈধ্য হাজাৰ ৰাক্ষস নিধন, ৰাৱণৰ দ্বাৰা জ্ঞাতি নিধনৰ বাৰ্তা লাভ, মাৰীচৰ সহযোগত ৰাৱণৰদ্বাৰা সীতা হৰণ, পক্ষী জটায়ুৰ মৃত্যু, সীতাৰ বাবে ৰামৰ শোক, শবৰীৰ লগত সাক্ষাৎ আদি।

৪) **কিষ্কিন্ধা কাণ্ডঃ**- কিষ্কিন্ধা কাণ্ডত উপলব্ধ মূল বিষয়সমূহ এনে ধৰণৰ - ৰামৰ হনুমাৰ লগত সাক্ষাৎ, সুগ্ৰীবৰ লগত বন্ধুত্ব স্থাপন, বালী বধ, হনুমানৰ লঙ্কা গমনৰ প্ৰস্তুতি আদি।

৫) **সুন্দৰ কাণ্ডঃ**- হনুমানৰদ্বাৰা বায়ুৰ মাজেৰে যাত্ৰা, সিংহিকা নামৰ ৰাক্ষসী নিধন, লঙ্কাৰ সৌন্দৰ্য্য বৰ্ণনা, হনুমানৰ লঙ্কাত প্ৰবেশ, অশোকবনত সীতাৰ লগত সাক্ষাৎ, সীতাক ৰামৰ বাৰ্তা প্ৰদান, লঙ্কা নগৰীত অগ্নি নিক্ষেপ, সীতাৰ বাৰ্তা লৈ ৰামৰ ওচৰলৈ পুনৰ আগমন আৰু বাৰ্তা প্ৰদান আদি বিষয়সমূহ সুন্দৰ কাণ্ডত বৰ্ণিত হৈছে।

৬) **যুদ্ধ কাণ্ডঃ**- এই কাণ্ডত সন্নিবিষ্ট বিষয়সমূহ হৈছে সমুদ্ৰৰ ওপৰত দলং নিৰ্মাণ, বান্দৰ সেনাসমূহৰ সৈতে ৰাম আৰু লক্ষ্মণৰ লঙ্কাত প্ৰবেশ, ৰাৱণৰ ভ্ৰাতৃ বিভীষণৰ লগত বন্ধুত্ব স্থাপন, ৰাৱণক যুদ্ধত পৰাস্ত কৰি হত্যা, সীতা উদ্ধাৰ, সীতাৰ অগ্নি পৰীক্ষা, বিভীষণক লঙ্কাৰ-ৰজা হিচাপে প্ৰতিষ্ঠা, সঙ্গীসকলৰ লগত ৰামচন্দ্ৰৰ অযোধ্যালৈ আগমন আৰু ৰাজ্য গ্ৰহণ আদি।

৭) **উত্তৰ কাণ্ডঃ**- ৰামৰ ৰাজ্যশাসনৰ বৰ্ণনা, সীতা বিসৰ্জন, সীতাৰ বাল্মীকিৰ আশ্ৰমত আশ্ৰয় গ্ৰহণ লৰ কুশৰ জন্ম, অশ্বমেধ যজ্ঞ, সীতাৰ পাতাল প্ৰৱেশ, লক্ষ্মণ বৰ্জন, ৰামৰ মহাপ্ৰয়াণ আদি এই কাণ্ডৰ প্ৰধান বিষয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ খালী ঠাই পূৰণ কৰক।

ক) সমগ্ৰ ৰামায়ণখন সাতটা ..... ত বিভক্ত।

খ) ৰামায়ণত সৰ্বমুঠ ..... টা শ্লোক আছে।

গ) বাল্মীকিক ..... কবি আৰু ৰামায়ণক ..... কাব্য বুলিও কোৱা হয়।



জানি থোৱা ভাল

ভাৰতবৰ্ষৰ প্ৰায়বোৰ ৰাজ্যিক ভাষালৈকে কেবাশ বছৰ আগতেই ৰামায়ণৰ ভাঙনি প্ৰকাশিত হৈছে। দ্বাদশ শতিকাত তামিল কবি কম্বনে কম্ব ৰামায়ণ ৰচনা কৰে। ইয়াৰ উপৰিও তুলসীদাসে 'ৰামচৰিত মানস' ৰচনা কৰি অতিশয় জনপ্ৰিয়তা অৰ্জন কৰে। খৃষ্টীয় চতুৰ্দশ শতিকাত মাধৱ কন্দলীয়ে ৰামায়ণৰ অসমীয়া পদ ভাঙনি কৰে। প্ৰায় এশ বছৰ পিছত কন্দলী ৰামায়ণৰ পাঁচটা কাণ্ড পোৱা যায়। ইয়াৰ পিছত মাধৱদেৱে ৰামায়ণৰ আদি কাণ্ডৰ আৰু শঙ্কৰদেৱে উত্তৰকাণ্ডৰ ভাঙনি কৰি কন্দলী ৰামায়ণত যোগ দিয়ে।

১.৪ বালকাণ্ডৰ প্ৰথম সৰ্গৰ বিশদ আলোচনা

এই অংশত আপুনি ৰামায়ণৰ বালকাণ্ডৰ প্ৰথম সৰ্গৰ সাৰাংশটিৰ লগতে সমগ্ৰ সৰ্গটিত বৰ্ণিত ঘটনাসমূহৰ পৃথক পৃথকভাৱে জ্ঞান লাভ কৰিব।

১.৪.১ সৰ্গটিৰ সাৰাংশ

ৰামায়ণৰ বালকাণ্ডৰ প্ৰথম সৰ্গৰ আৰম্ভণিতেই মহৰ্ষি বাল্মীকিয়ে এই পৃথিৱীৰ অসাধাৰণ গুণসমন্বিত লোক এজনৰ বিষয়ে মুনিশ্ৰেষ্ঠ নাৰদৰপৰা জানিব বিচাৰিছে। এই প্ৰশ্নৰ সমিধানৰূপে নাৰদে কৈছে যে ইক্ষ্বাকুবংশত জন্ম গ্ৰহণ কৰা আৰু সকলোৰে মাজত ৰাম নামেৰে পৰিচিত লোকজনেই হৈছে সৰ্বগুণেৰে বিভূষিত। তেওঁ সংযতাত্মা, বীৰ্য্যবান, ধৈৰ্য্যশীল, জিতেন্দ্ৰিয়, নীতিপৰায়ণ, বাগ্মী আৰু শত্ৰুবিনাশক। তেওঁৰ শাৰীৰিক বৰণ স্নিগ্ধ। অঙ্গসমূহ সুশ্ৰী আৰু সুলক্ষণসম্পন্ন। তেওঁৰ শিৰোদেশ দৰ্শনীয়, নয়নযুগল ***আকৰ্ণবিস্তৃত***, স্কন্ধ সুপুষ্ট, বুকু বিশাল আৰু বাহু ***আজানুলম্বিত***।



আকৰ্ণবিস্তৃত = কৰ্ণ পৰ্য্যন্ত বিস্তৃত।

আজানুলম্বিত = জানু বা আঠু পৰ্য্যন্ত দীৰ্ঘ।

এনে উত্তম গুণসম্পন্ন ৰামক ৰজা দশৰথে যুৱৰাজ পদত অভিষিক্ত কৰিবলৈ ইচ্ছা কৰিলে। কিন্তু সেই সময়ত ৰাজমহিষী কৈকেয়ীয়ে দশৰথ ৰজাই আগতে প্ৰতিশ্ৰুতি দিয়ামতে পাবলগা বৰ দুটা প্ৰাৰ্থনা কৰিলে। সেয়া হ'ল ৰামৰ বনবাস আৰু ভৰতৰ অভিষেক। ৰজা দশৰথেও প্ৰতিজ্ঞা ৰক্ষাৰ বাবে ৰামক বনবাস দিলে। ৰাম বনলৈ যাবলৈ ওলোৱাত তেওঁৰ ভ্ৰাতৃ লক্ষ্মণ আৰু স্নেহশীলা পত্নী সীতাইও ৰামৰ অনুগমন কৰিলে। যাত্ৰাপথত তেওঁলোকে বহুতো ডাঙৰ ডাঙৰ নৈ-বন আদি অতিক্ৰম কৰিলে আৰু অৱশেষত চিত্ৰকূট পৰ্বত পালেগৈ। তাত বনৰ মাজত তেওঁলোকে এটি ৰমণীয় পৰ্ণকুটীৰ সাজি লৈ পৰম সুখত থাকিবলৈ ললে। ইপিনে অযোধ্যাত পুত্ৰ শোকাতুৰ ৰজা দশৰথে প্ৰাণত্যাগ কৰিলে। পিতৃৰ-অবৰ্তমানত বশিষ্ঠ আদি দ্বিজসকলে ভৰতক ৰাজ্যভাৰ লবলৈ অনুৰোধ কৰিলে। ভৰতে এই কথাত মান্তি নহ'ল আৰু ৰামচন্দ্ৰক ওভতাই আনিবলৈ

বনলৈ গ'ল। কিন্তু ৰামচন্দ্ৰই ৰাজপদ লবলৈ ইচ্ছা নকৰিলে আৰু নিজৰ পাদকাযুৰি দি ভৰতক ওভতাই পঠিয়ালে। ৰামৰ আগমনৰ অপেক্ষা কৰি ভৰতে নন্দীগ্ৰামত ৰাজ্যস্থাপন কৰি ৰাজকাৰ্য্য চলাবলৈ ধৰিলে। ইপিনে কমেও পূৰ্বৰ স্থান ত্যাগ কৰি দণ্ডকাৰণ্যত প্ৰৱেশ কৰিলে। তাত কেইবাগৰাকী ঋষিক ৰামে দেখা কৰিলে। সেই ঋষিসকলে ৰামক অসুৰ আৰু ৰাক্ষস নিধনৰ বাবে অনুৰোধ জনালে। ৰামেও সেই অনুৰোধ ৰক্ষা কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ হ'ল। সেই সময়তে জনস্থান নিবাসিনী ৰাক্ষসী শূৰ্পণখাক ৰামে বিৰূপাকৃতি কৰিলে। ইয়াৰ পিছত ৰামে চৈধ্য হাজাৰ ৰাক্ষসক বধ কৰিলে। জ্ঞাতিবধৰ বাতৰি পাই ৰাৱণ ক্ৰোধান্বিত হ'ল। তেওঁ মাৰীচ নামৰ ৰাক্ষসৰ সহায়ত ৰামৰ পত্নী সীতাক হৰণ কৰিলে। সীতা হৰণৰ বাৰ্তাত ৰাম যথেষ্ট শোকাভিভূত হৈ পৰিল। তেওঁ সীতাক বিচাৰি বনে বনে ঘূৰি ফুৰিবলৈ ধৰিলে। এনেদৰে এদিন পম্পাতীৰত হনুমানৰ লগত তেওঁৰ সাক্ষাৎ হয়। হনুমানৰ কথামতে ৰামে সুগ্ৰীবৰ আগত সকলো কথা প্ৰকাশ কৰিলে। ইপিনে সুগ্ৰীবেও ককায়েক বালীৰ লগত তেওঁৰ বৈৰীতাৰ বিষয়ে ৰামক অৱগত কৰিলে আৰু ৰামে বালীক বধ কৰিব বুলি প্ৰতিজ্ঞা কৰিলে। প্ৰতিজ্ঞা মতে বালীক বধ কৰি ৰামে সুগ্ৰীবক ৰজা পাতিলে। ৰজা হৈ সুগ্ৰীবে বান্দৰ সমূহক সীতা বিচৰা কাৰ্য্যত নিয়োজিত কৰিলে। সেই আজ্ঞা অনুসৰি মহাবলশালী হনুমানে বিস্তীৰ্ণ লৱণ সমুদ্ৰ পাৰ হ'ল। লঙ্কানগৰীত উপস্থিত হৈ তাত থকা অশোক বনত হনুমানে সীতাক দেখিলে আৰু সকলো কথা তেওঁক নিবেদন কৰিলে। তাৰ পিছত হনুমানে লঙ্কানগৰী দহন কৰিলে আৰু ৰামৰ ওচৰলৈ উভতি আহি সমগ্ৰ বাৰ্তা জনালে। ইয়াৰ পিছত ৰামে সমুদ্ৰত সেতু বন্ধাই সেই সেতুৰে লঙ্কালৈ গ'ল আৰু যুদ্ধত ৰাৱণক বধ কৰি সীতাক উদ্ধাৰ কৰিলে।

তাৰ পিছত ৰামে জনসমাজৰ আগত সীতাক উদ্দেশ্য কৰি কঠোৰ বাক্য প্ৰয়োগ কৰিলে। এই কথা সহিব নোৱাৰি সীতাই অগ্নিত প্ৰবেশ কৰিলে। কিন্তু অগ্নিদেৱতা আৱিৰ্ভাব হৈ সীতাক নিষ্পাপ বুলি ঘোষণা কৰিলে।

ইয়াৰ পিছত ৰামে বিভীষণক লঙ্কাৰ ৰাজপদত অভিষিক্ত কৰিলে আৰু বন্ধুবৰ্গৰ সৈতে পুষ্পক ৰথত উঠি অযোধ্যা অভিমুখে যাত্ৰা কৰিলে। বাটত ভৰদ্বাজৰ আশ্ৰমত পদাৰ্পণ কৰি তাৰপৰা ৰামে সুগ্ৰীবৰ লগত নন্দীগ্ৰামলৈ গ'ল। এই নন্দীগ্ৰামতে সীতাক ৰাজমহিষী হিচাপে লৈ ৰামে ৰাজ্যভাৰ গ্ৰহণ কৰিলে। ৰামৰ ৰাজত্বত ৰাজ্যত সকলো ধৰণৰ সুখ সমৃদ্ধি বিৰাজ কৰিলে।

দেবৰ্ষি নাৰদে ইয়াৰ পিছত ঘোষণা কৰিলে যে দহ হাজাৰ দহশ বছৰ ৰাজত্ব কৰি ৰামে শেষত ব্ৰহ্মালোকলৈ গমন কৰিব। যিয়ে ৰামৰ চৰিত্ৰৰ এই আখ্যান পাঠ কৰিব তেওঁ সকলো পাপৰ পৰা মুক্ত হ'ব।

১.৪.২ ৰামচন্দ্ৰৰ গুণসমূহৰ বৰ্ণনা

ৰামায়ণৰ নায়ক শ্ৰীৰামচন্দ্ৰক মহাকাব্যখনত সৰ্বগুণসমন্বিত এগৰাকী অসাধাৰণ পুৰুষ হিচাপে প্ৰতিষ্ঠিত কৰা হৈছে। মুনিশ্ৰেষ্ঠ নাৰদৰদ্বাৰা ৰামচন্দ্ৰৰ বিভিন্ন গুণসমূহৰ বিষয়ে বালকাণ্ডৰ প্ৰথম সৰ্গৰ আৰম্ভণিতেই উক্ত হৈছে। ইয়াত কোৱা হৈছে যে শ্ৰী ৰামচন্দ্ৰ বুদ্ধিমান, নীতিপৰায়ণ, বাগ্মী, সৌভাগ্যবান আৰু শত্ৰুবিনাশক। তেওঁৰ স্কন্ধ বিশাল আৰু বাহু দীৰ্ঘ। বিশাল বক্ষযুক্ত এই গৰাকী পুৰুষৰ ডিঙি সুপুষ্ট। তেওঁৰ কপাল আৰু মস্তক মনোৰম। আকৃতিত তেওঁ মধ্যম। স্নিগ্ধ বৰ্ণযুক্ত আৰু বিশাল নেত্ৰধাৰী শ্ৰীৰামচন্দ্ৰ বিভিন্ন শুভলক্ষণৰো আঁকৰস্বৰূপ। তেওঁ ধৰ্মজ্ঞাতা আৰু সত্য প্ৰতিজ্ঞ। প্ৰজাসমূহৰ হিতসাধনত তেওঁ সদাৰত। ইয়াৰ উপৰিও তেওঁ যশস্যাশালী, জ্ঞানী আৰু জিতেন্দ্ৰিয়। জীৱলোকৰ ত্ৰাণকৰ্তা আৰু ধৰ্মৰ ৰক্ষক এই গৰাকী ব্যক্তি সৰ্বশাস্ত্ৰৰ তত্ত্বজ্ঞাতা। তেওঁ সকলোৰে প্ৰতি সমান ভাব প্ৰদৰ্শনকাৰী। ইয়াৰ উপৰিও তেওঁৰ আকৃতি অতিশয় আনন্দপ্ৰদায়ক। গাম্ভীৰ্য্যত তেওঁ সমুদ্ৰ সদৃশ আৰু ধৈৰ্য্যৰ ক্ষেত্ৰত হিমালয় পৰ্বততুল্য। তেওঁ বিষ্ণুৰ দৰে পৰাক্ৰমী, কালাগ্নিৰ দৰে ক্ৰোধী আৰু পৃথিৰীৰ দৰে ক্ষমাশীল।

এনেদৰে অনেক গুণৰ সমন্বয়ত শ্ৰীৰামচন্দ্ৰৰ চৰিত্ৰটি ৰামায়ণত অংকিত হৈছে।



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ২ঃ ৰামচন্দ্ৰই জন্মগ্ৰহণ কৰা বংশটিৰ নাম কি আছিল ?

.....

প্ৰশ্ন নং ৩ঃ ৰামচন্দ্ৰৰ তিনিটা শাৰীৰিক বৈশিষ্ট্য উল্লেখ কৰক।

.....

প্ৰশ্ন নং ৪ঃ ৰাণী কৈকেয়ীয়ে দশৰথ ৰজাৰপৰা কি দুটা বৰ প্ৰাৰ্থনা কৰিছিল ?

.....

১.৪.৩ ৰামচন্দ্ৰৰ বন গমনৰ পৰা সীতা হৰণ পৰ্য্যন্ত বৰ্ণনা

পিতৃ নিৰ্দেশ পালন কৰি আৰু মাতৃ কৈকেয়ীৰ মনোবাঞ্ছা পূৰ্ণ কৰি ৰামচন্দ্ৰই বনলৈ গমন কৰিলে। এই বনগমনত ভ্ৰাতৃ লক্ষ্মণ আৰু পত্নী সীতাও তেওঁৰ সঙ্গী হ'ল। কিছু দূৰ পৰ্য্যন্ত নগৰবাসী সকলেও এই বনগমনকাৰীসকলৰ অনুগমন কৰিলে। গঙ্গা নদীৰ পাৰত শৃঙ্গবেৰপুৰত ৰামে নিষাদৰাজ গুহক লগ পালে। গুহ, লক্ষ্মণ আৰু সীতাৰ সৈতে ৰামে বহুতো ডাঙৰ ডাঙৰ নদী আৰু বন অতিক্ৰম কৰি গৈ চিত্ৰকূট পৰ্বত পালেগৈ। তাত তেওঁলোকে এনে ৰমণীয় পৰ্ণকুটীৰ সাজি পৰম সুখত বাস কৰিবলৈ ধৰিলে। ৰাম চিত্ৰকূটত থকা কালছোৱাতে ৰজা দশৰথে পুত্ৰশোকত প্ৰাণত্যাগ কৰিলে। পিতৃৰ মৃত্যুৰ পিছত বশিষ্ঠ আদি দ্বিজসকলে ভৰতক ৰাজ্যভাৰ লবলৈ অনুৰোধ কৰিলে যদিও ভৰতে

তাত মান্তি নহ'ল আৰু ৰামক লগ কৰিবলৈ বনলৈ গ'ল। বনত মহাত্মা ৰামক লগ পাই ভৰতে ৰাজপদ যাচিলে। কিন্তু ৰামে পিতাকৰ আদেশ স্মৰণ কৰি সেই ৰাজপদ গ্রহণ কৰিবলৈ ইচ্ছা নকৰিলে। ৰামচন্দ্রই তেওঁৰ খৰমযোৰ ভৰতক দিলে আৰু ৰাজ্যলৈ ওভতাই পঠিয়ালে। নিজ ইচ্ছাপূর্ণ নোহোৱাকৈ ভৰতে ৰামক প্রণাম জনাই উভতি আহিল। ৰামৰ আগমনৰ অপেক্ষা কৰি ভৰতে নন্দীগ্রামত ৰাজ্যস্থাপন কৰি ৰাজকার্য্য চলাবলৈ ধৰিলে। ভৰত উভতি যোৱাৰ পিছত ৰামচন্দ্রই দণ্ডকাৰণ্যত প্রবেশ কৰিলে। দণ্ডকাৰণ্যত প্রবেশ কৰি ৰামে বিৰোধ নামৰ ৰাক্ষসক বধ কৰিলে। তাৰ পিছত শৰভঙ্গ ঋষিক দর্শন কৰিলে। ইয়াৰ পিছত ৰামে সুতীক্ষ্ণ, অগস্ত্য আদি বিভিন্নজন ঋষিক সাক্ষাৎ কৰিলে। দণ্ডকাৰণ্যত বাস কৰি থকা সময়ত তাত থকা ঋষিসকলে ৰামক অসুৰ আৰু ৰাক্ষসকুলৰ নিধনৰ কাৰণে প্রার্থনা জনালে। ৰামেও সেইসমূহক বধ কৰিব বুলি প্রতিজ্ঞা কৰিলে। সেই কালছোৱাতেই জনস্থান নিবাসিনী ৰাক্ষসী শূর্পণখাক ৰাম-লক্ষ্মণে বিৰূপাকৃতি কৰিলে। শূর্পণখাৰ কথা শুনি খেদি অহা শৰ, দূষণ প্রমুখ্যে ১৪ হাজাৰ ৰাক্ষসক ৰামে সিহঁতৰ অনুচৰ বর্গৰ সৈতে বধ কৰিলে। ইপিনে আত্মীয়সকলৰ বধৰ বাতৰি পাই ৰাৱণ ক্রোধান্বিত হ'ল। তেওঁ মাৰীচ নামৰ ৰাক্ষসৰ সহায় বিচাৰিলে। মাৰীচে প্রথমাৱস্থাত ৰাৱনক ৰামৰ বিৰোধিতা কৰিবলৈ নিষেধ কৰিলে। কিন্তু ৰাৱণে মাৰীচৰ কথাত কাণ নিদিলে আৰু মাৰীচক লৈ ৰামে বাস কৰা আশ্রমলৈ গ'ল। মায়াবী মাৰীচে ছলনাৰে ৰাম আৰু লক্ষ্মণক আঁতৰাই পঠিয়ালে। ইয়াৰ পিছত ৰাৱণে সীতাক হৰণ কৰিলে। সীতাহৰণৰ বার্তা পক্ষী জটায়ুৰ মুখত শুনি ৰাম শোকত আকুল হ'ল আৰু সীতাক বিচৰা কার্য্য আৰম্ভ কৰিলে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ঃ নিষাদৰাজ কোন?

.....

প্রশ্ন নং ৬ঃ দণ্ডকাৰণ্যত ৰামে সাক্ষাৎ লাভ কৰা দুজন ঋষিৰ নাম উল্লেখ কৰক।

.....

প্রশ্ন নং ৭ঃ ৰাম আৰু লক্ষ্মণক সীতা হৰণৰ বার্তা কোনে দিছিল?

.....

১.৪.৪ সীতা উদ্ধাৰ কার্য্যৰ বিৱৰণ

দণ্ডকাৰণ্যত থকা সময়ত ৰামৰ পত্নী জনকনন্দিনী সীতাক লঙ্কাৰ ৰজা ৰাৱণে হৰণ কৰিছিল। পিছত ৰামে এই কথা পক্ষী জটায়ুৰ মুখত জানিব পাৰি শোকত অধীৰ হৈ পৰিল। বনৰ মাজে মাজে ৰামে সীতাক বিচাৰিবলৈ আৰম্ভ কৰিলে। এই সময়ছোৱাত ৰামে ভয়ঙ্কৰ আকৃতিৰ কবন্ধ নামেৰে এক ৰাক্ষসক লগ পালে। এই ৰাক্ষসক ৰামে বধ

কৰিলে আৰু দাহ কাৰ্য্যও সম্পন্ন কৰিলে। তেতিয়া ৰাক্ষসটোৱে স্বৰ্গগামী হোৱাৰ আগেয়ে ৰামক তপস্বিনী শৱৰীৰ বিষয়ে কৈ গ'ল। ৰামে শবৰীৰ ওচৰলৈ যোৱাত শৱৰীয়ে তেওঁক যথাযোগ্য সৎকাৰ কৰিলে। ইয়াৰ পিচত পম্পাতীৰত ৰামৰ হনুমানৰ লগত সাক্ষাৎ হয়। হনুমানৰ কথামতে ৰামে সুগ্ৰীবৰ লগত দেখা কৰিলে। ৰামে সীতাৰ বিষয়ে সকলো কথা সুগ্ৰীৱৰ আগত প্ৰকাশ কৰিলে। সুগ্ৰীৱে ৰামৰ লগত বন্ধুত্ব স্থাপন কৰিলে আৰু ককায়েক বালীৰ লগত থকা বৈৰীতাৰ কথা কলে। ৰামেও প্ৰথমে নিজৰ শক্তিৰ পৰিচয় দিলে। ইয়াৰ পিচত সুগ্ৰীৱে ৰামক কিষ্কিন্ধা নামৰ গুহালৈ লৈ গ'ল আৰু গৰ্জন কৰিবলৈ ধৰিলে। বানৰৰাজ বালী ওলাই আহি সুগ্ৰীবৰ সন্মুখীন হ'ল। যুদ্ধত এপাট শৰতে ৰামে বালীক নিধন কৰিলে আৰু সুগ্ৰীবক ৰজা পাতিলে।

ইয়াৰ পিছত সুগ্ৰীবে সকলো বান্দৰ সমবেত কৰি জনকনন্দিনী সীতাক বিচাৰিবলৈ দশোদিশে পঠিয়ালে। সম্পাতি নামৰ এক পক্ষীৰ কথা অনুসৰি হনুমানে বিস্তীৰ্ণ লৱণ সমুদ্ৰ অতিক্ৰম কৰি লঙ্কাত উপস্থিত হ'ল। তাত অশোকবনত হনুমানে ধানমগ্না সীতাক দেখিবলৈ পালে। হনুমানে পৰিচয়ৰ এক চিহ্ন সীতাক দেখুৱালে আৰু সকলো ঘটনা নিবেদন কৰিলে। ইয়াৰ পিছত সীতাক আশ্বাসবাণী প্ৰদান কৰি হনুমানে লঙ্কাৰ তোৰণ ভঙ্গ কৰিলে। তাৰ পিছত পাঁচজন সেনাপতি, সাতজন মন্ত্ৰীকুমাৰ আৰু ৰাৱণপুত্ৰ অক্ষক নিধন কৰিলে আৰু ইন্দ্ৰজিতৰ ব্ৰহ্মাস্ত্ৰত বান্ধ খালে। ব্ৰহ্মাৰ বৰ অনুসৰি নিজকে ব্ৰহ্মাস্ত্ৰৰ বন্ধনৰপৰা মুক্ত বুলি জানিলেও হনুমানে ৰাক্ষসসেনাসকলক ক্ষমা কৰি দিলে আৰু সীতাই অৱস্থান কৰা স্থানক বাদ দি সমগ্ৰ লঙ্কানগৰী পুৰি পেলালে। ইয়াৰ পিছত এই প্ৰিয় বাতৰিটো ৰামক জনাবলৈ হনুমান উভতি আহিল।

হনুমানে গৈ সীতাক লগপোৱাৰ বাৰ্তা ৰামক প্ৰদান কৰিলে। তাৰ পিছত ৰামে সুগ্ৰীৱৰ লগত মহাসমুদ্ৰৰ পাৰত উপস্থিত হ'ল আৰু অগ্নি সদৃশ শৰৰদ্ধাৰা সমুদ্ৰক ক্ষুভিত কৰিলে। সমুদ্ৰ দেৱতা তেতিয়া আৱিৰ্ভাব হ'ল, সমুদ্ৰৰ কথা অনুসৰি ৰামেও নলৰদ্ধাৰা সেতু নিৰ্মাণ কৰি সেই সেতুৰে লঙ্কালৈ গ'ল। লঙ্কাত হোৱা যুদ্ধত ৰামে ৰাৱণক বধ কৰিলে আৰু পত্নী সীতাক উদ্ধাৰ কৰি ৰাজ্যলৈ উভতি আহিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৮ঃ ৰামচন্দ্ৰই হনুমানক প্ৰথমে ক'ত লগ পাইছিল?

.....

প্ৰশ্ন নং ৯ঃ হনুমানে কেনেকৈ লঙ্কাত উপস্থিত হৈছিল?

.....

প্ৰশ্ন নং ১০ঃ লঙ্কাত কোন স্থানত সীতাক ৰখা হৈছিল?

.....



জানি থোৱা ভাল

ৰামায়ণৰ কাহিনীৰ আধাৰত পিছৰ যুগৰ কবিসকলে বিভিন্ন কাব্য ৰচনা কৰিছিল। মহাকবি ভাসে ৰামায়ণৰ আলমত 'প্ৰতিমা' আৰু 'অভিষেক' নামৰ দুখন নাটক ৰচনা কৰিছিল। ৰামায়ণৰ কাহিনীৰ আধাৰত ভৱভূতিয়ে 'মহাবীৰ-চৰিত' আৰু 'উত্তৰ ৰামচৰিত' নামৰ দুখন নাটক ৰচনা কৰিছিল। ইয়াৰ উপৰিও প্ৰবৰসেনৰ সেতুবন্ধ, কুমাৰদাসৰ জানকীহৰণ, ভোজৰ ৰামায়ণচম্পূ আদি বিভিন্ন কাব্যৰ মূল উৎস হৈছে ৰামায়ণ।

১.৫ সৰ্গটিত উল্লেখিত কেইটামান বিশেষ চৰিত্ৰৰ পৰিচয়

১) **নাৰদঃ**- নাৰদ হৈছে এজন প্ৰধান দেৱৰ্ষি। তেওঁ ব্ৰহ্মাৰ পুত্ৰ। বীণা মন্ত্ৰৰ সৃষ্টিকৰ্তা এই নাৰদক ত্ৰিলোক বিহাৰী আৰু ত্ৰিকালদৰ্শী বুলি জনা যায়।

২) **ইন্দ্ৰজিৎঃ**- ইন্দ্ৰজিৎ লঙ্কাৰ ৰজা ৰাৱণৰ পুত্ৰ। তেওঁৰ আন এটা নাম মেঘনাদ। এসময়ত তেওঁ ইন্দ্ৰক জয় কৰে আৰু বন্দী কৰি লঙ্কালৈ আনে। ব্ৰহ্মা আদি দেৱতাসকলে ইন্দ্ৰৰ মুক্তিৰ বাবে লঙ্কালৈ আহে। ব্ৰহ্মাই তেতিয়া মেঘনাদক ইন্দ্ৰজিৎ নাম দিয়ে।

৩) **সম্পাতিঃ**- সম্পাতি হৈছে পক্ষী জটায়ুৰ জ্যেষ্ঠ ভ্ৰাতা। এবাৰ সম্পাতিয়ে সূৰ্য্যৰ কিৰণৰপৰা নিজৰ পাখিৰে বেঢ়ি ভায়েকক ৰক্ষা কৰে আৰু তাত সম্পাতিৰ পাখি পুৰি যায়। শক্তিহীন হৈ সম্পাতি বিন্ধ্য পৰ্বতত পৰি থাকে। পিছত ঋষি আৰাধনাৰদ্বাৰা সম্পাতিৰ ডেউকাবোৰ সজীব হয়। সম্পাতিয়ে ৰামৰ অনুচৰ বান্দৰবোৰক সীতাৰ সন্ধান যোগায়।

৪) **জটায়ুঃ**-জটায়ু এটি ডাঙৰ পক্ষী। গৰুড়ৰ জ্যেষ্ঠ ভ্ৰাতা অৰুণৰ সৰু পুত্ৰ হৈছে জটায়ু। ই গৃধ্ৰৰাজ। ৰজা দশৰথৰ লগত জটায়ুৰ বন্ধুত্ব আছিল। ৰাৱণে সীতাক হৰণ কৰাৰ সময়ত এই জটায়ুয়ে সীতাৰ ৰক্ষাৰ বাবে ৰাৱণৰ লগত যুদ্ধত অৱতীৰ্ণ হয়। কিন্তু ৰাৱণৰ আক্ৰমণত পক্ষী জটায়ু অত্যন্ত আঘাতপ্ৰাপ্ত হয় আৰু মাটিত পৰি থাকে। ৰাম আৰু লক্ষ্মণ আহি এই আহত পক্ষীৰপৰা সীতা হৰণৰ বাৰ্তা পায়। ইয়াৰ পাছত জটায়ু মৃত্যু মুখত পৰে। ৰাম আৰু লক্ষ্মণে জটায়ুৰ মৃতদেহ সৎকাৰ কৰে।

৫) **কবন্ধঃ**- কবন্ধ হৈছে মূৰ আৰু ডিঙি নোহোৱা এটা ৰাক্ষস। ইয়াৰ পেটত এটা চকু আৰু এখন মুখ আছে। আগতে ই এক গন্ধৰ্ব আছিল। পিছত ঋষিৰ শাপত ই ভয়ঙ্কৰ ৰূপ পায়। এবাৰ ইন্দ্ৰৰ লগত যুদ্ধ হোৱাত ইন্দ্ৰৰ বজ্ৰাঘাতত ইয়াৰ ডিঙি আৰু মূৰ ভাঙি যায়। ইন্দ্ৰই কৈছিল যে ৰাম যেতিয়া তাৰ হাত দুখন কাটিব তেতিয়া ই আগৰ ৰূপ পাই স্বৰ্গলৈ যাব। ৰামচন্দ্ৰই সীতাৰ সন্ধান কৰি থকাৰ সময়ত এই কবন্ধক লগ পায় আৰু তাৰ বাহু দুটা কাটি পেলায় আৰু শৰীৰটো অগ্নিত নিক্ষেপ কৰে। অগ্নিৰ মাজৰপৰা এক দিব্য পুৰুষৰ আৱিৰ্ভাব হৈ স্বৰ্গলৈ গতি কৰে।

৬) **শৰৰীঃ**- শৰৰী এগৰাকী বৃদ্ধা তপস্বিনী। তেওঁ ব্ৰহ্মচাৰিণী। তেওঁ নীচকুলজাতা ৰমণী

আছিল। মুনি মতঙ্গৰ কথা মতে তেওঁৰ আশ্ৰমত শৱৰীয়ে ৰামৰ আগমনৰ অপেক্ষা কৰিছিল। সীতা অন্বেষণকাৰী ৰামচন্দ্ৰ যেতিয়া তাত উপস্থিত হৈছিল তেতিয়া শৱৰীয়ে তেওঁক যথাযোগ্য সৎকাৰ আগবঢ়াইছিল। ইয়াৰ পিছত অগ্নিত নিজৰ দেহ সমৰ্পণ কৰি শৱৰী স্বৰ্গগামী হয়।



১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সমগ্ৰ ৰামায়ণৰ এটি সাধাৰণ ধাৰণা লাভ কৰিলে। ইয়াৰ উপৰিও ৰামায়ণৰ প্ৰতিটো কাণ্ডৰ বিষয়বস্তুৰ আভাস লাভ কৰিলে।
- ৰামায়ণৰ বালকাণ্ডৰ প্ৰথম অধ্যায়ৰ সাৰাংশ পাঠৰ জৰিয়তে সমগ্ৰ ৰামায়ণৰ কাহিনীটো যে এই অধ্যায়টিয়ে সামৰি লৈছে সেই বিষয়ে অবগত হয়।
- এই অধ্যায়ত সন্নিবিষ্ট ৰামচন্দ্ৰৰ গুণাৱলী, তেওঁৰ বনগমনৰ পৰা সীতা হৰণ পৰ্যন্ত ঘটা ঘটনাসমূহ তথা সীতা উদ্ধাৰ কাৰ্য্য সম্পৰ্কে বিশদভাৱে জানিব পাৰিলে।
- অধ্যায়টিত উল্লেখ কৰা কেইটিমান চৰিত্ৰৰ বিশেষ পৰিচয় লাভ কৰিলে।



১.৭ অধিক জানিবলৈ

১) পাণ্ডুৰঙ্গ পৰৱ, কাশীনাথ, (১৯০২) *দ্য ৰামায়ণ অৱ ৱাল্মীকি,* বোম্বে ঃ প্ৰপ্ৰাইটৰ অব্ জাভাজী দাদাজীজ নিৰ্ণয়সাগৰ প্ৰেছ।

২) *শ্ৰীমদ্ ৱাল্মীকি ৰামায়ণ* (প্ৰথম খণ্ড) (১৯৬৯) গোৰখপুৰ ঃ গীতা প্ৰেছ।

৩) বন্দোপাধ্যায়, অশোক কুমাৰ, (১৪১২) *ৰামায়ণম্,* কোলকাতা শ্ৰীবলৰাম প্ৰকাশনী।

৪) মহন্ত, কবিচন্দ্ৰ, (১৯৬২) *অসমীয়া ৱাল্মীকি ৰামায়ণ,* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৫) সেন, দীনেশচন্দ্ৰ, (১৩৬৭) *ৰামায়ণী কথা,* কলিকাতাঃ জিজ্ঞাসা।

৬) আগৰৱাল, এইচ. আৰ, (১৯৬৩)*এ চৰ্ট হিষ্টৰী অৱ সংস্কৃত লিটাৰেচাৰ,* দিল্লীঃ মুন্সীৰাম মনোহৰলাল।

৭) শৰ্মা, থানেশ্বৰ, *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত,* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৮) দেবগোস্বামী, হৰমোহন, *সংস্কৃত সাহিত্যৰ ৰুৱঞ্জী।*

৯) শৰ্মা দলৈ, শ্ৰীহৰিনাথ, *ভাৰত কোষ,* (১৯৭৭) বৰপেটা ঃ পদ্মপ্ৰিয়া লাইব্ৰেৰী।



১.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ (ক) কাণ্ড।

(খ) ২৪,০০০

(গ) আদি, আদি।

২ নং প্ৰশ্নৰ উত্তৰঃ ইক্ষ্বাকু।

৩ নং প্ৰশ্নৰ উত্তৰঃ ৰামচন্দ্ৰৰ নয়নযুগল আকৰ্ণবিস্তৃত, স্কন্ধ সুপুষ্ট আৰু বাহু আজানুলম্বিত।

৪ নং প্ৰশ্নৰ উত্তৰঃ ৰামচন্দ্ৰৰ নিৰ্বাসন আৰু ভৰতৰ অভিষেক।

৫ নং প্ৰশ্নৰ উত্তৰঃ গুহ।

৬ নং প্ৰশ্নৰ উত্তৰঃ শৰভঙ্গ, সুতীক্ষ্ণ।

৭ নং প্ৰশ্নৰ উত্তৰঃ পক্ষী জটায়ুয়ে।

৮ নং প্ৰশ্নৰ উত্তৰঃ পম্পাতীৰত।

৯ নং প্ৰশ্নৰ উত্তৰঃ বিস্তীৰ্ণ লৱণ সমুদ্ৰ অতিক্ৰম কৰি।

১০ নং প্ৰশ্নৰ উত্তৰঃ অশোক বনত।



১.৯ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন ঃ

প্ৰশ্ন ১ঃ চমুটোকা লিখক -

(ক) ইন্দ্ৰজিৎ (খ) কবন্ধ (গ) শবৰী।

(খ) ৰচনাধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ঃ আদিকাব্য ৰামায়ণৰ এটি চমু আভাস দাঙি ধৰক।

প্ৰশ্ন ২ঃ ৰামায়ণৰ বালকাণ্ডৰ প্ৰথম অধ্যায়ৰ সাৰাংশটি লিখক।

প্ৰশ্ন ৩ঃ বালকাণ্ডৰ প্ৰথম অধ্যায়ত সন্নিবিষ্ট ৰামচন্দ্ৰৰ বনগমনৰ পৰা ৰাৱণৰদ্বাৰা সীতা হৰণ পৰ্য্যন্ত বৰ্ণিত ঘটনাৰাজিৰ চমু বিৱৰণ আগবঢ়াওঁক।

*** ***** ***

অধ্যায় ২ ঃ ৰামায়ণ (বালকাণ্ড - প্রথম সর্গ) ঃ পাঠ্যাংশৰ আলোচনা

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ সর্গটিৰ মূল বিষয় সম্বলিত সংস্কৃত শ্লোকসমূহ

২.৩.১ আৰম্ভণিৰপৰা ৰামৰ বনগমন পর্য্যন্ত

২.৩.২ ৰামচন্দ্ৰৰ চিত্রকূটত থকা সময়চোৱাৰ পৰা দণ্ডকাৰণ্যত প্রবেশ পর্য্যন্ত

২.৩.৩ শূর্পণখাৰ অঙ্গছেদকৰণৰপৰা সীতা হৰণ পর্য্যন্ত

২.৩.৪ সুগ্রীৱৰ সিংহাসন লাভৰপৰা সীতা উদ্ধাৰ পর্য্যন্ত

২.৪ শ্লোকসমূহৰ গদ্যপাঠ তথা অসমীয়া অনুবাদ

২.৪.১ আৰম্ভণিৰপৰা ৰামৰ বনগমন পর্য্যন্ত

২.৪.২ ৰামচন্দ্ৰৰ চিত্রকূটত থকা সময়চোৱাৰপৰা দণ্ডকাৰণ্যত প্রবেশ পর্য্যন্ত

২.৪.৩ শূর্পণখাৰ অঙ্গছেদ কৰণৰপৰা সীতা হৰণ পর্য্যন্ত

২.৪.৪ সুগ্রীবৰ সিংহাসন লাভৰপৰা সীতা উদ্ধাৰ পর্য্যন্ত

২.৫ শব্দার্থৰ তালিকা

২.৬ সন্দিযুক্ত শব্দৰ সন্ধিবিচ্ছেদ

২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.৮ অধিক জানিবলৈ

২.৯ অগ্রগতিৰ খতিয়ান

২.১০ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ৰামায়ণৰ বালকাণ্ডৰ প্রথম সর্গত বর্ণিত মূল বিষয়সমূহৰ সংস্কৃত শ্লোকসমূহ জানিব পাৰিব
- শ্লোকসমূহৰ গদ্যপাঠ তথা অসমীয়া অনুবাদসমূহৰ বিষয়ে অৱগত হ'ব
- শ্লোকসমূহত ব্যৱহৃত কঠিন শব্দৰ অর্থসমূহ জানিব পাৰিব
- কিছুমান সন্ধিযুক্ত শব্দৰ সন্ধি বিযুক্তৰূপ সমূহৰ জ্ঞান লাভ কৰিব।

২.২ পৰিচয়

ইতিমধ্যে আপুনি ৰামায়ণ মহাকাব্য তথা ইয়াৰ বালকাণ্ডৰ প্রথম অধ্যায়ৰ এক সাধাৰণ ধাৰণা লাভ কৰিছে। নায়ক ৰামচন্দ্রৰ জীৱন কাহিনী বর্ণনাই হৈছে ৰামায়ণৰ মূল বিষয়। ৰামচন্দ্রৰ কাহিনীটোৰ জৰিয়তে ধর্মৰ জয় আৰু অধর্মৰ পৰাজয়ৰ চিত্রখন ডাঙি ধৰি সকলোকে সৎকর্মত নিয়োজিত কৰোৱাটোৱে হৈছে মহাকাব্যখনিৰ উদ্দেশ্য। ৰামায়ণৰ বালকাণ্ডৰ প্রথম অধ্যায়ত সমগ্র ৰামায়ণৰ কাহিনীটো বর্ণিত হৈছে।

এই অধ্যায়ত আপুনি বালকাণ্ডৰ প্রথম অধ্যায়ৰ মুখ্য বিষয়সম্বলিত শ্লোক সমূহৰ মূল সংস্কৃত পাঠৰ বিষয়ে জানিব পাৰিব। সেই শ্লোকসমূহৰ গদ্যপাঠ আৰু অসমীয়া অনুবাদসমূহো জানিব পাৰিব। ইয়াৰ উপৰিও বাল্মীকিৰ কালজয়ী এই সৃষ্টিৰ লগত পোনপটীয়াভাবে জড়িত হৈ মহাকবি গৰাকীৰ ৰচনাৰীতিৰ লগতো পৰিচিত হব পাৰিব।

২.৩ সর্গটিৰ মূল বিষয় সম্বলিত সংস্কৃত শ্লোকসমূহ

বালকাণ্ডৰ প্রথম সর্গত সর্বমুঠ ১০০ টা শ্লোক আছে। ইয়াত ৰামচন্দ্রৰ চাৰিত্রিক বৈশিষ্ট্যসমূহৰ উল্লেখৰ লগতে সমগ্র জীৱন কাহিনী বর্ণিত হৈছে। এই অংশত সর্গটিত থকা মূল বিষয় সম্বলিত সংস্কৃত শ্লোকসমূহ উল্লেখ কৰা হৈছে।

২.৩.১ আৰম্ভণিৰপৰা ৰামৰ বন গমন পর্যন্ত

১। তপঃ স্বাধ্যায়নিৰতং তপস্বী বাগ্‌বিদাংবৰম্।
নাৰদং পৰিপপ্রচ্ছ বাল্মীকির্মুনিপুঙ্গৱম্।।

২। কো ন্বস্মিন্ সামপ্রতং লোকে গুণৱান্ কশ্চ বীর্য্যবান্।
ধর্মজ্ঞশ্চ কৃতজ্ঞশ্চ সত্যবাক্যো দৃঢ়ব্রতঃ।।

৩। চাৰিত্রেণ চ কো যুক্তঃ সর্বভূতেষু কো হিতঃ।
বিদ্বান্ কঃ কঃ সমর্থশ্চ কশ্চৈক প্রিয়দর্শনঃ।।

৪। আত্মবান্ কো জিতক্রোধো দ্যুতিমান্ কোহনসূয়কঃ।
কস্য বিভ্যতি দেবাশ্চ জাতৰোষস্য সংযুগে।।

৫। এতদিচ্ছাম্যহং শ্রোতুং পৰং কৌতুহলং হি মে।।
মহর্ষে ত্বং সমর্থোহসি জ্ঞাতুমেবম্বিধং নৰম্।।

৬। শ্রুত্বা চৈতৎ ত্রিলোকজ্ঞো বাল্মীকের্নাৰদো বচঃ।
শ্রূয়তামিতি চামন্ত্র্য প্রহৃষ্টো বাক্যমব্রবীৎ।।

৭। বহবো দুর্লভাশ্চৈব যে ত্বয়া কীর্তিতা গুণাঃ।
মুনে বক্ষ্যাম্যহং বুদ্ধা তৈর্যুক্তঃ শ্রূয়তাং নৰঃ।।

৮। ইক্ষ্বাকুবংশপ্রভবো ৰামো নাম জনৈঃ শ্রুতঃ।

নিয়তাত্মা মহাবীর্যো দ্যুতিমান্ ধৃতিমান্ বশী।।

৯। বুদ্ধিমান্ নীতিমান্ বাগ্মী শ্রীমাঞ্ছ্রুনির্বহনঃ।
বিপুলাংসো মহাবাহুঃ কম্বুগ্রীবো মহাহনুঃ।।

১০। মহোৰস্কো মহেত্বাসো গুঢ়জত্রুৰৰিন্দমঃ।
আজানুবাহুঃ সুশিৰাঃ সুললাটঃ সুবিক্রমঃ।।

১১। সমঃ সমবিভক্তাঙ্গঃ স্নিগ্ধবর্ণঃ প্রতাপবান্।
পীনবক্ষা বিশালাক্ষো লক্ষ্মীবাঞ্ছ্ ভলক্ষণঃ।।

১২। ধর্মজ্ঞঃ সত্যসন্ধশ্চ প্রজানাং চ হিতে ৰতঃ।
যশস্বী জ্ঞানসম্পন্নঃ শুচির্বশ্যঃ সমাধিমান্।।

১৩। প্রজাপতিসমঃ শ্রীমান্ ধাতা ৰিপুনিষূদনঃ।
বক্ষিতা জীৱলোকস্য ধর্মস্য পৰিৰক্ষিতা।।

১৪। ৰক্ষিতা স্বস্য ধর্মস্য স্বজনস্য চ ৰক্ষিতা।
বেদবেদাঙ্গতত্ত্বজ্ঞো ধনুর্বেদে চ নিষ্ঠিতঃ।।

১৫। সর্বশাস্ত্রার্থতত্ত্বজ্ঞ স্মৃতিমান্ প্রতিভানবান্।
সর্বলোকপ্রিয়ঃ সাধুৰদীনাত্মা বিচক্ষণঃ।।

১৬। সর্বদাভিগতঃ সদ্ভিঃ সমুদ্র ইব সিন্ধুভিঃ।
আর্যঃ সর্বসমশ্চৈব সদৈব প্রিয়দর্শনঃ।।

১৭। স চ সর্বগুণোপেতঃ কৌশল্যানন্দবর্ধনঃ।
সমুদ্র ইব গাম্ভীর্যে ধৈর্যেন হিমবানিব।।

১৮। বিষ্ণুণা সদৃশো বীর্যে সোমবৎ প্রিয়দর্শনঃ।
কালাগ্নিসদৃশঃ ক্রোধে ক্ষময়া পৃথিৱীসমঃ।।

১৯। ধনদেন সমস্ত্যাগো সত্যে ধর্ম ইবাপৰঃ।
তমেবং গুণসম্পন্নং ৰামঃ সত্যপৰাক্রমম্।।

২০। জ্যেষ্ঠং জ্যেষ্ঠগুণৈর্যুক্তং প্রিয়ং দশৰথঃ সুতম্।
প্রকৃতীনাং হিতৈর্যুক্তং প্রকৃতিপ্রিয়কাম্যয়া।।

২১। যৌবৰাজ্যেন সংযোক্তুমৈচ্ছৎ প্রীত্যা মহীপতিঃ।
তস্যাভিষেকসম্ভাৰান্ দৃষ্ট্বা ভার্যাথ কৈকেয়ী।।

২২। পূর্বং দত্তবৰা দেবী ববমেনময়াচত।
বিবাসনং চ ৰামস্য ভৰতস্যাভিষেচনম্।।

২৩। স সত্যবচনাৎ ৰাজা ধর্মপাশেন সংযতঃ।
বিবাসয়ামাস সুতং ৰামং দশৰথঃ প্রিয়ম্।।

২৪। স জগাম বনং বীৰঃ প্রতিজ্ঞামনুপালয়ন্।
পিতুর্বচননির্দেশাৎ কৈকেয়্যাঃ প্রিয়কাৰণাৎ।।

২৫। তং ব্রজন্তং প্রিয়ো ভ্রাতা লক্ষ্মণোহনুজগাম ২।
স্নেহাদ্বিনয়সম্পন্নঃ সুমিত্রানন্দবর্ধনঃ।।
২৬। ভ্রাতৰং দয়িতো ভ্রাতুঃ সৌভ্রাত্রমনুদর্শয়ন্।
ৰামস্য দয়িতা ভার্যা নিত্যং প্রাণসমা হিতা।।
২৭। জনকস্য কুলে জাতা দেবমায়েব নির্মিতা।
সর্বলক্ষণসম্পন্না নাৰীণামুত্তমা বধূঃ।
২৮। সীতাপ্যনুগতা ৰামং শশিনং ৰোহিনী যথা।
পৌৰৈৰনুগতো দূৰং পিত্রা দশৰথেন চ।।

২.৩.২ ৰামচন্দ্ৰৰ চিত্রকূটত থকা সময়চোৱাৰ পৰা দণ্ডকাৰণ্যত প্রবেশ পর্য্যন্ত

৩১। চিত্রকূটমনুপ্রাপ্য ভৰদ্বাজস্য শাসনাৎ।
ৰম্যমাৱসথং কৃত্বা ৰমমাণা বনে এয়ঃ।।
৩২। দেবগন্ধর্বসঙ্কাশাস্তত্র তে ন্যবসন্ সুখম্।
চিত্রকূটং গতে ৰামে পুত্রশোকাতুৰস্তদা।।
৩৩। ৰাজা দশৰথঃ স্বর্গং জগাম বিলপন্ সুতম্।
গতে তু তস্মিন্ ভৰতো বসিষ্ঠপ্রমুখৈর্দ্বিজৈঃ।।
৩৪। নিয়ুজ্যমানো ৰাজ্যায় নৈচ্ছদ্ ৰাজ্যং মহাবলঃ।
স জগাম বনং বীৰো ৰামপাদপ্রসাদকঃ।।
৩৫। গত্বা তু স মহাত্মানং ৰামং সত্যপৰাক্রমম্।
অযাচদ্ ভ্রাতৰং ৰামমার্যভাব পুৰস্কৃতঃ।।
৩৬। ত্বমেব ৰাজা ধর্মজ্ঞ ইতি ৰামং বচোঽহব্রবীৎ।
ৰামোহপি পৰমোদাৰং সুমুখঃ সুমহাযশাঃ।।
৩৭। ন চৈচ্ছদ্ পিতুৰাদেশাদ্ ৰাজ্যং ৰামো মহাবলঃ।
পাদুকে চাস্য ৰাজ্যায় ন্যাসং দত্ত্বা পুনঃ পুনঃ।।
৩৮। নিবর্তয়ামাস ততো ভৰতং ভৰতাগ্রহঃ।
স কামমনবাপ্যৈব ৰামপাদাবুপস্পৃশন্।।
৩৯। নন্দিগ্রামেহকৰোদ্ ৰাজ্যং ৰামাগমনকাঙ্ক্ষয়া।
গতে তু ভৰতে শ্রীমান্ সত্যসন্ধো জিতেন্দ্রিয়ঃ।।
৪০। ৰামস্তু পুনৰালক্ষ্য নাগৰস্য জনস্য চ।
তত্রাগমনমেকাগ্রো দণ্ডকান্ প্রবিবেশ হ।।

২.৩.৩ শূর্পণখাৰ অঙ্গছেদকৰণৰপৰা সীতাহৰণ পর্য্যন্ত

৪৬। তেন তত্রৈব বসতা জনস্থান নিবাসিনী।
বিৰূপিতা শূর্পণখা ৰাক্ষসী কামৰূপিণী।।

৪৭। ততঃ শূর্পণখাৱাক্যাদ্ উদ্‌যুক্তান্ সর্বৰাক্ষসান্।
খৰং ত্রিশিৰসং চৈব দূষণং চৈব ৰাক্ষসম্।।

৪৮। নিজঘান ৰণে ৰামস্তেষাং চৈব পদানুগান্।
বনে তস্মিন্নিবসতা জনস্থাননিবাসিনাম্।।

৪৯। ৰক্ষসাং নিহতান্যাসন্ সহস্রাণি চতুর্দশ।
ততো জ্ঞাতিবধং শ্রুত্বা ৰাৱণঃ ক্রোধমূর্চ্ছিতঃ।।

৫০। সহায়ং ৰৰয়ামাস মাৰীচং নাম ৰাক্ষসম্।
বার্যমাণঃ সুবহুশো মাৰীচেন স ৰাৱণঃ।।

৫১। ন বিৰোধো বলবতা ক্ষমো ৰাৱণ তেন তে।
অনাদৃত্য তু তদ্‌বাক্যং ৰাৱণঃ কালচোদিতঃ।।

৫২। জগাম সহ মাৰীচস্তস্যাশ্রম পদং তদা।
তেন মায়াবিনা দূৰমপবাহ্য নৃপাত্মজৌ।।

৫৩। জহাৰ ভার্যাং ৰামস্য গৃধ্রং হত্বা জটায়ুষম্।

২.৩.৪ সুগ্রীবৰ সিংহাসন লাভৰ পৰা সীতা উদ্ধাৰ পর্য্যন্ত

৭০। ততঃ সুগ্রীৱবচনাদ্ হত্বা বালিনমাহবে।
সুগ্রীৱমেব তদ্‌ৰাজ্যে ৰাঘৱঃ প্রত্যপাদয়ৎ।।

৭১। স চ সর্বান্ সমানীয় বানৰান্ বানর্ৱভঃ।
দিশঃ প্রস্থাপয়ামাস দিদৃক্ষুর্জনকাত্মজাম্।।

৭২। ততো গৃধ্রস্য বচনাৎ সম্পাতে হনুমান্ বলী।
শতযোজনকিস্তীর্ণং পুপ্লুবে লবণার্ণব্‌ম্।।

৭৩। তত্র লঙ্কাং সমাসাদ্য পুৰীং ৰাৱণপালিতাম্।
দদর্শ সীতাং ধ্যায়ন্তীমশোকবনিকাং গতাম্।।

৭৪। নিবেদয়িত্বাভিজ্ঞানং প্রবৃতিং বিনিবেদ্য চ।
সমাশ্বাস্য চ বৈদেহীং মর্দয়ামাস তোৱণম্।।

৭৫। পঞ্চসেনাগানান্ হত্বা সপ্তমন্ত্রিসুতানপি।
শূৱমক্ষঞ্চ নিষ্পিষ্য গ্রহণং সমুপাগমৎ।।

৭৬। অস্ত্রেণোন্মুক্তমাত্মানং জ্ঞাত্বা পৈতামহাদ্ধৰাৎ।
মর্ষয়ন্ ৰাক্ষসান্ ৰীৰো যন্ত্রিণস্তান্ যদৃচ্ছয়া।।

৭৭। ততো দগ্ধা পুৰীং লঙ্কাং ঋতে সীতাং তু মৈথিলীম্।
ৰামায় প্রিয়মাখ্যাতুং পুনৰায়ান্ মহাকপিঃ।।

৭৮। সোহভিগম্য মহাত্মানং কৃত্বা ৰামং প্রদক্ষিণম্।
ন্যবেদয়দমেয়াত্মা দৃষ্টা সীতেতি তত্ত্বতঃ।।

৭৯। ততঃ সুগ্রীবসহিতো গত্বা তীৰং মহোদধেঃ।
সমুদ্রং ক্ষোভয়ামাস শৰৈৰাদিত্যসন্নিভৈঃ।।

৮০। দর্শয়ামাস চাত্মানং সমুদ্রঃ সৰিতাং পতিঃ।
সমুদ্রবচনাচ্চৈব নলং সেতুমকাৰয়ৎ।।

৮১। তেন গত্বা পুৰীং লঙ্কাং হত্বা ৰাৱণমাহৱে।
ৰামঃ সীতামনুপ্রাপ্য পৰাং ব্রীডামুপাগমৎ।।

২.৪ শ্লোকসমূহৰ গদ্যপাঠ তথা অসমীয়া অনুবাদ -

এই অংশত আপুনি উক্ত শ্লোকসমূহৰ গদ্যপাঠ আৰু অসমীয়া অনুবাদ সম্পর্কে জানিব পাৰিব।

২.৪.১ আৰম্ভণিৰপৰা ৰামৰ বনগমন পর্য্যন্ত

১। **গঃ পাঃ**- তপস্বী বাল্মীকিঃ তপঃ স্বাধ্যায়নিৰতং বাগ্বিদাং ৰৰং মুনিপুঙ্গৱং নাৰদং পৰিপপ্রচ্ছ।

অস. অনু.- তপস্বী বাল্মীকিয়ে তপস্যা আৰু বেদৰ অধ্যয়নত একান্তভাৱে নিয়োজিত, বেদজ্ঞসকলৰ ভিতৰত উত্তম, মুনিশ্রেষ্ঠ নাৰদক প্রশ্ন কৰিছিল।

২। **গঃ পাঃ**- অস্মিন্ লোকে সাম্প্রতং কঃ নু গুণবান্ কঃ বীর্য্যবান্ ধর্মজ্ঞঃ কৃতজ্ঞঃ সত্যবাক্যঃ দৃঢ়ব্রতঃ চ?

অস. অনু.- এই পৃথিৰীত বর্ত্তমান কোন বাৰু (এনে লোক আছে যিজন) গুণবান, বীর্য্যবান, ধর্মজ্ঞ, কৃতজ্ঞ, সত্যবাদী আৰু দৃঢ়প্রতিজ্ঞ?

৩। **গঃ পাঃ**- কঃ চ চাৰিত্রেণ যুক্তঃ সর্বভূতেষু কঃ হিতঃ কঃ বিদ্বান সমর্থঃ কঃ চ একপ্রিয়দর্শনঃ?

অস. অনু.- কোন গৰাকী লোক সৎ চৰিত্রবান, সকলো প্রাণীৰ ভিতৰত কোন লোক হিতকাৰী, কোন (এনে যিজন) বিদ্বান, কোন ব্যক্তি সমর্থবান আৰু কোন গৰাকী লোক অদ্বিতীয় সুন্দৰ?

৪। **গঃ পাঃ**- কঃ আত্মৱান্ জিতক্রোধঃ দ্যুতিমান্ (চ) কঃ অনুসূয়কঃ সংযুগে জাতৰোষস্য কস্য (ৰোষাদ্) দেবাঃ চ বিভ্যতি?

অস. অনু.- কোন গৰাকী লোক জিতেন্দ্রিয়, ক্রোধজয়ী (আৰু)

গঃ পাঃ = গদ্য পাঠ
অসঃ অনুঃ = অসমীয়া অনুবাদ

অসূয়া = আনৰ ভাল দেখিব নোৱাৰা।

দীপ্তিমান? কোন ***অসূয়া***ৰহিত? যুদ্ধক্ষেত্রত কোন গৰাকী লোকৰ ক্রোধৰ বাবে দেৱতাসকলেও ভয় খায়?

৫। **গঃ পাঃ-** পৰং মে কৌতুহলং (জায়তে)। মহর্ষে! হি ত্বম্ এবং বিধং নবং জ্ঞাতুং সমর্থঃ অসি। (তস্মাৎ ত্বত্তঃ) অহম্ এতৎ শ্রোতুম্ ইচ্ছামি।

অস. অনু.- মোৰ অতিশয় কৌতুহল উপজিছে। হে মহর্ষি! যিহেতু আপুনি এনে ব্যক্তি এগৰাকীক (দিব্য পুৰুষক) জানিবলৈ সমর্থ (সেয়ে আপোনাৰপৰা) মই এইকথা শুনিবলৈ ইচ্ছা কৰিছো।

৬। **গঃ পাঃ-** ত্রিলোকজ্ঞঃ নাৰদঃ বাল্মীকেঃ এতৎ বচঃ শ্রুত্বা শূয়তাম্ ইতি চ আমন্ত্র্য প্রহৃষ্টঃ (ভূত্বা) বাক্যম্ অব্রবীৎ।

অস. অনু. ত্রিলোকজ্ঞ নাৰদে বাল্মীকিৰ এই কথা শুনি শুনক এইবুলি সম্বোধন পূর্বক আনন্দিত হৈ কবলৈ ধৰিলে।

৭। **গঃপাঃ-** মুনে! ত্বয়া যে বহবঃ গুণাঃ কীর্তিতাঃ (তে একত্র) দুর্লভাঃ এব। অহং বুদ্ধা তৈঃ যুক্তঃনৰঃ বক্ষ্যামি শূয়তাম্।

অম. অনু- হে মুনি! আপুনি যিসমূহ গুণৰ বিষয়ে কলে সেইবোৰ (একেলগে) দুর্লভ। মই চিন্তা কৰি তেনে গুণবিশিষ্ট পুৰুষ সম্পর্কে কম শুনক।

৮। **গঃ পাঃ-** (সঃ) ইক্ষ্বাকুবংশপ্রভবঃ ৰাম নামজনৈঃ চ শ্রুতঃ (অস্তি)। (সঃ) নিয়তাত্মা মহাবীর্য্যঃ দ্যুতিমান্ ধৃতিমান্ বশী (চ)।

অস. অনু.- (তেওঁ) ইক্ষ্বাকুবংশত জাত আৰু জনগণৰ মাজত ৰাম নামেৰে খ্যাত। (তেওঁ) সংযতাত্মা, অতিশয় শক্তিশালী দীপ্তিমান, ধৈর্য্যশীল আৰু জিতেন্দ্রিয়।

৯। **গঃ পাঃ-** (সঃ) বুদ্ধিমান্ নীতিমান্ বাগ্মী শ্রীমান্ শত্রুনির্বহনঃ বিপুলাংসঃ মহাবাহুঃ কম্বুগ্রীবঃ মহাহনুঃ (চ)।

অস. অনু.- (তেওঁ) বুদ্ধিমান, নীতিপৰায়ণ, বাগ্মী, ঐশ্বর্য্যশালী, শত্রুবিনাশক বিশাল স্কন্ধযুক্ত, দীর্ঘবাহুযুক্ত, শঙ্খৰদৰে কণ্ঠযুক্ত (আৰু) সুপুষ্ট বা মঙহাল হনুযুক্ত।

১০। **গঃ পাঃ-** (সঃ) মহোৰস্কঃ মহেষ্বাসঃ গুঢ়জত্রুঃ অৰিন্দমঃ আজানুবাহুঃ সুশিৰঃ সুললাটঃ সুবিক্রমঃ (চ)

অস. অনু.- (তেওঁ) বিশাল বক্ষযুক্ত, মহাধনুর্ধৰ, মঙহাল কণ্ঠবিশিষ্ট, শত্রুদমনকাৰী, আজানুবাহুবিশিষ্ট, মনোৰম মস্তকযুক্ত, সুন্দৰ কপালযুক্ত (আৰু) সুন্দৰভাৱে গমনকাৰী।



মস্তক = শিৰ বা মূৰ

১১। **গঃ পাঃ-** (সঃ) সমঃ সমবিভক্তাঙ্গঃ স্নিগ্ধবর্ণঃ প্রতাপবান্ পীনবক্ষা বিশালাক্ষঃ লক্ষ্মীবান্ শুভলক্ষণঃ (চ)।

অস. অনু. (তেওঁ) সামঞ্জস্যপূর্ণ আকৃতিৰ (অতি দীর্ঘও নহয় অতি হ্রস্বও নহয়), সমানভাৱে বিভক্ত অঙ্গসমন্বিত, স্নিগ্ধ বর্ণযুক্ত, প্রতাপশালী, মঙহাল বক্ষযুক্ত, আয়ত নেত্রযুক্ত, (সীতাৰূপী) লক্ষ্মীযুক্ত (আৰু) শুভলক্ষণ সম্পন্ন।

১২। **গঃ পাঃ-** (সঃ) ধর্মজ্ঞঃ সত্যসন্ধঃ প্রজানাং চ হিতেৰতঃ যশস্বী জ্ঞানসম্পন্নঃ শুচিঃ বশ্যঃ সমাধিমান্ (চ)।

অস. অনু. (তেওঁ) ধর্মজ্ঞাতা, সত্যপ্রতিজ্ঞ, প্রজাসমূহৰ হিতসাধনত ৰত, যশস্যাশালী, জ্ঞানী, পবিত্র, (পিতৃ আচার্য্য আৰু দেবতাৰ প্রতি) বিনীত আৰু সমাধিসম্পন্ন।

১৩। **গঃ পাঃ-** (সঃ) প্রজাপতিসমঃ শ্রীমান্ ধাতা, ৰিপুনিষূদনঃ জীৱলোকস্য ৰক্ষিতা ধর্মস্য পৰিৰক্ষিতা (চ)।

অস. অনু.- (তেওঁ) প্রজাপতি অর্থাৎ ব্রহ্মাৰ দৰে, ঐশ্বর্য্যশালী, (সকলো প্রজাৰ) ধাৰণকর্তা, শত্রুবিনাশকাৰী, জীৱলোকৰ ত্রাণকর্তা (আৰু) ধর্মৰ ৰক্ষক।

১৪। **গঃ পাঃ-**(সঃ) স্বস্য ধর্মস্য ৰক্ষিতা স্বজনস্য চ ৰক্ষিতা বেদৰেদাঙ্গতত্ত্বজ্ঞ ধনুর্বেদে চ নিষ্ঠিতঃ।

অস. অনু.- (তেওঁ) নিজ ধর্মৰ (ক্ষত্রিয় ধর্মৰ) ৰক্ষক, আত্মীয়গণৰো পৰিপালক, বেদ আৰু ***বেদাঙ্গ***সমূহৰ তত্ত্বজ্ঞাতা আৰু ধনুর্বেদত পার্গত।

১৫। **গঃ পাঃ-** (সঃ) সর্বশাস্ত্রার্থতত্ত্বজ্ঞঃ স্মৃতিমান্ প্রতিভানবান্ সর্বলোকপ্রিয়ঃ সাধুঃ অদীনাত্মা বিচক্ষণঃ (চ)।

অস. অনু.- (তেওঁ) সকলো শাস্ত্রৰ অর্থ আৰু তত্ত্বজ্ঞাতা, (প্রখৰ) স্মৰণশক্তি সম্পন্ন, প্রতিভাশালী, সকলো লোকৰ প্রিয়ভাজন, সজ, উচ্চমন বিশিষ্ট আৰু (সকলো কার্য্যত) পার্গত।

১৬। **গঃ পাঃ-** সিন্ধুভিঃ সমুদ্র ইব (সঃ অপি) সর্বদা সদ্ভিঃ অভিগতঃ আর্য্যঃ সর্বসমঃ চ এব সদা এব প্রিয়দর্শনঃ।

অস. অনু.-নদীৰদ্বাৰা সমুদ্র (সেবিত) হোৱাৰ দৰে (তেওঁও) সদায় সজ্জনৰদ্বাৰা সেৱিত, সকলোৰে পূজ্য, সকলো অৱস্থাত সমান ভাব পোষণকাৰী আৰু আনন্দ প্রদায়ক ৰূপ সমন্বিত।

১৭। **গঃ পাঃ-** স চ সর্বগুণোপেতঃ কৌশল্যানন্দবর্ধকঃ গাম্ভীর্য্যে সমুদ্র ইব ধৈর্য্যেন হিমবান্ ইব (চ)।

অস. অনু.- তেওঁ সর্বগুণ সম্পন্ন, কৌশল্যাৰ আনন্দবর্ধনকাৰী, গাম্ভীর্য্যত সমুদ্রতুল্য আৰু ধৈর্য্যৰ ক্ষেত্রত হিমালয় সদৃশ।

১৮। **গঃ পাঃ-** (সঃ) বীর্য্যে বিষ্ণুণা সদৃশঃ (সোমবৎ প্রিয়দর্শনঃ ক্রোধে ***কালাগ্নি***সদৃশঃ ক্ষময়া পৃথিৱীসমঃ (চ)।

অস. অনু.- (তেওঁ) বিষ্ণুৰদৰে পৰাক্রমী, চন্দ্রৰ দৰে আনন্দ প্রদায়ক ৰূপযুক্ত, ক্রোধত কালাগ্নিৰদৰে আৰু ক্ষমাৰ ক্ষেত্রত পৃথিৱীতুল্য।

১৯-২২। **গঃ পাঃ-** (সঃ) ত্যাগে ধনদেন সমঃ (তথা) সত্যে অপৰঃ ধর্ম ইব। প্রকৃতিপ্রিয়কাম্যয়া মহীপতিঃ দশৰথঃ প্রীত্যা এবং গুণসম্পন্নং সত্যপৰাক্রমং



বেদাঙ্গ = শিক্ষা, কল্প, ব্যাকৰণ, নিৰুক্ত, ছন্দ আৰু জ্যোতিষ এই ৬ টাক বেদৰ অঙ্গ বা বেদাঙ্গ বোলে।



কালাগ্নি = যি অগ্নিয়ে সকলো সংহাৰ বা ধ্বংস কৰে।

জ্যেষ্ঠগুণৈর্যুক্তং প্রকৃতীনাং হিতৈর্যুক্তং জ্যেষ্ঠসুতং ৰামং যৌৱৰাজ্যেন সংযোক্তুম্ ঐচ্ছৎ। অথ তস্য অভিষেক সম্ভাৰান্ দৃষ্ট্বা ভার্য্যা পূর্বং দত্তবৰা দেবী কৈকেয়ী বৰম্ এনম্ অযাচত বিবাসনং চ ৰামস্য ভৰতস্য চ অভিষেচনম্।

অস. অনু.-(তেওঁ) দানৰ ক্ষেত্রত কুবেৰৰ সদৃশ (আৰু) সত্যপালনত অন্য এক ধর্মস্বৰূপ। প্রজাসকলৰ প্রিয়কার্য্য কৰিবলৈ ইচ্ছা কৰি ৰজা দশৰথে আনন্দেৰে এনেবোৰ (উক্ত) গুণসম্পন্ন, সত্যপৰাক্রমী, উত্তম গুণেৰে যুক্ত, প্রজাগণৰ হিতসাধনত নিয়োজিত ৰামক যুৱৰাজ পদত নিযুক্ত কৰিবলৈ ইচ্ছা কৰিছিল। ইয়াৰ পিছত তেওঁৰ অভিষেকৰ আয়োজন দেখি ভার্য্যা কৈকেয়ীয়ে যিগৰাকী ৰাণী (দশৰথৰ দ্বাৰা) আগতে বৰ দিব বুলি প্রতিশ্রুতা হৈছিল (তেওঁ) এই বৰ প্রার্থনা কৰিলে - ৰামৰ *নির্বাসন* আৰু ভৰতৰ অভিষেক।



নির্বাসন= দেশৰপৰা বাহিৰ কৰি দিয়া। ইয়াত ৰামৰ বনবাসৰ কথা বুজোৱা হৈছে।

২৩। **গঃ পাঃ**- সত্যবচনাৎ ধর্মপাশেন সংযতঃ (সন্) সঃ ৰাজা দশৰথঃ প্রিয়ং সুতং ৰামং বিবাসয়ামাস।

অস. অনু.- সত্য প্রতিজ্ঞ হোৱা বাবে (সত্যৰূপ) ধর্মৰ বান্ধোনেৰে বদ্ধ (হৈ) সেই ৰজা দশৰথে প্রিয় পুত্র ৰামক নির্বাসন দিলে।

২৪। **গঃ পাঃ**- সঃ বীৰঃ (পিতুঃ) প্রতিজ্ঞাম্ অনুপালয়ন্ পিতুঃ বচননির্দেশাৎ কৈকেয়্যাঃ প্রিয়কাৰণাৎ (চ) বনং জগাম।

অস. অনু.- সেই বীৰে (পিতৃৰ) প্রতিজ্ঞা পালন কৰি পিতৃৰ নির্দেশৰ হেতু (আৰু) কৈকেয়ীৰ আনন্দৰ বাবে বনলৈ গ'ল।

২৫। **গঃ পাঃ**- সুমিত্রানন্দবর্ধনঃ বিনয়সম্পন্নঃ প্রিয়ঃ ভ্রাতা লক্ষ্মণঃ স্নেহাৎ তং ব্রজন্তং (ৰামং) অনুজগাম হ।

অস. অনু.- সুমিত্রাৰ আনন্দবর্ধক, বিনয়ী, প্রিয়ভ্রাতা লক্ষ্মণে স্নেহান্বিত হৈ সেই (বন) গমনকাৰী (ৰামৰ) অনুগমন কৰিলে।

২৬। **গঃ পাঃ**- দয়িতঃ (লক্ষ্মণঃ) ভ্রাতৰং সৌভ্রাত্রম্ অনুদর্শয়ন্ (অনুজগাম)। ৰামস্য প্রাণসমা দয়িতা ভার্য্যা নিত্যং হিতা জনকস্য কুলে জাতা দেবমায়েব নির্মিতা সর্বলক্ষণসম্পন্না নাৰীণাম্ উত্তমা বধূঃ সীতা অপি শশিনং ৰোহিনী যথা ৰামম্ অনুগতা। পৌৰৈঃ দশৰথেন চ দূৰং অনুগতঃ।

অস. অনু.- প্রিয় লক্ষ্মণে (জ্যেষ্ঠ) ভ্রাতাৰ প্রতি ভ্রাতৃপ্রেম দেখুৱাই (অনুগমন কৰিলে)। ৰামৰ প্রাণস্বৰূপা প্রিয়া ভার্য্যা, সদায় (ৰামৰ) হিত আকাংক্ষা কৰা, জনক ৰজাৰ বংশত জন্মলাভ কৰা, দেবতাৰ মায়াৰ দ্বাৰা নির্মিতা, সকলো শুভ লক্ষণ সম্পন্না, নাৰীসকলৰ ভিতৰত শ্রেষ্ঠা, পত্নী সীতাও চন্দ্রৰ অনুগামিনী ৰোহিনীৰ দৰে ৰামৰ অনুগমন কৰিলে। নগৰবাসী সকলে আৰু পিতৃ দশৰথেও কিছু দূৰলৈ অনুগমন কৰিলে।



জানি থোৱা ভাল

মূল ৰামায়ণখন প্ৰকৃততে বাল্মীকিয়ে পাঁচটা কাণ্ডত নে সাতটা কাণ্ডত ৰচনা কৰিছিল এই সম্পৰ্কে মতভেদ আছে। বহুযুক্তিৰ প্ৰদৰ্শনেৰে কিছুমান পণ্ডিতে মূলৰামায়ণ দ্বিতীয়ৰপৰা ষষ্ঠ কাণ্ডলৈ ৰচিত হৈছে বুলিহে মত প্ৰকাশ কৰে। বাকী দুটা কাণ্ড অৰ্থাৎ আদি আৰু উত্তৰ কাণ্ড পৰবৰ্তী সংযোজন বুলি ধৰা হয়। এই সম্পৰ্কে কেইটামান যুক্তি আগবঢ়োৱা হ'ল -

- প্ৰথম আৰু শেষৰ কাণ্ড দুটাৰ ভাষা আৰু ৰচনাৰীতি আনকেইটা কাণ্ডৰ তুলনাত নিম্ন মানৰ।
- প্ৰথম কাণ্ডত বৰ্ণিত কিছুমান বিষয়ৰ লগত আন কাণ্ডসমূহৰ কিছুবিষয়ৰ সামঞ্জস্য দেখা নাযায়।
- দ্বিতীয়ৰ পৰা ষষ্ঠ কাণ্ডলৈ ৰামক এগৰাকী আদৰ্শ মানৰ হিচাপে গণ্য কৰা হৈছে। কিন্তু প্ৰথম আৰু সপ্তম কাণ্ডত ৰামক বিষ্ণুৰ অৱতাৰ ৰূপে প্ৰতিপন্ন কৰা হৈছে।
- প্ৰথম কাণ্ডত বিষয়বস্তুৰ দুখন সূচী আছে। তাৰে এখনত প্ৰথম আৰু শেষৰ কাণ্ড দুটাৰ উল্লেখ নাই।



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ ৰামায়ণৰ প্ৰথম শ্লোকটো মুখস্থ লিখক।

.....

প্ৰশ্ন নং ২ঃ খালী ঠাই পূৰণ কৰক।

(ক) শ্ৰুত্বা চৈতৎ ..... বাল্মীকের্নাৰদো ..... ।

(খ) ..... ৰামো নাম জনৈঃ শ্ৰুতঃ।

(গ) ধৰ্মজ্ঞঃ ..... প্ৰজানাং চ ..... ৰতঃ।

(ঘ) সৰ্বদাভিগতঃ ..... সমুদ্ৰ ইব ..... ।

২.৪.২ ৰামচন্দ্ৰৰ চিত্ৰকূটত থকা সময়চোৱাৰপৰা দণ্ডকাৰণ্যত প্ৰৱেশ পৰ্য্যন্ত

৩১-৩৪ **গঃ পাঃ**- ভৰদ্বাজস্য শাসনাৎ তে ত্ৰয়ঃ চিত্ৰকূটম্ অনুপ্ৰাপ্য ৰম্যম্ আবসথং কৃত্বা বনে ৰমমাণা দেৱগন্ধৰ্বসঙ্কাশাঃ তত্ৰ সুখং ন্যবসন্। তদা ৰামে চিত্ৰকূটং গতে পুত্ৰশোকাতুৰঃ ৰাজা দশৰথঃ সুতং বিলপন্ স্বৰ্গং জগাম। তস্মিন্ গতে তু বসিষ্ঠপ্ৰমুখৈঃ দ্বিজৈঃ ৰাজ্যায় নিযুজ্যমানঃ মহাবলঃ ভৰতঃ ৰাজ্যং ন ঐচ্ছৎ। (অপি তু) ৰামপাদপ্ৰসাদকঃ স বীৰঃ বনং জগাম।

অস. অনু.- ভৰদ্বাজৰ পৰামৰ্শ অনুসৰি তেওঁলোক তিনিওজনে চিত্ৰকূটত উপস্থিত হৈ এটা মনোৰম কুটীৰ নিৰ্মাণ কৰি বনত অতি আনন্দমনেৰে দেৱতা আৰু গন্ধৰ্বসকলৰ

দৰে সুখেৰে বাস কৰিবলৈ ধৰিলে। ৰাম চিত্রকূটলৈ গুছি যোৱাত পুত্রশোকাতুৰ ৰজা দশৰথে পুত্রৰ কাৰণে বিলাপ কৰি কৰি স্বর্গগামী হ'ল। তেওঁ (দশৰথ) (স্বর্গলৈ) গমন কৰাত বশিষ্ঠ আদি দ্বিজগণৰ দ্বাৰা ৰাজ্য পৰিচালনাৰ বাবে নিয়োগ কৰা মহাবলী ভৰতে ৰাজ্যভাৰ লবলৈ ইচ্ছা নকৰিলে। (বৰং) ৰামৰ অনুগ্রহ প্রার্থী সেই বীৰে বনলৈ গমন কৰিলে।

৩৫। **গঃ পাঃ**- স গত্বা তু মহাত্মানং সত্যপৰাক্রমং ভ্রাতৰং ৰামং আর্যভাবপুৰস্কৃতঃ অযাচৎ।

অস. অনু.-তেওঁ (ৰামৰ ওচৰলৈ) গৈ মহাত্মা, সত্য পৰাক্রমী ভ্রাতা ৰামচন্দ্রক বিনীতভাৱে প্রার্থনা জনালে।

৩৬-৪০। **গঃ পাঃ**-ত্বম্ এব ৰাজা ধর্মজ্ঞঃ ইতি বচঃ ৰামম্ অব্রবীৎ। পৰমোদাৰঃ সুমুখঃ সুমহাযশাঃ ৰামঃ পিতুৰাদেশাৎ ৰাজ্যং নৈচ্ছৎ। ভৰতাগ্রজঃ মহাবলঃ ৰামঃ অস্য ৰাজ্যায় পাদুকে ন্যাসং দত্ত্বা পুনঃ পুনঃ ততঃ ভৰতং নিবর্তয়ামাস। সঃ কামম্ অনবাপ্য এব ৰামপাদৌ উপস্পৃশন্ ৰামাগমনকাঙক্ষয়া নন্দীগ্রামে ৰাজ্যম্ অকৰোৎ। ভৰতে তু গতে শ্রীমান্ সত্যসন্ধঃ জিতেন্দ্রিয়ঃ একাগ্রঃ ৰামঃ তু তত্র নাগৰস্য জনস্য চ পুনঃ আগমনম্ আলক্ষ্য দণ্ডকান্ প্রবিবেশ হ।

অস. অনু.-তুমিয়েই ধর্মবিদ ৰজা এইবুলি (ভৰতে) ৰামক কলে অতিশয় উদাৰ, আনন্দপূর্ণ মুখযুক্ত, মহান, যশস্বী ৰামে পিতৃৰ নির্দেশৰ বাবে ৰাজ্য গ্রহণ কৰিবলৈ ইচ্ছা নকৰিলে। ভৰতৰ জ্যেষ্ঠ ভ্রাতৃ মহাবলশালী বাবে এওঁৰ ৰাজ্য পৰিচালনাৰ বাবে (নিজৰ) পাদুকাযোৰ ন্যাস হিচাপে দি বাৰে বাৰে ভৰতক উভতাই পঠিয়াইছিল। তেওঁ (ভৰতে) ইচ্ছা পূৰণ নোহোৱাকৈয়ে ৰামৰ চৰণ স্পর্শ কৰি ৰামৰ আগমনৰ অপেক্ষা কৰি নন্দীগ্রামত থাকি ৰাজ্য শাসন কৰিবলৈ ধৰিলে। ভৰত গুছি যোৱাত সৌভাগ্যশালী, সত্যপ্রতিজ্ঞা জিতেন্দ্রিয় ৰামে তালৈ নগৰ বাসীৰ পুনৰ আগমন হব বুলি ভাবি দণ্ডকাৰণ্যত প্রবেশ কৰিলে।

২.৪.৩ শূর্পণখাৰ অঙ্গছেদকৰণৰ পৰা সীতা হৰণ পর্য্যন্ত

৪৬। **গঃ পাঃ**- তেন তত্র বসতা এব জনস্থান নিবাসিনী কামৰূপিণী ৰাক্ষসী শূর্পণখা বিৰূপিতা।

অস. অনু.-তেওঁ সেই ঠাইত বাস কৰা সময়তে জনস্থানত বাস কৰা (নিজ) ইচ্ছামতে ৰূপ ধাৰণা কৰিবপৰা ৰাক্ষসী ***শূর্পণখাক*** (অক্ষছেদন কৰি) বিৰূপাকৃতি কৰিছিল।

৪৭-৫৩ **গঃ পাঃ**- ততঃ শূর্পণখাবাক্যাৎ খৰং ত্রিশিৰসং চৈব দূষণং চৈব ৰাক্ষসং তেষাং চৈব পদানুগান্ উদযুক্তান্ সর্বৰাক্ষসান্ ৰামঃ ৰণে নিজঘান। তস্মিন্ বনে নবসতা (ৰামেণ) জনস্থাননিবাসিনাং ৰক্ষসাং চতুর্দশসহস্রাপি নিহতানি আসন্। ততঃ জ্ঞাতিবধং শ্রুত্বা। ক্রোধমূর্চ্ছিতঃ ৰাৱণঃ মাৰীচং নাম ৰাক্ষসং সহায়ং বৰয়ামাস। মাৰীচেন স ৰাৱণঃ সুবহুশো বার্ষমাণঃ (আশীৎ) ৰাৱণ! তেন বলবতা তে বিৰোধঃ ন ক্ষমঃ। কালচোদিতঃ ৰাৱণঃ তু



শূর্পণখা - লঙ্কাৰ অধিপতি ৰাৱণৰ ভগ্নী।

তদ্ বাক্যম্ অনাদৃত্য সহমাৰীচঃ তস্য আশ্রমপদং জগাম। তদা তেন মায়াবিনা নৃপাত্মজৌ দূৰম্ অপবাহ্য গৃধ্রং জটায়ুষং হত্বা (ৰাৱণঃ) ৰামস্য ভার্য্যাং জহাৰ।

অস. অনু.-তাৰ পিছত শূৰ্পণখাৰ কথাত খৰ ত্রিশিৰা দূষণ প্রভৃতি ৰাক্ষস আৰু সিহঁতৰ অনুসৰণকাৰী যুদ্ধ কৰিবলৈ উদ্যোগী ৰাক্ষসকলক ৰামে যুদ্ধত নিধন কৰিছিল। সেই বনত বাস কৰি থকা সময়ত জনস্থানত থকা চৈধ্য হাজাৰ ৰাক্ষস (ৰামৰ দ্বাৰা) নিহত হৈছিল। তাৰ পিছত আত্মীয় নিধনৰ বার্তা পাই ক্রোধত জ্ঞানশূন্য হোৱা ৰাৱণে মাৰীচ নামৰ ৰাক্ষসৰ সহায় প্রার্থনা কৰিছিল। মাৰীচে সেই ৰাৱণক বহুবাৰ বাৰণ কৰিছিল - হে ৰাৱণ! সেই বলবানজনৰ লগত তোমাৰ বিৰোধ উপযুক্ত হোৱা নাই। কিন্তু মৃত্যুৰ দ্বাৰা প্রেৰিত সেই ৰাৱণে তেওঁৰ বাক্য অনাদৰ কৰি মাৰীচৰ লগত তেওঁৰ (ৰামৰ) আশ্রমস্থানলৈ গ'ল। তাৰ পিছত সেই মায়াবীৰ (মাৰীচৰ) দ্বাৰা ৰাজকুমাৰ দুজনক দূৰলৈ আঁতৰাই পঠিয়াই পক্ষী জটায়ুক হতপ্রায় কৰি (ৰাৱণে) ৰামৰ ভার্য্যাক হৰণ কৰিলে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ **তলৰ শ্লোক দুটাৰ গদ্যপাঠ লিখক -**

ক) সর্বদাভিগতঃ সদ্ভিঃ সমুদ্র ইব সিন্ধুভিঃ।
আর্য্যঃ সর্বসমশ্চৈব সদৈব প্রিয়দর্শনঃ।।

খ) স সত্যবচনাদ্ ৰাজা ধর্মপাশেন সংযতঃ।
বিবাসয়ামাস সুতং ৰামং দশৰথঃ প্রিয়ম্।।

প্রশ্ন নং ৪ঃ **তলৰ শ্লোক দুটাৰ অর্থ লিখক -**

ক) গত্বা তু স মহাত্মানং ৰামং সত্যপৰাক্রমম্।
অযাচদ্ ভ্রাতৰং ৰামমার্য্যভাব পুৰস্কৃতঃ।।

(খ) তেন তত্রৈব বসতা জনস্থাননিবাসিনী।
বিৰূপিতা শূৰ্পণখা ৰাক্ষসী কামৰূপিণী।।

২.৪.৪ সুগ্রীবৰ সিংহাসন লাভৰপৰা সীতা উদ্ধাৰ পর্য্যন্ত

৭০। **গঃ পাঃ**- ততঃ সুগ্রীৱবচনাৎ বালিনম্ আহবে হত্বা ৰাঘৱঃ সুগ্রীৱমেব্ তদ্রাজ্যে প্রত্যপাদয়ৎ।

অস. অনু.- তাৰ পিছত সুগ্রীবৰ কথা অনুসৰি বালীক যুদ্ধত নিহত কৰি ৰামে সুগ্রীবকেই সেই ৰাজ্যত প্রতিষ্ঠা কৰিলে।

৭১। **গঃ পাঃ**- বানৰর্ষভঃ সর্বান্ বানৰান্ সমানীয় জনকাত্মজাং দিদৃক্ষুঃ দিশঃ প্রস্থাপয়ামাস।

অস. অনু.- সেই বানৰ শ্রেষ্ঠ সুগ্রীবে সকলোবোৰ বান্দৰ মাতি আনি জনকৰ কন্যাক (সীতাক) অন্বেষণ কৰিবলৈ বিভিন্ন দিশলৈ পঠিয়ালে।



সুগ্রীৱ - বানৰ ৰাজ বালীৰ ভ্রাতৃ। বালী আৰু সুগ্রীব ইজনে সিজনৰ শত্রু আছিল।

৭২। **গঃ পাঃ**- ততঃ গৃধ্রস্য সম্পাতেঃ বচনাৎ বলী হনুমান্ শতযোজনবিস্তীর্ণং লৱণার্ণৱং পুপ্লুৱে।

অস. অনু.- তাৰ পিছত শগুণ পক্ষী সম্পাতিৰ কথা অনুসৰি বলশালী হনুমানে শতযোজন বিস্তীর্ণ লবণসমুদ্র জপিয়াই পাৰ হ'ল।

৭৩। **গঃ পাঃ**-ৰাৱণপালিতাং লঙ্কাং পুৰীং সমাসাদ্য অত্র অশোকবণিকাং গতাং ধ্যায়ন্তীং সীতাং দদর্শ।

অস. অনু.- ৰাৱণৰদ্বাৰা পালিত লঙ্কা নগৰীত উপস্থিত হৈ তাত অশোকবনত থকা ধ্যানৰতা সীতাক দেখিলে।

৭৪। **গঃ পাঃ**-(হনুমান্) (অঙ্গুলীয়কৰূপম্) অভিজ্ঞানং নিবেদয়িত্বা প্রবৃত্তিং বিনিবেদ্য চ বৈদেহীং চ সমাশ্বাস্য তোৰণং মর্দয়ামাস।

অস. অনু.-(হনুমানে) (আঙুঠিৰূপ) পৰিচয়ৰ চিহ্ন নিবেদন কৰি (ৰামৰ) সকলো বার্তা জনাই বৈদেহীক (সীতাক) আশ্বাস প্রদান কৰি (লঙ্কাৰ) বহির্দ্বাৰ ভাঙি দিলে।

৭৫। **গঃ পাঃ**- (হনুমান্) পঞ্চসেনাগ্রগান্ সপ্তমন্ত্রিসুতান্ অপি হত্বা শূৰম্ অক্ষম্ চ নিষ্পিষ্য গ্রহণং সমুপাগমৎ।

অস. অনু.-(হনুমানে) পাঁচজন সেনাপতি আৰু সাতজন মন্ত্রীকুমাৰক নিধন কৰি বীৰ অক্ষক ***নিষ্পিষ্ট***কৰি (ৰাক্ষসৰ) বন্ধন গ্রহণ কৰিলে।



নিষ্পিষ্ট - পিহি গুড়ি কৰি পেলোৱা।

৭৬। **গঃ পাঃ**- পৈতামহাৎ ৰৰাৎ আত্মানম্ অস্ত্রেণ উন্মুক্তং জ্ঞাত্বা বীৰঃ যদৃচ্ছয়া (বন্ধনং স্বীকার্য্য) মন্ত্রিণঃ তান্ ৰাক্ষসান্ মর্ষয়ন্ (ৰাবণসমীপং গতৱান্)

অস. অনু.- পিতামহ - ব্রহ্মাৰ ৰৰৰ প্রভাৱত নিজকে বন্ধনমুক্ত বুলি জানিও ইচ্ছা অনুসৰি (বন্ধন স্বীকাৰ কৰি) সেই বন্ধনকাৰী ৰাক্ষসসমূহক ক্ষমা কৰি (ৰাৱণৰ ওচৰলৈ গৈছিল)।

৭৭। **গঃ পাঃ**- ততঃ মহাকপিঃ মৈথিলীং সীতাং ঋতে তু লঙ্কাং পুৰীং দগ্ধ্বা ৰামায় প্রিয়ম্ আখ্যাতুং পুনঃ আয়াৎ।

অস. অনু.-তাৰ পিছত হনুমানে মৈথিলী সীতাক বাদ দি (সমগ্র) লঙ্কা নগৰী দগ্ধ কৰি ৰামক প্রিয় বার্তাটি জনাবলৈ পুনৰ উভতি আহিল।

৭৮। **গঃ পাঃ**- অমেয়াত্মা সঃ মহাত্মানং ৰামং অভিগম্য প্রদক্ষিণং কৃত্বা ন্যবেদয়ৎ (ময়া) তত্ত্বতঃ সীতা দৃষ্টা ইতি।

অস. অনু.- সেই অপিৰিমিত বুদ্ধিযুক্ত হনুমানে মহাত্মা ৰামৰ ওচৰলৈ আহি (তেঁওক) প্রদক্ষিণ কৰি নিবেদন কৰিলে যে (মই) সঁচাকৈয়ে সীতাক দেখিছো।

৭৯। **গঃ পাঃ**- ততঃ (ৰামঃ) সুগ্রীবসহিতঃ মহোদধেঃ তীৰং গত্বা আদিত্যসন্নিভৈঃ শৰৈঃ সমুদ্রং ক্ষোভয়ামাস।

অস. অনু.- তাৰ পিছত ৰামে সুগ্রীবৰ লগত মহাসাগৰৰ পাৰলৈ গৈ সূর্য্যৰ সদৃশ

শৰেৰে সমুদ্ৰক ক্ষুভিত কৰিলে।

৮০। **গঃ পাঃ**- সৰিতাং পতিঃ সমুদ্ৰঃ চ আত্মানং দৰ্শয়ামাস। সমুদ্ৰবচনাৎ চ এব নলং সেতুম্ অকাৰয়ৎ।

অস. অনু.- নদীসমূহৰ গৰাকী সমুদ্ৰই নিজৰে দৰ্শন দিলে। সমুদ্ৰৰ কথামতেই *নল*ৰদ্বাৰা (ৰামচন্দ্ৰই) সেতু বন্ধালে।

৮১। **গঃ পাঃ**- ৰামঃ তেন লঙ্কাং পুৰীং গত্বা ৰাৱণম্ আহবে হত্বা সীতাম্ অনুপ্ৰাপ্য পৰাং ব্ৰীডাম্ উপাগমৎ।

অস. অনু. - ৰামচন্দ্ৰই তাৰদ্বাৰা (সেই সেতুৰদ্বাৰা) লঙ্কাপুৰীলৈ গৈ ৰাৱণক যুদ্ধত বধ কৰি সীতাক লাভ কৰি অতিশয় লজ্জা অনুভব কৰিলে।



নল- বিশ্বকৰ্মাৰ পুত্ৰ আৰু এক মহাপৰাক্ৰমী বান্দৰ।



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ৫ঃ গদ্যপাঠ লিখক -

(ক) স চ সৰ্বান্ সমানীয় বানৰান্ বানৰৰ্ষভঃ।
দিশঃ প্ৰস্থাপয়ামাস দিদৃক্ষুৰ্জনকাত্মজাম্।।

.....

.....

(খ) পঞ্চসেনাগ্ৰগান্ হত্বা সপ্ত মন্ত্ৰিসুতানপি।
শূৰমক্ষঞ্চ নিষ্পিষ্য গ্ৰহণং সমুপাগমৎ।।

.....

.....

প্ৰশ্ন নং ৬ঃ তলৰ শ্লোক দুটাৰ অৰ্থ লিখক।

(ক) ততঃ সুগ্ৰীববচনাদ্ হত্বা বালিনমাহবে।
সুগ্ৰীবমেব তদ্ৰাজ্যে ৰাঘৱঃ প্ৰত্যপাদয়ৎ।।

.....

.....

(খ) ততঃ সুগ্ৰীবসহিতো গত্বা তীৰং মহোদধেঃ।
সমুদ্ৰং ক্ষোভয়ামাস শৰৈৰাদিত্যসন্নিভৈঃ।।

.....

.....

২.৫ শব্দার্থৰ তালিকা

এই অংশত আপুনি শ্লোকসমূহত ব্যৱহৃত কঠিন শব্দ কিছুমানৰ অর্থসমূহ জানিব পাৰিব।

শ্লোক সংখ্যা	শব্দ	অর্থ
১	স্বাধ্যায়	বেদৰ অধ্যয়ন
১	বাক্‌বিদ্‌	বাক্য জনা অর্থাৎ বেদজ্ঞ পণ্ডিত
১	পুঙ্গৱ	শ্রেষ্ঠ
৪	দ্যুতিমান্‌	দীপ্তিমান্‌
৪	জিতক্রোধঃ	ক্রোধজয়ী বা যিয়ে ক্রোধক জয় কৰিছে।
৪	ৰোষঃ	খং বা ক্রোধ
৬	ত্রিলোকজ্ঞঃ	তিনিওলোকৰ (ভূঃ, ভুবঃ, স্ব) বৃত্তান্ত যিজনে জানে।
৬	প্রহৃষ্টঃ (ভূত্বা)	আনন্দিত (হৈ)
৭	বুদ্ধ্বা	চিন্তা কৰি
৮	ধৃতিমান্‌	ধৈর্য্যশীল
৮	নিয়তাত্মা	যাৰ অন্তঃকৰণ বা চিত্ত সংযত।
৮	মহাবীর্য্যঃ	অতিশয় পৰাক্রমী বা শক্তিশালী
৮	বশী	জিতেন্দ্রিয় বা যিয়ে ইন্দ্রিয় জয় কৰিছে।
৯	বাগ্মী	কথা কোৱাত পটু
১০	মহোৰস্কঃ	যাৰ বক্ষ বিশাল
১০	মহেষ্বাসঃ	মহাধনুর্ধৰ
১০	গুঢ়জত্রুঃ	যাৰ কণ্ঠৰ হাড় দেখা নাযায় অর্থাৎ মঙহাল কণ্ঠ বিশিষ্ট।
১০	অৰিন্দমঃ	শত্রুদমনকাৰী
১০	আজানুবাহুঃ	যাৰ বাহু আঠু পর্য্যন্ত বিস্তৃত।
১০	ললাটঃ	কপাল।
১১	পীনবক্ষা	যাৰ বক্ষ মঙহাল।
১১	বিশালাক্ষঃ	যাৰ অক্ষি বা চকু আয়ত বা বিস্তৃত।

শ্লোক সংখ্যা	শব্দ	অৰ্থ
১২	সত্যসন্ধঃ	সত্যপ্ৰতিজ্ঞ
১৩	ৰিপুনিষূদনঃ	শত্ৰুবিনাশকাৰী
১৪	নিষ্ঠিতঃ	পাৰ্গত
১৫	অদীনাত্মা	উচ্চমনা
১৬	সিন্ধু	নদী
১৬	অভিগতঃ	সেৱিত
১৬	আৰ্য্যঃ	পূজনীয়
১৭	হিমবান্	হিমালয়
১৯	ধনদ	কুবেৰ
২০	প্ৰকৃতীনাম্	প্ৰজাসকলৰ
২২	বিবাসনম্	নিৰ্বাসন
২৩	ধৰ্মপাশেন	ধৰ্মৰ বান্ধোনেৰে
৩১	আৱসথ	কুটীৰ
৩১	শাসনাৎ	পৰামৰ্শ অনুসৰি
৩৮	নিৰ্বৰ্তয়ামাস	ওভতাই পঠিয়াইছিল।
৪৬	কামৰূপিণী	যিয়ে ইচ্ছা অনুসৰি ৰূপ ধাৰণ কৰিব পাৰে
৫২	দূৰমপবাহ্য	দূৰলৈ আঁতৰাই পঠিয়াই
৭০	আহবে	যুদ্ধত
৭০	প্ৰত্যপাদয়ৎ	প্ৰতিষ্ঠা কৰিলে
৭১	বানৰৰ্ষভ	বানৰশ্ৰেষ্ঠ
৭২	গৃধ্ৰঃ	শগুণ পক্ষী
৭২	লৱণাৰ্ণৱম্	লবণসমুদ্ৰ
৭৩	সমাসাদ্য	উপস্থিত হৈ
৭৪	অভিজ্ঞানম্	পৰিচয়ৰ চিহ্ন
৭৫	শূৰঃ	বীৰ
৭৫	নিষ্পিষ্য	পিহি গুড়ি কৰি
৭৫	গ্ৰহণম্	বন্ধন
৭৮	অমেয়াত্মা	অসীম বল বুদ্ধি ধৈৰ্য্য আদিৰে যুক্ত
৭৮	তত্ত্বতঃ	যথাৰ্থতে
৭৯	আদিত্যসন্নিভৈঃ	সূৰ্য্যৰ দৰে
৮০	সৰিতাং পতিঃ	নদীসমূহৰ পতি
৮১	ব্ৰীড়া	লজ্জা

২.৬ সন্ধিযুক্ত শব্দৰ সন্ধিবিচ্ছেদ

এই অংশত শ্লোকত ব্যৱহৃত সন্ধিযুক্ত শব্দকিছুমানৰ সন্ধি বিচ্ছেদ কৰি দেখুওৱা হৈছে।

সন্ধিযুক্ত	সন্ধি বিচ্ছেদ	শ্লোকসংখ্যা
ন্বস্মিন্	নু +অস্মিন্	২
কশ্চৈকপ্রিয়দর্শন	কঃ +চ +এক প্রিয়দর্শনঃ	৩
কোহনসূয়কঃ	কঃ +অনসূয়কঃ	৪
এতদিচ্ছাম্যহম্	এতৎ +ইচ্ছামি +অহম্	৫
জ্ঞাতুমেবম্বিধং	জ্ঞাতুম্ +এৱংবিধম্	৫
বক্ষাম্যহম্	বক্ষামি +অহম্	৭
শ্রীমাঞ্ছত্রুনির্বহনঃ	শ্রীমান্ +শত্রুনির্বহনঃ	৯
সংযোক্তুমৈচ্ছৎ	সংযোক্তুম্ +ঐচ্ছৎ	২১
বৰমেনময়াচত	বৰম্ +এনম্ +অযাচত	২২
লক্ষ্মণোহনুজগাম	লক্ষ্মণঃ +অনুজগাম	২৫
চিত্রকূটমনুপ্রাপ্য	চিত্রকূটম্ +অনুপ্রাপ্য	৩১
ৰম্যমাবসথম্	ৰম্যম্ +আবসথম্	৩১
কামমনবাপ্যৈৱ	কামম্ +অনবাপ্য +এব	৩৮
ৰামপাদাবুপস্পৃশন্	ৰামপাদৌ +উপস্পৃশন্	৩৮
তত্রাগমনমেকাগ্রো	তত্র +আগমনম্ +একাগ্রঃ	৪০
দিদৃক্ষুর্জনকাত্মজাম্	দিদৃক্ষুঃ +জনকাত্মজাম্	৭১
অস্ত্রেণোন্মুক্তমাত্মানম্	অস্ত্রেণ +উন্মুক্তম্ +আত্মানম্	৭৬
শৰৈৰাদিত্যসন্নিভৈঃ	শৰৈঃ +আদিত্যসন্নিভৈঃ	৭৯



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ঃ **শব্দার্থ লিখক**

(ক) ত্রিলোকজ্ঞঃ

.....

(খ) মহোৰস্কঃ

.....

(গ) নিষ্ঠিতঃ

.....

(ঘ) বিবাসনম্

.....

প্ৰশ্ন নং ৮ঃ **সন্ধি বিচ্ছেদ কৰক।**

(ক) এতদিচ্ছাম্যহম্

.....

(খ) শ্ৰীমাঞ্জ্ৰুনির্বহনঃ

.....

(গ) কামমনবাপ্যৈব

.....

(ঘ) অস্ত্রেণোন্মুক্তমাত্মানম্

.....



২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ৰামায়ণৰ বালকাণ্ডৰ প্ৰথম সৰ্গত সন্নিবিষ্ট হোৱা মূল বিষয়সমূহৰ সংস্কৃত শ্লোকসমূহ জানিব পাৰিলে।
- শ্লোকসমূহৰ গদ্যপাঠ জনাৰ লগতে অসমীয়া অনুবাদসমূহ আয়ত্ত কৰিব পাৰিলে।
- শ্লোকসমূহত থকা বিভিন্ন কঠিন শব্দৰ অৰ্থসমূহ জানিব পাৰিলে।
- শ্লোকসমূহৰ কিছুমান সন্ধিযুক্ত শব্দৰ সন্ধিবিযুক্তৰূপে সম্পৰ্কে অবগত হ'ল।



২.৮ অধিক জানিবলৈ

১) পাণ্ডুৰঙ্গপৰৱ, কাশীনাথ, (১৯০২) *দ্য ৰামায়ণ অৱ বাল্মীকি*, বোম্বেঃ প্ৰপ্ৰাইটৰ অৱ্ জাভাজী দাদাজীজ নির্ণয়সাগৰ প্ৰেছ।

২) *শ্ৰীমদ্ বাল্মীকিৰামায়ণ* (প্ৰথম খণ্ড) (১৯৬৯) গোৰখপুৰঃ গীতা প্ৰেছ

৩) বন্দোপাধ্যায়, অশোককুমাৰ, (১৪১২) *ৰামায়ণম্*, কোলকাতাঃ শ্ৰীবলৰাম প্ৰকাশনী।

৪) মহন্ত, কবিচন্দ্ৰ, (১৯৬২) *অসমীয়া বাল্মীকি ৰামায়ণ*, লয়ার্ছ বুক ষ্টল।

৫) সেন, দীনেশচন্দ্ৰ, (১৩৬৭) *ৰামায়নী কথা*, কলিকাতাঃ জিজ্ঞাসা।



২.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ তপঃ স্বাধ্যায়নিৰতং ..... মুনিপুঙ্গঁৱম্।

২ নং প্ৰশ্নৰ উত্তৰঃ ক) শ্লোক নং ৬ চাওঁক।

খ) শ্লোক নং ৮ চাওঁক।

গ) শ্লোক নং ১২ চাওঁক।

ঘ) শ্লোক নং ১৬ চাওঁক।

৩ নং প্রশ্নৰ উত্তৰঃ ক) ১৬ নং শ্লোকৰ গদ্যপাঠ চাওঁক।

খ) ২৩ নং শ্লোকৰ গদ্যপাঠ চাওঁক।

৪ নং প্রশ্নৰ উত্তৰঃ ক) ৩৫ নং শ্লোকৰ অর্থ চাওঁক।

ক) ৪৬ নং শ্লোকৰ অর্থ চাওঁক।

৫ নং প্রশ্নৰ উত্তৰঃ ক) ৭১ নং শ্লোকৰ গদ্যপাঠ চাওঁক।

খ) ৭৫ নং শ্লোকৰ গদ্যপাঠ চাওঁক।

৬ নং প্রশ্নৰ উত্তৰঃ ক) ৭০ নং শ্লোকৰ অর্থ চাওঁক।

খ) ৭৯ নং শ্লোকৰ অর্থ চাওঁক।

৭ নং প্রশ্নৰ উত্তৰঃ (ক) তিনিও লোকৰ (ভূঃ, ভূবঃ আৰু স্বঃ) বৃত্তান্ত যিজনে জানে

(খ) যাৰ বক্ষ বিশাল

(গ) পার্গত

(ঘ) নির্বাসন।

৮ নং প্রশ্নৰ উত্তৰঃ (ক) এতৎ + ইচ্ছামি + অহম্

(খ) শ্রীমান্ + শত্রুনির্বহনঃ

(গ) কামম্ + অনবাপ্য + এব।

(ঘ) অস্ত্রেণ + উন্মুক্তম্ + আত্মানম্।



২.১০ আৰ্হি প্রশ্ন

(ক) চুটি প্রশ্ন ঃ

প্রশ্ন ১ঃ শ্লোকৰ উদ্ধৃতিসহ ৰামচন্দ্রৰ গুণাৱলী সম্পর্কে এটি টোকা প্রস্তুত কৰক।

(ক) ৰচনাধর্মী প্রশ্ন ঃ

প্রশ্ন ১ঃ ৰামচন্দ্রৰ চিত্রকূটত থকা সময়ছোৱাৰপৰা সীতাহৰণ পর্য্যন্ত ঘটা ঘটনাসমূহৰ বিষয়ে চমুকৈ বর্ণনা দিয়ক।

প্রশ্ন ২ঃ সুগ্রীবৰ সিংহাসন লাভৰপৰা সীতা উদ্ধাৰ পর্য্যন্ত বর্ণিত বিষয়সমূহৰ বিষয়ে লিখক।

*** ***** ***

অধ্যায় ৩ ঃ মহাভাৰত (সাধাৰণ আলোচনা)

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ মহাভাৰত মহাকাব্যৰ পৰিচয়

৩.৪ মহাভাৰতৰ ৰচক আৰু নামকৰণ (জয়, ভাৰত আৰু মহাভাৰত)

৩.৪.১ মহাভাৰতৰ কাল

৩.৪.২ মহাভাৰতৰ টীকাকাৰ

৩.৪.৩ মহাভাৰতৰ বিভিন্ন সংস্কৰণ

৩.৫ মহাভাৰত এখন অনন্য সাধাৰণ ৰচনা

৩.৬ মহাভাৰতৰ প্ৰক্ষিপ্ত অংশ

৩.৭ মহাভাৰতত শান্তিপৰ্বৰ স্থান

৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৯ অধিক জানিবলৈ

৩.১০ অগ্ৰগতিৰ খতিয়ান

৩.১১ আৰ্হি প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- মহাভাৰত মহাকাব্যৰ বিষয়ে এটি চমু আভাস লাভ কৰিব
- মহাভাৰতৰ ৰচক ব্যাসদেৱ আৰু মহাভাৰতৰ নামকৰণৰ বিষয়ে জানিব পাৰিব
- মহাভাৰতৰ কাল অর্থাৎ সময়ৰ বিষয়ে সম্যক জ্ঞান লাভ কৰিব
- মহাভাৰতৰ ওপৰত ৰচিত হোৱা টীকাসমূহৰ লগতে বিভিন্ন সংস্কৰণসমূহৰ বিষয়ে জ্ঞাত হ'ব পাৰিব
- মহাভাৰত এখন অনন্য সাধাৰণ ৰচনা এইবিষয়ে কিছু জানিব পাৰিব
- মহাভাৰতৰ প্ৰক্ষিপ্ত অংশৰ বিষয়ে জানিব পাৰিব
- মহাভাৰতত শান্তিপৰ্বৰ স্থান এই বিষয়ে অৱগত হ'ব পাৰিব।

৩.২ পৰিচয়

ইতিমধ্যে আপুনি সংস্কৃত সাহিত্যত থকা দুই ধৰণৰ কাব্যৰ ভিতৰত শ্ৰব্যকাব্যৰ ধাৰণা লাভ কৰিছে। শ্ৰব্যকাব্য পাঠ কৰা হয় আৰু শুনা যায়।

মহাকাব্য বুলিলে ছন্দোৱদ্ধ অতি দীর্ঘৰচনাকে সাধাৰণতে বুজা যায়। পৃথিৱীৰ বিভিন্ন ভাষাত ৰচিত ধ্রুপদী সাহিত্যৰ ই এক অন্যতম শাখা। ঘটনাৰ ব্যাপকত্ব, চৰিত্রৰ তদনুৰূপ বিকাশ আৰু আদর্শৰ বিশ্বজনীনতা এই শ্রেণীৰ সাহিত্যৰ সাধাৰণ লক্ষণ যদিও, প্রাচ্য আৰু পাশ্চাত্যৰ কাব্যতাত্বিকসকলে পৃথক পৃথককৈ মহাকাব্য বা এপিকৰ লক্ষণ নিৰূপণ কৰিছে।

বিভিন্ন যুগত ৰচিত এপিকসমূহৰ বৈশিষ্ট্যসমূহলৈ লক্ষ্য ৰাখি পশ্চিমীয়া সমালোচকসকলে এই বিধ সাহিত্যক দুটা ভাগত ভাগ কৰি আলোচনা কৰিছে। প্রথমবিধ ৰচনাক এপিক অৱ গ্রউথ বা প্রিমিটিভ এপিক (epic of growth or primitive epic) বোলা হয়। দ্বিতীয়বিধক এপিক অৱ আর্ট বা লিটাৰেৰী এপিক (epic of art or literary epic) বোলা হয়। কাব্যতাত্বিকসকলৰ মতে প্রথমবিধ এপিক এজন ব্যক্তিৰ ৰচনা নহয়। ই এনে এক সংকলন য'ত বিভিন্ন সময়ত বিভিন্ন ব্যক্তিয়ে ৰচনা কৰা বিভিন্ন কাহিনীৰ আৰু ধাৰাবাহিকবাৰে প্রচলিত বিষয়বস্তুৰ বিৱর্তিত ৰূপ পোৱা যায়।

আনহাতেদি লিটাৰেৰি এপিক বা আর্ট এপিকবোৰ এজন ব্যক্তিৰ দ্বাৰা ৰচিত। এইবিধ এপিক প্রথমবিধৰ আদর্শতে প্রস্তুত কৰা হয়।

ইয়াৰ বৈশিষ্ট্যসমূহ লক্ষ্য কৰিলে দেখা যায় মহাভাৰত প্রথমবিধৰ ৰচনা আৰু ৰামায়ণ দ্বিতীয় প্রকাৰৰ ৰচনা। মহাভাৰতৰ কথাভাগ পর্বত আৰু প্রতিপর্ব অধ্যায়ত বিভক্ত। দুয়োবিধ ৰচনাতে নায়কজন কেতিয়াবা অতি বীৰ পুৰুষ আৰু কেতিয়াবা কোনো দিব্য পুৰুষ হয়। ৰামায়ণৰ ৰামচন্দ্র, মহাভাৰতৰ কৃষ্ণ বীৰ আৰু দিব্য পুৰুষ।

এপিকৰ (মহাকাব্যৰ) বর্ণনা শৈলী সাধাৰণ কথনভংগীতকৈ বেলেগ। বিষয়বস্তুৰ গাম্ভীর্য আৰু নির্মাণ কৌশলৰ মহত্ব ৰক্ষা কৰিবলৈকে তাত এক অসাধাৰণ চমৎকাৰ ৰচনাৰীতি প্রয়োগ কৰা হয়।

৩.৩ মহাভাৰত মহাকাব্যৰ পৰিচয়

এই অংশত আপুনি মহাভাৰতৰ বিষয়ে চমু পৰিচয় পাব। মহাভাতৰ ৰচতিা কৃষ্ণদ্বৈপায়ন বেদব্যাস। প্রাচীন ঐতিহ্য অনুযায়ী মহাভাৰত, অষ্টাদশ (১৮) পুৰাণ আৰু অষ্টাদশ (১৮) উপপুৰাণৰ ৰচয়িতা আৰু বেদৰ ভাগ কৰোঁতা মহর্ষি ব্যাস বিষ্ণুৰ অৱতাৰ। বেদমন্ত্রৰ সংকলক আৰু বিভাজয়িতা হিচাবে তেওঁৰ নাম বেদব্যাস। ব্যাসৰ ৰচনা 'মহাভাৰত' নামে প্রসিদ্ধ। ভাৰতবংশৰ সামগ্রিক ইতিহাসৰ মহৎ কাহিনী অথবা ভাৰতযুদ্ধৰ বর্ণনা কৰা বাবে 'মহাভাৰত' নামে প্রসিদ্ধ। মহাভাৰতত ১৮ টা পর্ব আছে— আদি, সভা, বন, বিৰাট, উদ্যোগ, ভীষ্ম, দ্রোণ, কর্ণ, শল্য, সৌপ্তিক, স্ত্রী, শান্তি, অনুশাসন, অশ্বমেধ, আশ্রমবাসিক, মৌসল, মহাপ্রস্থানিক, স্বর্গাৰোহন।

(১) **আদি পর্ব ঃ** মহাভাৰত ৰচনাৰ পূর্ব প্রসংগ, কৌৰৱ আৰু পাণ্ডৱবংশৰ ইতিহাস বর্ণনা। কৌৰৱ আৰু পাণ্ডৱৰ বাল্যশিক্ষাৰ পৰা আৰম্ভ কৰি খাণ্ডৱদাহপর্যন্ত আদি পর্বত বর্ণনা কৰা হৈছে।

(২) **সভা পর্ব ঃ** হস্তিনাপুৰৰ ৰজা ৰাজসভাত কৌৰৱ আৰু পাণ্ডৱসকলৰ দ্যুতক্রীড়া, পাণ্ডৱসকলৰ

পৰাজয় আৰু বনবাস।

(৩) **বনপর্ব ঃ** পাণ্ডৱসকলৰ বনবাসৰ জীৱনৰ কাহিনী।

(৪) **বিৰাট পর্ব ঃ** বিৰাট ৰজাৰ ৰাজসভাত ছদ্মবেশী পাণ্ডৱসকলৰ অজ্ঞাতবাস আৰু দ্ৰৌপদীৰ পাণিগ্ৰহণ।

(৫) **উদ্যোগ পর্ব ঃ** কৌৰৱ আৰু পাণ্ডৱপক্ষৰ যুদ্ধত উদ্যোগ।

(৬) **ভীষ্ম পর্ব ঃ** কুৰুক্ষেত্ৰৰ প্ৰাংগণত কৌৰৱ আৰু পাণ্ডৱৰ যুদ্ধ। কৌৰৱসকলৰ সেনাপতি ভীষ্ম শৰশয্যাত শয়ন।

(৭) **দ্রোণ পর্ব ঃ** ভীষ্মৰ ইচ্ছামৃত্যুৰ পিছত দ্ৰোণক সেনাপতি পদত বৰণ, দ্ৰোণৰ দ্বাৰা ভয়াৱহ যুদ্ধ। ধৃষ্টদ্যুম্নৰ সৈতে যুদ্ধত দ্ৰোণৰ নিধন।

(৮) **কর্ণ পর্ব ঃ** কর্ণৰ সেনাপতিত্বত উভয় পক্ষৰ তুমুল যুদ্ধ, অর্জুনৰ দ্বাৰা কর্ণৰ নিধন।

(৯) **শল্য পর্ব ঃ** শল্যৰ সেনাপতিত্বত কৌৰৱ পক্ষৰ দুর্যোধন আৰু আন তিনিজনৰ বাহিৰে সকলোৰে মৃত্যু।

(১০) **সৌপ্তিক পর্ব ঃ** ৰাতি সেনাপতি আশ্বাত্থামাৰ পাণ্ডৱৰ শিবিৰত প্ৰৱেশ আৰু পঞ্চপাণ্ডৱ বুলি ভাবি দ্ৰৌপদীৰ পাঁচজন পুত্ৰক নিধন।

(১১) **স্ত্রী পর্ব ঃ** মহাসমৰত নিহত পুত্ৰ, আত্মীয়স্বজন আৰু অন্যান্য বীৰসকলক দেখি দ্ৰৌপদীৰ বিলাপ।

(১২) **শান্তি পর্ব ঃ** হস্তিনাপুৰত যুধিষ্ঠিৰৰ অভিষেক আৰু ৰাজ্যপালন।

(১৩) **অনুশাসন পর্ব ঃ** ভীষ্মৰ দ্বাৰা যুধিষ্ঠিৰক ৰাজধর্ম প্ৰদান। আপদধর্ম আৰু মোক্ষ ধর্মৰ উপদেশ।

(১৪) **অশ্বমেধ পর্ব ঃ** যুধিষ্ঠিৰৰ অশ্বমেধ যজ্ঞৰ অনুষ্ঠান।

(১৫) **আশ্রমবাসিক পর্ব ঃ** ধৃতৰাষ্ট্ৰ গান্ধাৰী, বিদুৰ, সঞ্জয় আৰু কুন্তীৰ বানপ্ৰস্থ আশ্রমত প্ৰৱেশ।

(১৬) **মৌসল পর্ব ঃ** যদুবংশীয়সকলৰ পাৰস্পৰিক যুদ্ধ আৰু ধ্বংস।

(১৭) **মহাপ্রস্থানিক পর্ব ঃ** পঞ্চপাণ্ডৱ আৰু দ্ৰৌপদীৰ যাত্ৰা।

(১৮) **স্বর্গাৰোহন পর্ব ঃ** স্বর্গাৰোহণ পর্বত যুধিষ্ঠিৰৰ বাহিৰে সকলোৰে পতন, যুধিষ্ঠিৰৰ স্বর্গপ্ৰাপ্তি, মৃত ভাতৃসকলৰ সন্ধানত নৰকলৈ গমন, অৱশেষত স্বর্গত পুনর্গমন আৰু ভাতৃসকলৰ সৈতে আৰু অন্যান্য আত্মীয়সকলৰ সৈতে মিলন।

বর্তমান মহাভাৰতত এক লাখ শ্লোক আছে। মহাভাৰত মহাকাব্যক শাস্ত্ৰকাব্য বুলিও কোৱা হয়। ভৰতবংশীয় ৰাজর্ষিসকলক কেন্দ্ৰ কৰিয়েই এই কাব্য গঢ়ি উঠিছে। বর্তমান মহাভাৰত কেৱল ইতিহাস পুৰাণ নহয়, প্ৰাচীন ভাৰতৰ পঞ্চমবেদ, ধর্মশাস্ত্ৰ, কামশাস্ত্ৰ আৰু মোক্ষশাস্ত্ৰ অর্থাৎ ভাৰতকোষ। মহাভাৰতৰ মূল কাহিনী কৌৰৱ আৰু পাণ্ডৱসকলৰ পাৰস্পৰিক কলহ আৰু কুৰুক্ষেত্ৰৰ প্ৰাংগণত দুই পক্ষৰ দুদ্ধর্ষ সংগ্ৰাম। উক্ত পাৰিবাৰিক যুদ্ধ কাহিনীৰ সৈতে প্ৰাচীন ভাৰতৰ পুৰাবৃত্ত, ৰাজনীতি, সমাজনীতি, ইতিহাস, সাহিত্য, ধর্ম আৰু দর্শনৰ বিষয় আৰু সিংহাসনৰ উত্তৰাধিকাৰ সূত্ৰে বংশৰ দুই পৰিয়ালৰ মনোমালিন্য, দ্যুতক্ৰীড়াৰ (জুৱাৰ) ভয়াবহ পৰিণতি, ঘৃণনীয় চক্ৰান্ত, বিচক্ষণ, ধীমান ব্যক্তিসকলৰ দ্বাৰা যুদ্ধ পৰিত্যাগ আৰু শান্তি স্থাপনৰ প্ৰস্তাৱ আৰু

শেষত বীভৎস আৰু শোচনীয় পৰিণতিয়েই মহাভাৰতৰ কাহিনীৰ প্ৰধান বৈশিষ্ট্য।

৩.৪ মহাভাৰত ৰচক আৰু নামকৰণ (জয়, ভাৰত আৰু মহাভাৰত)

ইতিমধ্যে আপুনি মহাভাৰতৰ এটি চমু পৰিচয় জানিব পাৰিলে। এই অংশত আপুনি মহাভাৰতৰ ৰচক আৰু মহাভাৰতৰ নামকৰণৰ বিষয়ে জানিব পাৰিব।

আদিপৰ্বত উল্লেখ আছে যে মূল মহাভাৰতত ৮,৮০০ শ্লোক আছিল। পিছত উপাখ্যানসমূহ সংযোজিত হৈ শ্লোকৰ সংখ্যা ২৪,০০০ হৈছিল। শেষত মনুষ্যলোকত লক্ষশ্লোকযুক্ত মহাভাৰত প্ৰতিষ্ঠিত হয়।

অষ্টৌ শ্লোকসহস্ৰাণি অষ্টৌ শ্লোকশতানি চ।
অহং বেদ্মি শুকো বেত্তি সঞ্জয়ো বেত্তি বা ন বা।। (মহাভাৰত - ১/১/৮১)
উপাখ্যানৈঃ সহজ্ঞেয়মাদ্যাং ভাৰতমুত্তমম্।
চতুৰ্বিংশতিসাহস্ৰীং চক্ৰে ভাৰত সংহিতাম্।।
একশতসহস্ৰন্তু মানুষেষু প্ৰতিষ্ঠিতম্।।

এই শ্লোককেইটাৰ পৰা স্পষ্টভাৱে অনুমান হয় যে মহাভাৰতৰ তিনিটা পৃথক স্তৰ আছে। মহাভাৰত মূলতঃ তিনি শ্ৰেণীৰ ৰচনাৰে পূৰ্ণ—

(১) সৌতি ৰচনা - (মূল মহাভাৰত)
(২) ব্ৰাহ্মণ্য ৰচনা - (দেৱতাৰ কাহিনী, সৃষ্টি স্থিতি প্ৰলয়ৰ কথা, নীতি, ধৰ্ম, বৰ্ণাশ্ৰম ধৰ্ম, আখ্যান - উপাখ্যান আদি।
(৩) যতি, শ্ৰমন আৰু ভিক্ষু সম্প্ৰদায়ৰ ৰচনা (অহিংসা, ব্ৰহ্মচৰ্য, অস্তেয়, জগতৰ অনিত্যতা প্ৰভৃতিৰ প্ৰতিপাদক ৰচনাংশ)


মহাভাৰতৰ আন এটা নাম **শতসাহস্ৰী সংহিতা।**

বৰ্তমান মহাভাৰতক যি আয়তনত পোৱা গৈছে সেয়া এজন ব্যক্তিৰ এসময়ৰ ৰচনা নহয়। মহাভাৰত এটা নিৰ্দিষ্ট সময়ত ৰচিত হোৱা নাই। ই বিভিন্ন যুগত ৰচিত হৈ পৰিৱৰ্তিত হৈ থাকে আৰু শেষত আটাইবোৰ ভাগ যোগ হৈ এটা ৰূপত প্ৰকাশ হয়। ইয়াত যোগদিয়া এক লাখ শ্লোক অনুষ্টুপ ছন্দত পোৱা যায়। সেইবাবেই ইয়াৰ নাম 'শতসাহস্ৰীসংহিতা'। বৈশম্পায়ন প্ৰোক্ত মহাভাৰতত ৮,৮০০ শ্লোক আছে। পিছত ২৪,০০০ শ্লোক হয় আৰু পিছত উগ্ৰশ্ৰবাই পৌৰাণিক মনোৰঞ্জক কথাৰ ৭৬ হাজাৰ শ্লোক যোগ দি 'ভাৰত'ক 'মহাভাৰত' ৰূপ দিয়ে।

মহাভাৰতৰ কথাত যি উক্ত তিনিটা পৰিৱৰ্তন দেখা যায় তাৰো নিজা ইতিহাস আছে। পণ্ডিতসকলৰ মতে কৃষ্ণদ্বৈপায়নে যি কথা কৈছে তাৰ নাম 'জয়'। এই নামো ঐতিহাসিক। পাণ্ডৱসকলৰ বিজয়ৰ কাৰণে সম্ভৱতঃ এই কথাৰ এনেকুৱা নামাকৰণ কৰে। কৃষ্ণদ্বৈপায়ন প্ৰোক্ত এই জয় নামৰ গ্ৰন্থত ৮,৮০০ শ্লোক আছিল। বৈশম্পায়নে যি কথা কৈছে তাৰ নাম 'ভাৰত'। ইয়াৰ শ্লোকসমূহৰ পৰা জনা যায় যে 'ভাৰত' গ্ৰন্থ আখ্যান-উপাখ্যানেৰে ভৰপূৰ। কিন্তু শেষত সৌতিয়ে যি কথা শৌনক আদি ঋষিসকলক শুনাইছিল তাত বিভিন্ন আখ্যান-উপাখ্যান আৰু পৰিশিষ্ট ৰূপত **'হৰিবংশ'** যোগ দিয়ে আৰু ই আকাৰত বৃহৎ হয়। সেই কাৰণে এই গ্ৰন্থক 'মহাভাৰত'


হৰিবংশ = মহাভাৰতৰ পৰৱৰ্তী অংশ।

বুলি অভিহিত কৰা হয়। মহাভাৰতৰ আদিপৰ্বত পোৱা যায় যে মহৰ্ষি ব্যাসে ৩৩ লাখ শ্লোকৰ এখন বৃহৎগ্ৰন্থ লিখে। ইয়াৰ তিনি লাখ শ্লোক দেৱতাৰ বাবে, ১৫ লাখ পিতৃ পুৰুষৰ বাবে, ১৪ লাখ গন্ধৰ্বসকলৰ বাবে আৰু এক লাখ শ্লোক মানুহৰ বাবে লিখা হৈছিল। মহাভাৰতৰ মূল কথাংশ আৰু ইয়াৰ ঐতিহ্যৰ ওপৰত বুৰঞ্জীবিদ পণ্ডিতসকলে গৱেষণা কৰি মত পোষণ কৰে যে মহাভাৰতৰ মূলৰূপ বৰ্তমানতকৈ ভিন্ন। তেওঁলোকৰ মতে ব্যাসৰ দ্বাৰা ৰচিত মূল ভাৰত গ্ৰন্থ পিছত উত্তৰকালীন পণ্ডিতসকলৰ দ্বাৰা সময়ে সময়ে পৰিবৰ্ধিত কৰা হয়।

গতিকে, পণ্ডিতসকলে স্বীকাৰ কৰে যে জয়, ভাৰত আৰু মহাভাৰত এই তিনিটা স্তৰৰ মাজেদি আহিহে মহাভাৰতে বৰ্তমান ৰূপটো পায়।

৩.৩.১ মহাভাৰতৰ কাল

ইয়াৰ আগতে আপুনি মহাভাৰতৰ ৰচক আৰু নামকৰণৰ বিষয়ে জানিব পাৰিলে। এই অংশ মহাভাৰতৰ কাল অৰ্থাৎ সময়ৰ বিষয়ে জানিব পাৰিব।

পাণিনিৰ ব্যাকৰণৰ নাম ‘অষ্টাধ্যায়ী’।

মহাভাষ্য ৰচয়িতা পতঞ্জলি।

মহাভাৰতৰ ৰচনা কাল সম্বন্ধে পণ্ডিতসকলৰ মত বেলেগ বেলেগ। কোনো এক নিৰ্দিষ্ট কালত ইয়াৰ সঙ্কলন আৰম্ভ হৈ শেষ হৈ যোৱা নাই। সাধাৰণতে ইয়াৰ ৰচনা ১০০০ খ্ৰীঃ পূবৰ পৰা ৪০০ খ্ৰীঃ পূবঃ লৈকে এই সুদীৰ্ঘ কাল ধৰা হয়।

১) গুপ্তকালীন চেদি সংবৎ ১৯৭ত (৫০২ বিক্ৰমাব্দত) পোৱা এক শিলালিপিৰ পৰা জনা যায় মহাভাৰত এক লাখ শ্লোকৰ সমষ্টি। গতিকে মহাভাৰতৰ ৰচনা কাল ইয়াতকৈ বহু আগৰ।

২) প্ৰায় বিক্ৰম সংবৎ ৫৩৫ আৰু ৬৩৫ত জাভা আৰু বালি দ্বীপত ‘মহাভাৰত’ অনুবাদ প্ৰাচীনতম, কবি ভাষাত পোৱা যায়। কবি ভাষাত অনুদিত আদি, বিৰাট, উদ্যোগ, ভীষ্ম, আশ্ৰমবাসী, সূষল, মহাপ্ৰস্থানিক আৰু স্বৰ্গাৰোহণ এই আঠটা পৰ্ব আজিও সুৰক্ষিত। ইয়াৰ পৰা অনুমান হয় সাত শতাব্দীলৈকে মহাভাৰতৰ এনেকুৱা কাহিনী পোৱা যায়, যিবোৰ বিদেশত প্ৰচাৰ হয়। ইয়াৰ পিছত মহাভাৰত তিব্বতীয় ভাষালৈ অনুবাদ হয়।

৩) অষ্টাধ্যায়ী ব্যাকৰণত পাণিনিয়ে যুধিষ্ঠিৰ, ভীম, বিদুৰ আদি কুৰুক্ষেত্ৰ যুদ্ধৰ নায়কসকলৰ তথা মহাভাৰত গ্ৰন্থৰ উল্লেখ ব্যাকৰণ সন্মত ব্যুৎপত্তিৰ লগত কৰিছে। পাণিনিৰ স্থিতিকাল খ্ৰীঃপূৰ্বঃ পঞ্চম শতাব্দী। পণ্ডিতসকলে ইয়াৰ পৰা এইটো সিদ্ধান্তত উপনীত হ’ব বিচাৰে যে পাণিনিৰ সময়তে ‘মহাভাৰত’ আছিল। ‘মহাভাষ্য’কাৰ পতঞ্জলিয়েও কুৰুক্ষেত্ৰৰ বৰ্ণনা বহুলভাৱে কৰিছে। পতঞ্জলি ‘অষ্টাধ্যায়ী’ৰ প্ৰামাণিক ভাষ্যকাৰ আৰু পতঞ্জলিৰ সময় ২০০ খ্ৰীঃপূঃ।

৪) কল্পসূত্ৰত ‘মহাভাৰত’ সম্বন্ধে বৰ্ণনা পোৱা যায়। শাঙ্খায়নৰ শ্ৰৌতসূত্ৰতো কুৰুক্ষেত্ৰ যুদ্ধত হোৱা কৌৰৱসকলৰ পৰাজয়ৰ কথা উল্লেখ আছে। আশ্বালায়নৰ গৃহসূত্ৰটো ‘ভাৰত’ আৰু মহাভাৰতৰ নাম বেলেগ বেলেগকৈ উল্লেখ আছে।

'বিষ্ণুসহস্ৰনাম' আৰু শ্ৰীমদ্ ভগৱদ্গীতা' দুয়োখন মহাভাৰতৰেই অংশ। বৌধায়ন গৃহ্যসূত্ৰতো দুয়োখন গ্ৰন্থৰ শ্লোক উদ্ধৃত আছে।

৫) সংস্কৃত নাট্যকাৰ ভাগৰ প্ৰায় ছখন নাটকেই মহাভাৰতৰ দ্বাৰা প্ৰভাৱিত। ভাস কালিদাসতকৈ ৩০০-৪০০ খ্ৰী-পূঃৰ আগৰ ইয়াৰ পৰা এইটো প্ৰতীয়মান হয় যে মহাভাৰতৰ অস্তিত্ব ভাসৰ আগত।

৬) বৈদিক মন্ত্ৰসংহিতাত 'ভাৰত' বা 'মহাভাৰতৰ' উল্লেখ নাই কিন্তু উত্তৰ বৈদিক সাহিত্য ব্ৰাহ্মণ আৰু আ�ৰণ্যক গ্ৰন্থত কুৰু আৰু পাঞ্চাল নামৰ দুটা আয়ুধজীৱি আৰ্যজাতিৰ স্পষ্ট বিৱৰণ পোৱা যায়। এইপ্ৰসংগত কুৰুক্ষেত্ৰ, পৰীক্ষিত জনমেজয় আৰু ভৰত আদি মহাভাৰতৰ নায়কসকলৰ নাম উল্লেখ আছে। মহাভাৰতৰ মূলকথা আৰু ইয়াত বৰ্ণিত কিছুমান আখ্যানৰ ঐতিহাসিক বিশ্লেষণ কৰি ইয়াৰ প্ৰাচীনতা উত্তৰ বৈদিক সাহিত্য বুলি সিদ্ধান্ত কৰিছে।

৭) সুপ্ৰসিদ্ধ দাৰ্শনিক কবি কুমাৰিল ভট্টই নিজৰ ৰচনাৱলীত 'মহাভাৰত'ৰ প্ৰায়বোৰ পৰ্বৰ উদ্ধৃত কৰিছে আৰু ইয়াক ব্যাসৰ দ্বাৰা ৰচিত এখন বিশাল স্মৃতিগ্ৰন্থ হিচাবে উল্লেখ কৰিছে। কুমাৰিলভট্টৰ স্থিতিকাল ৭০০ খ্ৰীষ্টাব্দ। এতেকে দেখা যায়, ৭০০ খ্ৰীঃ পূবৰ আগত মহাভাৰত বৰ্তমান ৰূপত ৰচিত।

৮) গুপ্তকালীন আক প্ৰাচীন শিলালিপিত মহাভাৰতক 'শতসাহস্ৰী সংহিতা' নামেৰে উল্লেখ কৰিছে।

৯) কম্বোডিয়াৰ এক প্ৰাচীন শিলালিপিত মহাভাৰতৰ কথা পোৱা গৈছে। এই শিলালিপি ৬০০ খ্ৰীষ্টাব্দৰ। ইয়াৰ পৰা জনা যায়, ৬০০ খ্ৰীষ্টাব্দলৈকে মহাভাৰতৰ কথা পোৱা গৈছে। এই শিলালিপি ৬০০ খ্ৰীষ্টাব্দৰ। ইয়াৰ পৰা জনা যায়, ৬০০ খ্ৰীষ্টাব্দলৈকে মহাভাৰতৰ যশ-গুণ দেশে-বিদেশে বিস্তাৰিত হৈ পৰিছিল।

১০) মহাভাৰত ৰচনা হয় বদৰিকাশ্ৰমত। ইয়াৰ পিছত ভৃগুবংশীয় ব্ৰাহ্মসকলৰ পৰা খ্ৰীঃপূঃ তৃতীয় শতাব্দীলৈকে সম্পাদিত, পৰিবৰ্তিত আৰু সংশোধিত হৈ বৰ্তমান ৰূপ পাইছে।

৩.৪.২ মহাভাৰতৰ টীকাকাৰ

ইতিমধ্যে আপুনি মহাভাৰতৰ কালৰ বিষয়ে জানিব পাৰিলে। এই অংশত মহাভাৰতৰ ওপৰত ৰচনা কৰা ভাষ্য আৰু ভাষ্যকাৰসকলৰ বিষয়ে জানিব পাৰিব।

মহাভাৰতৰ ওপৰত অনেকে বিবিধ ভাষ্য ৰচনা কৰি গৈছে। তেওঁলোকৰ ভিতৰত সৰ্বজ্ঞনাৰায়ণৰ ভাষ্যকে প্ৰাচীনতম ভাষ্য বুলি জনা যায়। তদুপৰি নীলকণ্ঠ, অৰ্জুনমিশ্ৰ, বেদজ্ঞনাৰায়ণ, বৈশম্পায়ন, চতুৰ্ভুজ, নন্দীকেশৰ, দেৱবোধ, নন্দনাচাৰ্য, পৰমানন্দ ভট্টাচাৰ্য, ৰত্নগৰ্ভ, ব্যাদিৰাজ, শ্ৰীনন্দন, বিমলবোধ, আনন্দপূৰ্ণ, বিদ্যাসাগৰ, ৰামকৃষ্ণ, লক্ষ্মণভট্ট, শ্ৰীনিবাসাচাৰ্য আদিয়ে মহাভাৰতৰ ওপৰত ভাষ্য আৰু টীকা ৰচনা কৰি গৈছে।

৩.৪.৩ মহাভাৰতৰ বিভিন্ন সংস্কৰণ

এই অংশ আপুনি মহাভাৰতৰ বিভিন্ন সংস্কৰণৰ বিষয়ে জানিব পাৰিব—

১) পোন প্ৰথমে ১৮৩৪-৩৯ চনত কলিকতাৰ পৰা খিলপৰ্ব হৰিবংশৰ সৈতে মহাভাৰত প্ৰকাশিত হৈ ওলায়। তাৰ লগত কোনো ভাষ্য প্ৰকাশিত হোৱা নাছিল।

২) ১৮৪০ চন গণপত কৃষ্ণজী সম্পাদিত মহাভাৰতৰ লিথোগ্ৰাফ সংস্কৰণ এটি বোম্বেৰ পৰা প্ৰকাশিত হৈ ওলায়।

৩) ১৮৬৩ চনত 'নীলকণ্ঠী' টীকা সহ মহভাৰতৰ অন্য এটা বৃহৎ সংস্কৰণ বোম্বেৰ পৰা প্ৰকাশ পায়। পিছলৈ ইয়াৰ একাধিক তাঙৰণ ওলায়।

৪) ১৮৫৫-৬০ চন মাদ্ৰাজৰপৰা মহাভাৰতৰ দক্ষিণ ভাৰতীয় পাঠান্তৰৰ প্ৰথম সংস্কৰণটি প্ৰকাশিত হয়। এই সংস্কৰণত হৰিবংশ আৰু নীলকণ্ঠী ভাষ্যও সংযোজিত হয়। গ্ৰন্থখন তেলেগু হৰফত মুদ্ৰিত।

৫) পৰৱৰ্তীকালত বঙালী হৰফত অন্য এটা সংস্কৰণ কলিকতাৰ পৰা প্ৰকাশ পায়।

৬) গোৰক্ষপুৰৰ গীতা প্ৰেছ প্ৰতিষ্ঠানেও হিন্দী অনুবাদসহ এটি সংস্কৰণ প্ৰকাশ কৰে।

৭) মহাভাৰতৰ সমীক্ষাত্মক উত্তম সংস্কৰণ এটা ১৯টা খণ্ডত পুণাৰ ভাণ্ডাৰকাৰ প্ৰাচ্যসংশোধন মণ্ডলে ১৯৩৩-১৯৫৯ ভিতৰত প্ৰকাশ কৰি উলিয়ায়।

উক্ত সংস্কৰণ প্ৰস্তুত কৰা মহান পণ্ডিতসকলৰ ভিতৰত বিণ্টাৰনিট্‌জ, ভি এচ সুকথানকাৰ, এছ কে বেলৱেলকাৰ, পি এল বৈদ্য। ড° আৰ এন দাণ্ডেকাৰ, সুক্‌থানকৰ আদিয়ে প্ৰধান সম্পাদকৰূপে কাৰ্যনিৰ্বাহ কৰি আছে।

৩.৫ মহাভাৰত এখন অনন্য সাধাৰণ ৰচনা

এতিয়া আপুনি মহাভাৰত এখন অনন্য সাধাৰণ ৰচনা এই বিষয়ে জানিব পাৰিব।

মহৰ্ষি ব্যাসদেৱৰ ৰচিত 'মহাভাৰত' এখন মহাকাব্য। ইয়াক 'ইতিহাস' বুলিও কোৱা হয়। মহাভাৰতক এখন অনন্য সাধাৰণ ৰচনা বুলি কোৱা হয়। ইয়াত হিন্দুধৰ্মৰ বিচিত্ৰ আৰু পূৰ্ণচিত্ৰ পোৱা যায়। মহাভাৰতক ইতিহাস গ্ৰন্থ আৰু ধৰ্মশাস্ত্ৰ হিচাবে মানি লোৱা হয়, যাৰ পঠন-পাঠন শ্ৰৱণ-মনন সৰ্বপ্ৰকাৰে মানৱৰ বাবে কল্যাণকাৰক। সাংস্কৃতিক মূল্যও ইয়াৰ যথেষ্ট। শ্ৰীমদ্ভাগৱদ্ গীতা, বিষ্ণু সহস্ৰ নাম, অনুগীতা, ভীষ্মস্তৱৰাজ, গজেন্দ্ৰমোক্ষ আদি আধ্যাত্মিক গ্ৰন্থসমূহ ইয়াৰ পৰাই উৎপত্তি।

মহাভাৰতত দেখা যায় যে ৰামচন্দ্ৰ, নল প্ৰভৃতি প্ৰাচীন ৰজাসকলৰ কাহিনী শুনি ৰজা দ্যুমৎসেনে সান্ত্বনা লাভ কৰিছিল। পুৰাণবিলাকৰ বক্তা যেনেকৈ সূত লোমহৰ্ষন নাইবা তেওঁৰ পুত্ৰ সৌতি উগ্ৰশ্ৰবা, তেনেকৈ মহাভাৰতৰ বক্তাও সূত সঞ্জয়। সঞ্জয়ে গোটেইখন মহাভাৰত ধৃতৰাষ্ট্ৰৰ আগত ব্যক্ত কৰে। মহাভাৰত হৈছে প্ৰকৃত ক্ষত্ৰিয়ৰ। ইতিহাস, জনগণৰ ইতিহাস। জীবনৰ ৰহস্য, পৰিণতি আৰু জীৱনক কিদৰে সমৃদ্ধ আৰু সাৰ্থক কৰিব পাৰি এই সকলোবোৰ

মহাভাৰতে ব্যাখ্যা কৰি দিছে বিভিন্ন কাহিনীৰ মাজেদি। ফলত মহাভাৰতে হৃদয়গ্রাহী হৈছে, জাতি, ধর্ম, বয়স নির্বিশেষে সর্বজন গ্রহণীয় হৈ পৰিছে। ষড়দর্শনৰ মূলনীতিবিলাকৰ ওপৰত ভিত্তি কৰি গোটেইখন মহাভাৰত গঢ়ি উঠিছে। নীতিগ্রন্থ হিচাবে, দর্শন শাস্ত্র হিচাবে আৰু ইতিহাস হিচাবে মহাভাৰতে প্রকৃততে মহান পৰিচয় বহন কৰি আছে। মহাভাৰতৰ উপাখ্যানবিলাকৰ ভিতৰত দুষ্যন্ত শকুন্তলাৰ উপাখ্যান বীর্যগাথাসমূহৰ অন্যতম। পৰৱর্তীকালত মহাকবি কালিদাসে এই উপাখ্যানক অৱলম্বন কৰি 'অভিজ্ঞানশাকুন্তলম্' নাটক ৰচনা কৰে। এই উপাখ্যানৰ দ্বাৰা পতি-পত্নীৰ সম্পর্ক, মানুহৰ জীৱনত পত্নী আৰু পুত্রৰ স্থান, বিবাহবিধি, উত্তৰাধিকাৰ আইন প্রভৃতি বহুতো কথা প্রচাৰ কৰিছিল। সেইদৰে যযাতিৰ উপাখ্যানত যযাতিৰ পুত্র পুৰুক তেওঁৰ জৰা দান কৰি পুৰুৰ যৌৱন গ্রহণ কৰে আৰু বিষয়বাসনা ভোগ কৰে। কিন্তু শেষত তেওঁৰ শিক্ষা হ'ল যে বিষয় ভোগৰ দ্বাৰা বিষয় বাসনাৰ নিবৃত্তি নহয়। ইয়েই হৈছে গল্পৰ শিক্ষা। সেইদৰে নল আৰু দময়ন্তীৰ উপাখ্যান, ৰামোপাখ্যান, বিদুলাৰ উপাখ্যান আদিৰ জৰিয়তে মানৱজাতিক ধর্ম শিক্ষা, নীতিশিক্ষা দিয়া হৈছে। এই নীতিবিলাকক তিনি শ্রেণীত ভগোৱা হৈছে— (১) গল্প (২) দৃষ্টান্ত উপমা (৩) বর্ণনাত্মক নীতি শিক্ষা। ধর্মপৰায়ণ বিদুৰৰ উপদেশাৱলীৰ দৰে তেনে জাতীয় বহুতো আখ্যান পোৱা যায়।

যি নীতিবোধ দৈনন্দিন জীৱনত পতি-পত্নী, পিতা-পুত্র প্রভৃতিৰ মাজতে সদা জাগ্রত থকা উচিত তাকো নানা উপাখ্যানৰ মাজেদি প্রচাৰ কৰা হৈছে। সমগ্র মহাভাৰতত নীতি, ধর্ম আৰু মোক্ষবিষয়ক আলোচনা বিক্ষিপ্ত হৈ পৰিছে। 'নীতি' শব্দটোৰ সাধাৰণ অর্থ ব্যাপক হ'লেও প্রধানকৈ ৰাজনীতিৰ আলোচনাই ইয়াত মুখ্য স্থান গ্রহণ কৰিছে। শান্তিপর্ব, অনুশাসন পর্ব এই জাতীয় আলোচনাৰে পূর্ণ। ভীষ্মপর্বৰ অন্তর্গত গীতাই ভাৰতীয় দর্শন শাস্ত্রসমূহত মোক্ষপ্রাপ্তিৰ যিবিলাক পথ নির্দিষ্ট হৈছে সেই সকলোবোৰক জ্ঞান যোগ আৰু ভক্তিযোগৰ মাজেদি দেখুৱাই দিছে।

শান্তিপর্বৰ আন এটা নাম নাৰায়ণীয়। ই গীতাৰো বহু পিছত মহাভাৰতৰ সৈতে সংযোগ হৈছে। ইয়াৰ ৰচনাশৈলী পুৰাণৰ দৰে। বাল্মীকিৰ দৰে ব্যাসো সংস্কৃত কবিসকলৰ বাবে উপজীব্য। মহাভাৰতৰ উপাখ্যানক অৱলম্বন কৰি পৰৱর্তীকালত কবিসকলে কাব্য, নাটক, গদ্য, পদ্য, চম্পূ আদি ৰচনা কৰে। মহাভাৰতক উপজীব্য কৰি ৰচনা কৰা গ্রন্থসমূহ হ'ল—

নাটক ঃ ১) দূতঘটোৎকচ, ২) দূতবাক্য, ৩) কর্ণভাৰ, ৪) মধ্যমব্যয়োগ, ৫) পঞ্চৰাত্র, ৬) উৰুভঙ্গ, ৭) অভিজ্ঞান শাকুন্তলম্, ৮) বেণীসংহাৰ, ৯) সুভদ্রাধনঞ্জয়, ১০) বালভাৰত, ১১) নৈষধানন্দ, ১২) চিত্রভাৰত, ১৩) ধনঞ্জয়ব্যয়োগ, ১৪) নলবিলাস, ১৫) নির্ভয়ভীম, ১৬) হৰকেলি নাটক, ১৭) পার্থপৰাক্রম, ১৮) ভীমপৰাক্রম, ১৯) সৌগন্ধিকা হৰণ, ২০) ভৈমীপৰিণয়, ২১) নলচৰিত, ২২) সুভদ্রা পৰিণয়।

পদ্যকাব্য ঃ ১) কিৰাতার্জুনীয়ম্, ২) শিশুপালবধম্, ৩) কীচকবধম্, ৪) ভাৰতমঞ্জৰী, ৫) নৈষধচৰিত, ৬) সহৃদয়ানন্দ, ৭) বালভাৰত, ৮) নলভ্যুদয়, ৯) নলোদয়, ১০) যুধিষ্ঠিৰ বিজয়।

চম্পূ ঃ ১) নলচম্পূ, ২) ভাৰতচম্পূ, ৩) দ্রৌপদী পৰিণয়চম্পূ।

মহাভাৰতত চাৰণ, সূত, বিদ্বান, পুৰোহিত আৰু বৈৰাগী সাধু-সন্ন্যাসীৰ বিচিত্রমুখী বাণীসমূহ সংগৃহীত হয়। সেই মিটাৰ ঘৰ, পৰিয়াল আৰু সমাজৰ পৰা আৰম্ভ কৰি নিৰ্জ্জন অৰণ্যলৈকে সকলো কথা একেলগে মহাভাৰত পোৱা যায়। ভাৰতীয় জাতীয় জীৱনৰ বাবে মহাভাৰতখন বিশ্বকোষ স্বৰূপ, য'ত দৰ্শন, ধৰ্ম, পু�ৰাণ, ইতিহাস, স্মৃতি আৰু কাব্য সমাবেশিত হৈছে। পাশ্চাত্য পণ্ডিতসকলো মহাভাৰতৰ গুণত মুগ্ধ। এই মহাকাব্য মহাভাৰত হৈছে ভাৰতৰ দীৰ্ঘকালীন সাহিত্য সাধনাৰ প্রতিনিধি গ্রন্থ আৰু লৌকিক সাহিত্যৰ আধাৰ। প্রাচীন ৰাজনীতি জানিবলৈ হ'লে মহাভাৰতৰ আশ্রয় ল'ব লাগিব। মুঠতে ঐতিহাসিক, ধাৰ্মিক, ৰাজনৈতিকফালৰ পৰা মহাভাৰত এখন গৌৰৱপূৰ্ণ অনন্য সাধাৰণ মহত্বপূৰ্ণ গ্রন্থ।



জানি থোৱা ভাল

মহাকাব্য ঃ মহাকাব্যৰ বৰ্ণনাশৈলী সাধাৰণ কথনভঙ্গীতকৈ বেলেগ। বিষয়বস্তুৰ গাম্ভীৰ্য নিৰ্মাণ কৌশলৰ মহত্ব ৰক্ষা কৰিবলৈকে তাত এক চমৎকাৰ ৰচনাৰীতি প্রয়োগ হয়।

টীকা ঃ কোনো গ্রন্থ বা বিষয়ৰ ওপৰত দিয়া ব্যাখ্যা।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ মহাভাৰতৰ ৰচক কোন?

.....

প্রশ্ন নং ২ঃ মহাভাৰতত কেইটা পৰ্ব আছে? পৰ্বসমূহৰ নাম লিখক?

.....

প্রশ্ন নং ৩ঃ বৰ্তমান মহাভাৰতত শ্লোকৰ সংখ্যা কিমান?

.....

প্রশ্ন নং ৪ঃ মহাভাৰতৰ তিনিটা পৃথক স্তৰ কি কি?

.....

প্রশ্ন নং ৫ঃ মহাভাৰতক কি নামেৰে জনা যায়?

.....

প্রশ্ন নং ৬ঃ 'মহাভাৰত' নামৰ আগতে মহাভাৰতৰ কি কি নাম আছিল?

.....

প্রশ্ন নং ৭ঃ মহাভাৰতৰ কাহিনীক আধাৰৰূপে লৈ ৰচনা কৰা ভাসৰ নাটককেইখনৰ নাম লিখক।

.....

৩.৬ মহাভাৰতৰ প্ৰক্ষিপ্ত অংশ

আপুনি এতিয়া মহাভাৰতৰ প্ৰক্ষিপ্ত অংশৰ বিষয়ে কিছু আভাস পাব—

সমগ্ৰ মহাভাৰত বৰ্তমান যি আকাৰত পোৱা যায় তাত একলাখ শ্লোক আছে। মূল শ্লোকৰ সখ্যা সম্পৰ্কেও মতান্তৰ আছে। মহাভাৰতৰ কোনো ঠাইত 'অষ্টৌশ্লোক শতানি অষ্টৌ সহস্ৰানি' আৰু কোনো ঠাইত 'চতুৰ্বিংশতি সাহস্ৰীসংহিতা', কোনো ঠাইত 'শত সাহস্ৰী সংহিতা' ইত্যাদিৰ উল্লেখ আছে। উক্ত তথ্যৰ ভিত্তিত বহুতে অনুমান কৰে যে মূল মহাভাৰতৰ পৰা বৰ্তমান মহাভাৰত পৰ্যন্ত তিনিটা পৃথক পৃথক স্তৰত সমগ্ৰ ৰচনাৰ ক্ৰমপৰিণতি ঘটিছে। প্ৰথমস্তৰত ৮,৮০০ টা শ্লোক, দ্বিতীয়স্তৰত ২৪,০০০ শ্লোক আৰু অন্তিম স্তৰত ১,০০,০০০ শ্লোক। আদিপৰ্বৰ ভূমিকাত কোৱা হৈছে যে মহাভাৰতৰ কাহিনী তিনিজন ব্যক্তিৰ দ্বাৰা তিনিবাৰ বিবৃত কৰা হৈছে। প্ৰথমে কৃষ্ণদ্বৈপায়ন ব্যাসে নিজ শিষ্য বৈশম্পায়নক শুনায়, দ্বিতীয়বাৰ বৈশম্পায়নে জনমেজয়ৰ নাগযজ্ঞত জনমেজয়ক শুনায়। তৃতীয়বাৰত লোমহৰ্ষণৰ পুত্ৰ সৌতিয়ে শৌনক আদি ঋষিসকলক সেই কাহিনী শুনায়। তৃতীয় কাহিনীয়েই লোকবিশ্ৰুত হয়। অৰ্থাৎ বেদব্যাস ৰচিত বা বৰ্ণিত মূল বা প্ৰাথমিক মহাভাৰত ৮,৮০০ শ্লোকত সম্পূৰ্ণ। বৈশম্পায়নৰ বৰ্ণিত মহাভাৰতত ২৪,০০০ শ্লোকত সম্পূৰ্ণ আৰু তাত অবান্তৰ আখ্যান-উপাখ্যান নাছিল। তাৰ পাছত সৌতিয়ে শ্লোকত পূৰ্বশ্ৰুত কাহিনী বৰ্ণনা কৰে আৰু সেই সৌতি বৰ্ণিত কাহিনীয়েই বৰ্তমান মহাভাৰত। মহাভাৰতৰ ভূমিকাত কোৱা হৈছে যে বেদব্যাসে স্বয়ং তেওঁৰ পাঁচজন শিষ্যক সুমন্ত, জৈমিনি, পৈল, বৈশম্পায়ন আৰু শুকবৰ্ণ মহাভাৰতৰ পাঠ বা আবৃত্তিৰ শিক্ষা দিছিল। তাৰ পাছত শিষ্যসকলে প্ৰত্যেকেই পৃথকভাৱে মহাভাৰত ৰচনা কৰে। উক্ত তথ্যৰ ভিত্তিত অনুমান কৰা যায় যে ব্যাস ৰচিত মূল মহাভাৰতৰ শ্লোকসমূহত পৰৱৰ্তী কালত নানান সময়ত বিবিধ আকাৰত কাহিনী আৰু শ্লোক প্ৰক্ষিপ্ত (সংযোজন) হয় আৰু নানান পৰিবৰ্দ্ধনৰ বাবে বৃদ্ধি হোৱা ব্যাসে ৰচিত গ্ৰন্থৰ বৰ্তমান ৰূপটোক আমি দেখা পাইছো।

মহাভাৰতৰ টীকাকাৰ মধ্বাচাৰ্যই কৈছে যে কোনো ঠাইত প্ৰক্ষেপ, কোনো ঠাইত মূলৰ পৰিত্যক্ত, কোনো ঠাইত ইচ্ছাকৃত কৰি প্ৰক্ষিপ্ত হৈছে। এনেদৰে মূল মহাভাৰতত পৰৱৰ্তী কালত ভালেমান শ্লোক সংযোজন হৈ বৰ্তমান ৰূপটো পাইছেগৈ।

৩.৭ মহাভাৰতত শান্তিপৰ্বৰ স্থান

ইয়াৰ আগতে আপুনি মহাভাৰতৰ প্ৰক্ষিপ্ত অংশৰ বিষয়ে জানিব পাৰিলে। বৰ্তমান আপুনি মহাভাৰতত শান্তিপৰ্বৰ স্থানৰ বিষয়ে জানিব পাৰিব।

মহাভাৰতৰ ১২সংখ্যক পৰ্ব হৈছে শান্তিপৰ্ব। এই পৰ্বত জ্যেষ্ঠ কৰ্ণৰ মৃত্যুৰ পাছত দুঃখিত মহাৰাজ যুধিষ্ঠিৰৰ বৈৰাগ্যৱস্থাৰ শোকাকুল অৱস্থাৰে আৰম্ভ হৈছে। মহাৰাজ যুধিষ্ঠিৰে নিজক ধিক্কাৰ দি সংসাৰ ত্যাগ কৰি সন্যাস ধৰ্মৰে বাকী জীৱন পাৰ কৰিবলৈ বিচাৰে। তেওঁক ভাতৃ ভীম, অৰ্জুন, নকুল, সহদেৱ, ধৰ্মপত্নী দ্ৰৌপদী তথা গুৰুস্থানীয় ব্যাসদেৱ আদিয়ে বুজাবলৈ যত্ন কৰিছে।

ব্যাস মুনিয়ে যুধিষ্ঠিৰক পৰামর্শ দিলে যে এওঁ প্রথমে শাসকৰূপে কর্তব্য পালন কৰিব লাগিব। লগতে কুৰুক্ষেত্র সংগ্রামত শৰশয্যাশায়ী ভীষ্ম পিতামহৰ পৰা জ্ঞান লাভ কৰিব লাগিব। এনে সৎ পৰামর্শ লাভ কৰি যুধিষ্ঠিৰে ৰাজ্যাভিষেক গ্রহণ কৰি পৰিজনসকলৰ লগত ভীষ্ম পিতামহৰ ওচৰলৈ আহে। পিতামহ ভীষ্মই যুধিষ্ঠিৰক যি উপদেশ দিয়ে সেয়াই সম্পূর্ণ শান্তিপর্বৰ বিষয়বস্তু।

প্রথমতে পিতামহ ভীষ্মই যুধিষ্ঠিৰক ৰাজধর্মৰ শিক্ষা দিয়ে। তাৰ পাছত বিপদৰ সময়ত কৰিবলগীয়া কর্তব্যসমূহৰ বিষয়ে কৈ শেষত মোক্ষধর্মৰ উপদেশ দিয়ে। শান্তিপর্বৰ প্রথম দুটা উপপর্বত আচাৰ, ধর্মনীতি আদিৰ বর্ণনা কৰিছে। শেষৰ উপপর্বসমূহত মোক্ষপ্রাপ্তি লাভৰ জ্ঞান আৰু দার্শনিক মতৰ বিশদ বিৱৰণ দিয়ে।

শান্তিপর্বত দুটা ৰূপ স্পষ্টভাৱে দেখিবলৈ পোৱা যায়। আনহাতে মোক্ষ প্রাপ্তিৰ বাবে সন্যাস যিমান সহায়ক সিমান বিশ্বসনীয় মার্গ। স্বধর্মপালন কৰি নিষ্কাম বুদ্ধিৰে গার্হস্থ্য অথবা শাসকৰ দ্বাৰা নিজৰ দায়িত্বপূর্ণ কৰিলেও মুক্তিৰ বাবে পথ সুগম হয়।

শান্তিপর্ব অধ্যয়ন কৰিলে দেখা যায় যে জীৱনটো কেৱল বন্ধনযুক্ত দুঃখেৰে পৰিপূর্ণ। শাৰীৰিক ভোগৰ আসক্তিয়েও মানুহক পতনমার্গলৈ লৈ যায়। সেই কাৰণে সেই দুঃখৰ প্রতি সন্মুখীন হৈ নিজৰ কর্তব্য পালনত অধিক জো�ৰ দিব লাগে।

বৈদিক চিন্তাধাৰাত যদিও চাৰি আশ্রমক মহত্বপূর্ণ বুলি ভৱা হৈছিল তাৰ ভিৰতে গৃহস্থাশ্রমক অধিক মহত্বপূর্ণ স্থান দিয়ে। শান্তিপর্বতো আন আশ্রমসমূহতকৈও গৃহস্থাশ্রমৰ স্থিতি সর্বশ্রেষ্ঠ বুলি জানি লোৱা হয়। এই আশ্রমত থাকি শেষলৈকে কর্মযোগত ৰত হ'ব পাৰি আৰু তাৰ দ্বাৰাই মোক্ষপ্রাপ্তিৰো সম্ভৱ হয়। তদুপৰি গৃহস্থাশ্রমৰ দ্বাৰা ধর্ম, অর্থ, কাম আৰু মোক্ষ এই চাৰিপুৰুষার্থ প্রাপ্ত হয়। মহাভাৰতকাৰ ব্যাসদেৱৰ মতে সেয়ে শ্রেষ্ঠ আশ্রম যাৰদ্বাৰা গৃহস্থী বৃদ্ধাৱস্থা প্রাপ্ত হৈ পুত্রক কর্মসমর্পন কৰি বানপ্রস্থ আৰু সন্যাস ধর্মৰ প্রতি প্রবৃত্ত হ'ব পাৰে।

মহাভাৰতৰ শান্তিপর্বত থকা নীতি সম্বাদৰ উদাহৰণসমূহে অহিংসা তত্ত্বৰ প্রতিপাদন কৰিছে। শত্রুৰ প্রতি প্রেম আৰু আত্ম বলিদানৰ এক অপূর্ব উদাহৰণ দেখুৱাইছে চিকাৰী আৰু কপৌচৰাইৰ কাহিনীৰ জৰিয়তে চিকাৰীৰ হাতত পৰা মাইকী কপৌজনীক বচাবৰ কাৰণে মতা কপৌটোৱে অগ্নিত প্রাণ বিসর্জ্জন দিবলৈ উদ্যত হয়। সেই দৃশ্য দেখি চিকাৰীৰ হৃদয় কাৰুণ্যৰে ভৰি পৰে আৰু এনে বৃত্তি ত্যাগ কৰি সন্যাস ধর্ম গ্রহণ কৰে (শান্তিপর্ব - ১/১৪৩-১৪৭) এনেদৰে পশু-পক্ষীৰ কাহিনীৰে ধর্ম সম্বন্ধিত বহুকথাৰ উল্লেখ আছে।

আচাৰ বা আচৰণৰ বিষয়ে শান্তিপর্বত চোৱা হৈছে যে জ্যেষ্ঠজনক প্রণাম জনোৱা আৰু সন্মান প্রদর্শন কৰোঁতাজনে পৰমায়ু, যশ আৰু সম্পত্তি লাভ কৰে। (শান্তিপর্ব- ১৮৬/১৫)। মানৱৰ সজ আচৰণৰ বিষয়ে শান্তিপর্বত উল্লেখ আছে যে ধর্মাত্মা পুৰুষে দুষ্টতা, লোকপবাদ, মিথ্যাকথন, নিন্দা, ক্রোধ, লোভ, ঈর্ষা আৰু অৱমাননা আদিৰ আলোচনা নকৰে। (শান্তিপর্ব ১৫৪/২২-২৪)। কোনো লোক শ্রদ্ধাৰ পাত্র তেতিয়াহে হয় যিজনে আনৰ মনত ভক্তিভাৱ উৎপন্ন কৰিব পাৰে। মানৱে কোনো প্রকাৰ আচৰণ, চৰিত্র আৰু শীলৰ ওপৰত নির্ভৰ কৰি প্রগতি লাভ কৰিব পাৰে, সেই বিষয়ে শান্তিপর্বত উল্লেখ কৰিছে।

'পৱিত্রতা'ৰ বিষয়ে শান্তিপর্বত বর্ণনা কৰিছে যে সৎ হৃদয়েই সর্বশ্রেষ্ঠ তীর্থ আৰু হৃদয়ৰ

পৱিত্রতাই হৈছে শ্রেষ্ঠতম। আচাৰ-সম্পন্ন ব্যক্তিয়ে আঘাত কৰোতাজনৰ প্রতিশোধ নলয়। মহাভাৰতৰ ঘটনাচক্র শত্রুতাৰ প্রতিশোধ লোৱা হ'লেও ধর্মক প্রতিষ্ঠিত কৰা দেখুৱাইছে।

মহাভাৰতৰ শান্তিপর্বৰ ৰাজধর্ম প্রকৰণত পুৰুষার্থত ওপৰত অধিক গুৰুত্ব দি পিতামহ ভীষ্মই কৈছে যে গুৰু বৃহস্পতিয়ে উদ্যোগ (উদ্যম) আৰু পুৰুষার্থকেই ৰাজধর্মৰ মূল বুলি কৈছে। দেৱতাসকলে নিজৰ উদ্যমৰ বাবেই অমৃত লাভ কৰি অসুৰ বিনাশ কৰিছিল। নিজৰ উদ্যমৰ বাবে ইন্দ্র তিনিওলোকত বিখ্যাত হৈ স্বর্গলোকৰ ৰজা হৈছিল। (শান্তিপর্ব - ৫৮/১৩-১৭)।

মহাভাৰততে পুৰুষার্থৰ বিষয়েও কোৱা হৈছে। পুৰুষার্থ শব্দই ধর্ম, অর্থ, কাম আৰু মোক্ষক বুজায়। এই চাৰিওটাৰে বেলেগ বেলেগ মহত্ব আছে। ইয়াৰে সর্বপ্রথম হৈছে ধর্ম। ধর্ম শব্দৰ বাস্তৱিক অর্থই কেৱল কোনো মন্তব্য অথবা সংস্থাগত ব্যৱস্থা বা অনুশাসনক বুজোৱা নাই। ই এনে অর্থ পোষণ কৰে যিজনে সমাজৰ নীতি-নিয়মক মানি চলে। সেয়াই ধর্মশব্দই বুজায়। 'ধাৰণাদ ধর্মমিত্যাহুঃ'। কোনো সৎ কর্মৰ বাবে যি ধাৰণা হয় সেয়েই ধর্ম। উদাৰতা আৰু মানৱীয়তাৰ আধাৰতে ধর্ম সার্বভৌম হৈ পৰে। ভীষ্ম পিতামহে যুধিষ্ঠিৰক কৈছে যে যি ব্যৱহাৰ নিজৰ বাবে অপ্রিয়, তেনে ব্যৱহাৰ আনৰ প্রতিও প্রিয় নহয়। (শান্তিপর্ব - ২৫৯/২০) সকলোৰে প্রতি সমানতা দেখুৱাটোৱেই হৈছে আত্মদর্শন।

শান্তিপর্বৰ অন্তর্গত মোক্ষধর্ম প্রকৰণত যুধিষ্ঠিৰে ধর্মৰ বিষয়ে সোধাত ভীষ্ম পিতামহে কয় যে বেদ, স্মৃতি, সদাচাৰ এই তিনিটাই হৈছে ধর্মৰ লক্ষণ। প্রয়োজনকো ধর্মৰ চতুর্থ লক্ষণ বুলি মানি লয়। আচাৰ হৈছে ধর্মৰ প্রতি থকা নিষ্ঠা। সেই কাৰণে আচাৰ (আচৰণ) অৱলম্বন কৰিলে ধর্মৰ স্বৰূপ জানিব পাৰি। যিজন ব্যক্তি সদায় সকলোৰে মিত্র আৰু যিজন কায়মন বাক্যে পৰোপকাৰত সংযুক্ত হৈ থাকে তেৱেই প্রকৃত ধার্মিক। (শান্তিপর্ব - ২৫৪/৬, ৯)। মহাভাৰততে যদিও ধর্মানুকূল আচৰণ দেখুৱা হৈছে সি প্রকৃততে সময় সাপেক্ষহে প্রতীত হৈছে। যিদৰে মহাভাৰত যুদ্ধত আচার্য দ্রোণক কোনো প্রকাৰে পৰাজিত কৰিব নোৱাৰাত সত্যবাদী যুধিষ্ঠিৰৰ দ্বাৰা 'অশ্বত্থামা হতঃ' এই বাক্য কোৱাই তেওঁৰ দ্বাৰা অস্ত্র ত্যাগ কৰাইছে। কর্ণৰ ৰথৰ চকা মাটিত সুমুৱাই অর্জুনৰ দ্বাৰা প্রহাৰ কৰোৱা আদি অধর্ম যেন লাগিলেও মহাভাৰততে আপত্তিকালত (বিপদ কালত) অধর্ম আচৰণ অনুচিত হোৱা নাই বুলি প্রতীত হৈছে। মহাভাৰততে ধর্মৰ যি স্বৰূপ কোৱা হৈছে সি জীৱনৰ বাবে লভ্য।

অর্থৰ মহত্ব বিষয়ত শান্তিপর্বত অর্জুনৰ উক্তিত কোৱা হৈছে— অর্থ সিদ্ধিৰ অবিহনে ধর্ম আৰু কাম অপূর্ণ হৈ থাকে। এই পৃথিৱী কর্মভূমি সেইকাৰণে প্রবৃত্তিপৰক কর্মই প্রধান। শান্তিপর্বৰ ৰাজধর্ম প্রকৰণত কোৱা হৈছে যে ৰাজধর্মৰ দৃষ্টিৰে বিচাৰ কৰিলে আনৰ ধনলোৱাটো দোষণীয় নহয়। ৰজাসকলে প্রজাৰ পৰা যি ধন সংগ্রহ কৰে তাৰ দ্বাৰা ৰজাই ৰাজ্যৰ আন কর্মসমূহ সাধন কৰে। ধর্ম, অর্থ আৰু কাম সেৱন কৰা মনুষ্য মধ্যম আৰু তিনিও সেৱন কৰাজনেই উত্তম পুৰুষ।

মহাভাৰতৰ শান্তিপর্বত ধর্ম, অর্থ, কামৰ লগতে চতুর্থ পুৰুষার্থ মোক্ষৰ কথাও বর্ণনা কৰা হৈছে। শান্তিপর্বৰ অন্তর্গত মোক্ষধর্ম প্রকৰণত গুৰু শিষ্য সম্বাদৰ জৰিয়তে জীৱাত্মাক পৰমাত্মাৰ সৈতে পূর্ণ তাদাত্ম্য সম্বন্ধ স্থাপিত কৰাকে মোক্ষ বুলি কোৱা হৈছে। (শান্তিপর্ব - মোক্ষধর্ম অধ্যায়

- ২০৪/২০৬/১৯৪/১৯৬)

আশ্রমৰ সম্বন্ধে য'ত চর্চ্চা হৈছে তাত কেৱল সন্যাস আশ্রমৰ লগতহে মোক্ষৰ সম্বন্ধ স্থাপিত হৈছে। শান্তিপর্বত সনত-সুজাতীয় আখ্যানত সংসাৰ ত্যাগ কৰি বনত বাস কৰি ভগৱানক আৰাধনা কৰিবলৈ নির্দেশ দিছে। এনেদৰে মোক্ষপ্রাপ্তিৰ বাবে য'ত বনবাসৰ উল্লেখ কৰিছে, আনহাতে সেই পর্বতে আকৌ গৃহস্থাশ্রমত গৃহতে বাস কৰি মোক্ষ লাভ কৰিবলৈ পৰামর্শ দিছে। ধর্মানুসাৰে গৃহতে থাকি আশ্রমধর্ম পালন কৰিলেই ইহলোক আৰু পৰলোকত কল্যাণ হয়। 'মোক্ষ'ৰ লগতে যোগ সাধনৰো বিশদ চর্চা হৈছে। এই পর্বৰ ৩১৬ অধ্যায়ত ইন্দ্রিয় আৰু পঞ্চপ্রাণৰ যোগক মুখ্য সাধন বুলি কৈছে।

মহাভাৰতত পুৰুষার্থৰ লগতে ভক্তি আৰু শ্রদ্ধাক সমান গুণযুক্ত বুলি মানি লোৱা হয়। ইয়াত জ্যেষ্ঠজনৰ প্রতি শ্রদ্ধা, সন্মান, পূজা আদি কৰিবলৈ কোৱা আলোচনা পোৱা যায়। শান্তিপর্বত উল্লেখ আছে যে কোনো উদাৰ ব্যক্তিয়ে ভক্তিশ্রদ্ধা ভাৱেৰে দিয়া খাদ্যহে গ্রহণযোগ্য। অশ্রদ্ধাপাপৰ দৰে হয়। শ্রদ্ধাযুক্তলোক পৱিত্র, সাত্ত্বিক, ৰাজসিক আৰু তামসিক এই তিনিগুণৰ ভিতৰত সাত্ত্বিক গুণ গ্রহণীয়। কাৰণ ইয়াৰ দ্বাৰাহে শ্রদ্ধাৰ উদয় হয়। (শান্তিপর্ব - ২৫৬/১০-১৮, ১৬৫/১৩-১৮)

পিতামহ ভীষ্মই যুধিষ্ঠিক কৈছে যে— 'ঈশ্বৰ সম্বন্ধীয় শ্রদ্ধা সূর্যৰ সমান উজ্জ্বল হয়।' (শান্তিপর্ব - ২৬৪/৬-৮) শ্রদ্ধাহীন লোক সোনকালে বিনাশপ্রাপ্ত হয় বুলি কৈছে।

মহাভাৰতকাৰ ব্যাসদেৱে শান্তিপর্বত আচাৰৰ তেৰটা ৰূপ দেখুৱাইছে। সেয়ে হৈছে— সমতা, ইন্দ্রিয় নিগ্রহ, মৎসৰহীনতা, ক্ষমা, লজ্জা, তিতিক্ষা, অনসূয়া, ত্যাগ, ধ্যান, ধৃতি, আর্যত্ব, দয়া আৰু অহিংসা এই সকলোবোৰৰ মাজত অব্যয়, অবিকাৰী আৰু নিত্যতত্ত্বৰ নামেই সত্য। শান্তিপর্বত কোনো এঠাইত ব্রহ্ম, তপ আৰু যজ্ঞক সত্য বুলি কোৱা হৈছে আৰু কোনো এঠাইত কোনো এঠাইত ধর্মক সত্য বুলি কোৱা হৈছে। অর্থাৎ সত্য আৰু ধর্ম এক।

ইন্দ্রিয়দমন আৰু কামনা ত্যাগ আধ্যাত্মিক উন্নতিৰ প্রধান পথ। লোককল্যাণ সম্বন্ধীয় প্রসংগত পিতামহ ভীষ্মই কৈছে যে মহর্ষিসকলৰ দ্বাৰা প্রতিষ্ঠিত ধর্মৰ অনুষ্ঠান কোনো ৰীতিৰ দ্বাৰাহে সম্ভৱ। সেই বিভিন্ন ৰীতিত থকা ইন্দ্রিয় দমন শ্রেষ্ঠ। ইয়াৰ দ্বাৰা ব্যক্তি পাপৰহিত হৈ তেজস্বীতা প্রাপ্ত হৈ মহান ফল লাভ কৰিবলৈ সক্ষম হয়। ইন্দ্রিয় দমনৰ ব্যাখ্যা শান্তিপর্বত প্রত্যক্ষভাৱে পোৱা নাযায়। কিন্তু পৰোক্ষৰূপত মহাভাৰতৰ এঠাইত গীতাৰ ব্যাখ্যা উপলব্ধ হয়। তাত কোৱা হৈছে— সংসাৰ সমুদ্র পাৰ হ'বলৈ ইন্দ্রিয় দমন কৰিব লাগিব। জীৱাত্মা নিজেই নিজৰ শত্রু নিজেই নিজৰ মিত্র। মহাভাৰতে উপনিষদৰ 'তেন ত্যক্তেন ভুঞ্জীথাঃ' অর্থাৎ ত্যাগৰ দ্বাৰাহে ভোগ কৰিব পাৰে। এই সন্দর্ভত পিতামহ ভীষ্মই কৈছে যে ৰাজ্য আৰু সমৃদ্ধি সমাপ্ত হ'ব পাৰে। কিন্তু অকিঞ্চনতা বা ত্যাগৰ সংকট নহয়। যুধিষ্ঠিৰক দিয়া উপদেশসমূহৰ ভিতৰত প্রথম কর্তব্য হৈছে ৰাজ্য পালন কৰা আৰু শেষৰ মূলমন্ত্র হৈছে ত্যাগ। মহাভাৰতৰ শান্তিপর্বত বর্ণিত ত্যাগৰ মহত্ব মানৱজীৱনৰ বাবে অধিক গুৰুত্বপূর্ণ।

এনেদৰে সমগ্র মহাভাৰতত শান্তিপর্ব উল্লেখযোগ্য মহত্বপূর্ণস্থান অধিকাৰ কৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৮ঃ খালী ঠাই পূৰণ কৰক।

(ক) মহাভাৰতত ..... পৰিশিষ্ট ৰূপত যোগ দিয়ে।

প্ৰশ্ন নং ৯ঃ পাণিনিৰ ব্যাকৰণগ্ৰন্থখনৰ নাম কি?

.....

প্ৰশ্ন নং ১০ঃ পতঞ্জলিয়ে ৰচনা কৰা গ্ৰন্থখনৰ নাম কি?

.....

প্ৰশ্ন নং ১১ঃ মহাভাৰতৰ দুজন টীকাকাৰৰ নাম লিখক।

.....

প্ৰশ্ন নং ১২ঃ শ্ৰীমদ্ভাগৱদ্‌গীতা মহাভাৰতৰ কোনটো পৰ্বৰ অন্তৰ্গত?

.....



৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- মহাভাৰতৰ ৰচক আৰু নামকৰণ তিনিটা স্তৰৰ বিষয়ে অৱগত হ'ব পাৰিলে।
- মহাভাৰতৰ কালৰ বিষয়ে ধাৰণা লাভ কৰিলে।
- মহাভাৰতৰ টীকাকাৰসকলৰ নাম জানিলে। লগতে বিভিন্ন সংস্কৰণসমূহৰ বিষয়েও সম্যক জ্ঞান লাভ কৰিলে।
- মহাভাৰতৰ মহত্ব অর্থাৎ মহাভাৰত এখন অনন্য সাধাৰণ ৰচনা এই বিষয়ে জানিব পাৰিলে।
- মহাভাৰতৰ প্ৰক্ষিপ্ত অংশৰ বিষয়ে আৰু মহাভাৰতত শান্তিপৰ্বৰ স্থান এই বিষয়ে বহুতো ধাৰণা লাভ কৰিলে।



৩.৯ অধিক জানিবলৈ

১) ৰয়, পি চি (১৮৯৩-৯৬) 'দি মহাভাৰত অৱ কৃষ্ণদ্বৈপায়ন' ইংৰাজী অনুবাদ, ১৮টা খণ্ড, কলিকতা ঃ।

২) মহাভাৰত (সংস্কৃত) গোৰখপুৰঃ গীতা প্ৰেছ।

৩) বন্দোপাধ্যায় ধীৰেন্দ্ৰ নাথ, 'সংস্কৃত সাহিত্যেৰ ইতিহাস' কলকাতাঃ ৰেষ্ট বেঙ্গল ষ্টেট বুক বৰ্ড।

৪) বৰা ইন্দিৰা শইকীয়া, মহাভাৰত, শান্তিপৰ্ব (১৯১ সংখ্যক অধ্যায়), গুৱাহাটীঃ প্ৰকাশিকা, পাণবজাৰ।

৩.১০ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ বেদব্যাস।

২ নং প্ৰশ্নৰ উত্তৰঃ ওঠৰটা (১৮)।

৩ নং প্ৰশ্নৰ উত্তৰঃ ১,০০০০০ (এক লাখ শ্লোক)।

৪ নং প্ৰশ্নৰ উত্তৰঃ দুই প্ৰকাৰৰ— (১) সৌত ৰচনা, (২) ব্ৰাহ্মণ্য ৰচনা, (৩) যতি শ্ৰমন আৰু ভিক্ষু সম্প্ৰদায়ৰ ৰচনা।

৫ নং প্ৰশ্নৰ উত্তৰঃ শতসাহস্ৰী সংহিতা।

৬ নং প্ৰশ্নৰ উত্তৰঃ জয়, ভাৰত শেষতহে মহাভাৰত নাম পাইছে।

৭ নং প্ৰশ্নৰ উত্তৰঃ ১) দূতঘটোৎকচ, ২) কৰ্ণভাৰ, ৩) উৰুভঙ্গঁ, ৪) দূতবাক্য, ৫) মধ্যমব্যায়োগ, ৬) পঞ্চৰাত্ৰ।

৮ নং প্ৰশ্নৰ উত্তৰঃ হৰিবংশক।

৯ নং প্ৰশ্নৰ উত্তৰঃ অষ্টাধ্যায়ী।

১০ নং প্ৰশ্নৰ উত্তৰঃ মহাভাষ্য।

১১ নং প্ৰশ্নৰ উত্তৰঃ নীলকণ্ঠ, সৰ্বজ্ঞনাৰায়ণ।

১২ নং প্ৰশ্নৰ উত্তৰঃ ভীষ্মপৰ্বৰ।

৩.১১ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ মহাভাৰতৰ প্ৰধান ৰস কি?

প্ৰশ্ন ২ঃ মহাভাৰতত কিমানটা পৰ্ব আছে?

প্ৰশ্ন ৩ঃ বেদব্যাসৰ শিষ্যকেইজনৰ নাম কি কি?

(খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০-৩০০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ মহাভাৰতৰ ৰচক আৰু নামকৰণৰ বিষয়ে লিখক।

প্ৰশ্ন ২ঃ মহাভাৰতৰ কালৰ বিষয়ে টোকা লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ মহাকাব্য মহাভাৰতৰ বিষয়ে লিখক।

প্ৰশ্ন ২ঃ 'মহাভাৰত এখন অনন্য সাধাৰণ ৰচনা' আলোচনা কৰক।

প্ৰশ্ন ৩ঃ মহাভাৰতত শান্তিপৰ্বৰ স্থানৰ বিষয়ে লিখক।

*** ***** ***

অধ্যায় ৪ ঃ মহাভাৰতৰ শান্তিপর্বৰ ১৯১ সংখ্যক অধ্যায়ৰ শ্লোকসমূহৰ (১-১৮) আলোচনা

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য

৪.২ পৰিচয়

৪.৩ শ্লোকসমূহৰ (১-১৮) সংস্কৃত পাঠ

৪.৩.১ শ্লোকসমূহৰ গদ্যপাঠ

৪.৩.২ শ্লোকসমূহৰ শব্দার্থ (সংস্কৃত আৰু অসমীয়া)

৪.৩.৩ শ্লোকসমূহৰ অসমীয়া অনুবাদ

৪.৪ মহাভাৰতৰ শান্তিপর্বৰ ১৯১ সংখ্যক অধ্যায়ৰ শ্লোকসমূহৰ (১-১৮) সাৰাংশ

৪.৫ মহত্বপূর্ণ শ্লোকসমূহৰ ভাৱার্থ

৪.৬ ব্যাকৰণগত টোকা

৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৪.৮ অধিক জানিবলৈ

৪.৯ অগ্রগতিৰ খতিয়ান

৪.১০ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- মহাভাৰতৰ শান্তিপর্বৰ ১৯১ সংখ্যক অধ্যায়ৰ (১-১৮) শ্লোকসমূহৰ মূল পাঠ পঢ়িব পাৰিব
- উল্লেখিত শ্লোকসমূহৰ গদ্য পাঠো লগতে অধ্যয়ন কৰিব পাৰিব
- শ্লোকসমূহৰ শব্দার্থ জানিব পাৰিব আৰু অসমীয়া অনুবাদৰ বিষয়েও অৱগত হ'ব পাৰিব
- শান্তিপর্ব ১৯১ সংখ্যক অধ্যায়ৰ ১-১৮ শ্লোকৰ সাৰাংশৰ বিষয়ে জানিব পাৰিব
- কেইটামান লাগতিয়াল শ্লোকৰ ভাৱার্থ অধ্যয়ন কৰিব পাৰিব
- কিছুমান শব্দৰ ব্যাকৰণগত টোকাও জানিবলৈ সমর্থ হ'ব।

৪.২ পৰিচয়

ইতিমধ্যে আপুনি আগৰ অধ্যায়ত মহাভাৰতৰ সাধাৰণ আলোচনা কৰিলে লগতে শান্তিপর্বৰ বিষয়েও জানিব পাৰিলে। মহাভাৰত ৰচয়িতা ব্যাসদেৱ। ধীৱৰ (মাছমৰীয়া) কন্যা সত্যৱতীৰ ৰূপত মুগ্ধ হৈ ভৰত বংশৰ ৰজা শান্তনুৱে তেওঁক বিবাহ কৰে। সত্যৱতীৰ পুত্র

কৃষ্ণদ্বৈপায়ন। তেওঁক বেদব্যাস বুলিও জনা যায়। শাসক ভাৰতযুদ্ধৰ কাহিনী মহাভাৰতত বৰ্ণনা কৰিছে। শ্লোকসমূহৰ সংস্কৃত পাঠৰ লগতে গদ্যপাঠো যুগুতোৱা হ'ব। অসমীয়া অনুবাদ আৰু (১-১৮) শ্লোকসমূহৰ সাৰাংশ জানিব পাৰিব। কেইটামান মহত্বপূৰ্ণ শ্লোকৰ ভাৱার্থও জানিব পাৰিব আৰু ব্যাকৰণগত টোকাও এই অধ্যায়ত অধ্যয়ন কৰিবলৈ সমর্থ হ'ব।

৪.৩ মহাভাৰতৰ শান্তিপৰ্বৰ ১৯১ সংখ্য অধ্যাৰ (১-১৮) শ্লোকৰ সংস্কৃত পাঠ

ইতিমধ্যে আপুনি মহাভাৰতৰ শান্তিপৰ্বৰ বিষয়ে এটি থুলমূল ধাৰণা লাভ কৰিছে। এতিয়া আপোনাৰ পাঠ্যক্রমত থকা শ্লোকসমূহৰ (১-১৮) মূল সংস্কৃত পাঠ অধ্যয়ন কৰিবলৈ পাব। শ্লোকসমূহ তলত দিয়া হ'ল—

ভৰদ্বাজ উবাচ

দানস্য কিং ফল প্রাহুধর্মস্য চৰিতস্য চ।
তপসশ্চ সুতপ্তস্য স্বাধ্যায়স্য হুতস্য বা ।। ১।।

ভৃগুৰুবাচ

হুতেন শাম্যতে পাপং স্বাধ্যায়ৈঃ শান্তিৰুত্তমা।
দানে ভোগানিত্যাহুস্তপসা স্বর্গমাপ্নুয়াত্ ।। ২।।

হুতেন = অগ্নিহোত্র যজ্ঞ কৰিলে পাপ নাশ হয়।

ভৃগুৰুবাচ

দানং তু দ্বিবিধং প্রাহুঃ পৰত্রার্থমিহৈব চ।
সদ্ভয়ো য়দ্ দীয়তে কিঞ্চিত্ তত্পৰত্রোপতিষ্ঠতে ।।৩।।
অসদ্ভয়ো দীয়তে য়ত্তু তদ্ দানমিহ ভূজ্যতে।
য়াদৃশং দীয়তে দানং তাদৃশং ফলমশ্নুতে ।। ৪।।

দানং দান দুই প্রকাৰৰ - ঐহিক আৰু পাৰলৌকিক।

ভৰদ্বাজ উবাচ

কিং কস্য ধর্মাচৰণং কিং বা ধর্মস্য লক্ষণম্।
ধর্মঃ কতিবিধো বাপি তদ্ভবান্ বক্তুমর্হতি ।। ৫।।

ভৃগুৰুবাচ

স্বধর্মাচৰণে যুক্তা য়ে ভৰন্তি মনীষিণঃ
তেষাং স্বর্গফলাবাপ্তির্য়োহন্যথা স বিমুহ্যতে।। ৬।।

ভৰদ্বাজ উবাচ

য় দেতশ্চাতুৰাশ্রম্যং ব্রহ্মার্ষিবিহিতং পুৰা।
তেষাং স্বে স্বে সমাচাৰাস্তান্ মে বক্তুমিহার্হমি ।। ৭।।

ভৃগুৰুবাচ

পূর্বমেৰ ভগৱতা ব্রহ্মণা লোকহিতমনুতিষ্ঠতা।
ধর্মসংৰক্ষণার্থমাশ্রসাশ্চত্বারো অভিনির্দিষ্টাঃ।
তত্র গুৰুকুলবাসমেৰ প্রথমমাশ্রমমুদাহৰন্তি।



ত্রিষবণ = তিনিবাৰকৈ গা ধুব লাগে।

সম্যগ্ যত্র শৌচসংস্কাৰ নিয়ম ব্রতবিনিয়তাত্মা
উভে সন্ধ্যে ভাস্কৰাগ্নিদৈৱতান্যুপস্থায়
বিহায় তন্দ্রালস্যে গুৰোৰভিবাদন বেদাভ্যাস
শ্রৱণ পৰিত্রীকৃতান্তৰাত্মা **ত্রিষবর্ণ**মুপস্পৃশ্য
ব্রহ্মচর্যাগ্নিপৰিচৰণ গুৰুশুশ্রূষানিত্য ভিক্ষা ভৈক্ষাদি
সর্বনিবেদিতান্তৰাত্মা গুৰুবচননির্দেশানুষ্ঠানাপ্রতি কূলো গুৰুপ্রসাদলব্ধ **স্বাধ্যায়** তত্পৰঃ স্যাত্।। ৮।।



স্বাধ্যায় = বেদাধ্যয়ন

ভৃগুৱুবাচ

ভৱতি চাত্র শ্লোক ঃ
গুৰুংয়স্তু সমাৰাধ্য দ্বিজো বেদমবাপ্নুয়াত্।
তস্য স্বর্গফলাবাপ্তিঃ সিদ্ধ্যতে চাস্য মানসমিতি।। ৯।।



গার্হস্থ্য = দ্বিতীয় আশ্রম।

ভৃগুৱুবাচ

গার্হস্থ্যং খলু দ্বিতীয়মাশ্রমং বদন্তি। তস্য সমুদাচাৰলক্ষণং সর্বমনুব্যাখ্যাস্যাম ঃ। সমাবৃত্তানাং সদাচাৰাণাং সহধর্মচর্যফলার্থিনা গৃহাশ্রমো বিধীয়তে। ধর্মার্থকামাবাপ্তির্হ্যত্র ত্রিবর্গসাধন মপেক্ষ্যাগর্হিতেন কর্মনা ধনান্যাদায় স্বাধ্যায়োপলব্ধ প্রকর্ষেণ বা ব্রহ্মর্ষিনিমিত্তেন বা অদ্রিসাৰগতেন বা। হব্যকব্যনিয়মাভ্যাসদৈৱত প্রসাদোপলব্ধেন বা ধনেন গৃহস্থো গার্হস্থ্যং বর্তয়েত্। তদ্ধি সর্বাশ্রমানাং মূলমুদাহৰন্তি। গুৰুকুলনিবাসিনঃ পৰিব্রাজকা য়ে চান্যে সঙ্কল্পিত ব্রতনিয়মধর্মানুষ্ঠায়িনস্তেষামপ্যত এৱ ভিক্ষাবলি সংবিভাগাঃ প্রৱর্তন্তে।। ১০।।

ভৃগুৱুবাচ

বানপ্রস্থানাং চ দ্রব্যোপস্কাৰ ইতি প্রায়শঃ খল্বেতে সাধৱঃ
সাধু পথ্যৌদনাঃ স্বাধ্যায় প্রসঙ্গিনস্তীর্থাভিগমন দেশদর্শনার্থং
পৃথিৱী পর্যটন্তি, তেষাং প্রত্যুত্থানভিগমনাভিবাদ্নান
সূয়বাক্ প্রদানসুখ শক্ত্যাসন সুখশয়নাভ্য বহাৰসৎক্রিয়া চেতি ।। ১১।।

ভৃগুৱুবাচ

ভৱতি চাত্র শ্লোক ঃ
অতিথির্যস্য ভগ্নাশো গৃহাত্ প্রতিনিৱর্ত্ততে।
স দত্ত্বা দুস্কৃতং তস্মৈ পুণ্যমাদায় গচ্ছতি ।। ১২।।



আদায় = আ-দা+ল্যপ্

ভৃগুৱুবাচ

অপি চাত্র যজ্ঞক্রিয়াভিদৈৱতাঃ প্রীয়ন্তে। নিবাপেন
পিতৰৌ বিদ্যাভ্যাসশ্রৱণধাৰণেন ঋষয়ঃ। অপত্যোত্পাদনেন প্রজাপতিৰিতি ।। ১৩।।

ভৃগুৱুবাচ

শ্লোকৌ চাত্র ভৱতঃ
বাৎসল্যাত্সর্বভূতেভ্যো বাচ্যাঃ শ্রোতসুখা গিৱঃ।

পৰিতাপোপঘাতশ পাৰুষ্যং চাত্র গর্হিতম্ ।। ১৪।।

ভৃগুৰুবাচ

অজ্ঞানমহঙ্কাৰো দম্ভশ্চৈৰ বিগর্হিতঃ।
অহিংসা সত্যমক্রোধঃ সর্বাশ্চমগতং তপঃ ।। ১৫।।

ভৃগুৰুবাচ

অপি চাত্র মাল্যাভৰণবস্ত্রাভ্যঙ্গ নিত্যোপভোগ নৃত্যগীতবাদিত্র
শ্রুতিসুখনয়নাভিৰাম দর্শনানাং প্রাপ্তির্ভক্ষ্যভোজ্য লেহ্যপেয়
চোষ্যানামভ্যবহার্যানাং বিবিধানামুপভোগঃ স্ববিহাৰ
সন্তোষঃ কামসুখাবাপ্তিৰিতি ।। ১৬।।

ভৃগুৰুবাচ

ত্রিবর্গগুণনির্বৃত্তির্যস্য নিত্যং গৃহাশ্রমে।
স্বসুখান্যনুভূয়েহ শিষ্টানাং গতিমাপ্নুয়াত্ ।। ১৭।।

ভৃগুৰুবাচ

উঞ্ছবৃত্তির্গৃহস্থো যঃ স্বধর্মাচৰণে ৰতঃ।
ত্যক্তকামসুখাৰম্ভঃ স্বর্গস্তস্য ন দুর্লভঃ ।। ১৮।।

ভৃগুৰুবাচ

ইতি শ্রীমহাভাৰতে শান্তিপর্বণি মোক্ষধর্মপর্বণি ভৃগুভৰদ্বাজ
সংবাদে একনৱত্যধিকশততমো অধ্যায়ঃ ।। ১৯১।।



পাৰুষ্যং = কর্কশ বাক্য।

ত্রিবর্গ = ধর্ম, অর্থ, কাম।

উচ্ছবৃত্তি = শস্য আহৰণ কৰি জীৱিকা নির্বাহ কৰা লোক।

জানি থোৱা ভাল

ভাৰতীয় সংস্কৃতিৰ বিশাল ৰূপ হ'ল মহাভাৰত। পঞ্চম বেদ হিচাবে খ্যাত এই গ্রন্থৰ মহত্বৰ বাবে এই গ্রন্থখন 'মহাভাৰত' বুলি জনাজাত। মহাভাৰতৰ ৰচয়িতা কৃষ্ণদ্বৈপায়ন-বেদব্যাস। বেদমন্ত্রৰ সঙ্কলক আৰু বিভাজয়িতা হিচাবে তেওঁৰ নাম বেদব্যাস। প্রাচীন কাহিনী অনুসাৰে পৰাশৰ সত্যৱতীৰ পুত্র কৃষ্ণদ্বৈপায়ন। সত্যৱতীয়ে যমুনাৰ কোনো এটি দ্বীপত সন্তান জন্ম দিয়ে, সেই কাৰণে দ্বৈপায়ন ৰখা হয় আৰু শৰীৰৰ ৰৱণ কৃষ্ণ বা ক'লা হোৱাৰ বাবে কৃষ্ণ। মহাভাৰতৰ ১৮টা পর্ব। শান্তিপর্ব হৈছে ১২ সংখ্যক পর্ব। শান্তিপর্বত ৩২৯ টা অধ্যায়। ১৪,৭৩২ টা শ্লোক আছে।

৪.৩.১ শ্লোকসমূহৰ (১-১৮) গদ্যপাঠ

এতিয়া আপুনি ওপৰত উল্লিখিত মহাভাৰতৰ শান্তিপর্বৰ ১৯১ সংখ্যক অধ্যায়ৰ শ্লোকসমূহৰ (১-১৮) গদ্যপাঠ পঢ়িবলৈ পাব। এই অংশত শ্লোকসমূহৰ গদ্যৰূপত সন্ধিভাঙি দেখুওৱা হৈছে।

গদ্যপাঠ ১ ঃ প্রাহু, দানস্য কিং ফলং ধর্মস্য চৰিতস্য চ
তপসঃ চ সুতপ্তস্য স্বাধ্যয়স্য বা হুতস্য।

গদ্যপাঠ ২ ঃ ইতি আহুঃ - হুতেশাম্যতে পাপং স্বাধ্যায়ৈ শান্তিঃ
উত্তমা, দানেন ভোগান্, তপসা স্বর্গমাপ্নুয়াত্।

গদ্যপাঠ ৩ ঃ দানং তু দ্বিবিধ ঃ প্রাহু, পৰত্রার্থম্ ইহৈব
চ, সদ্ভ্যো য়দ্ দীয়তে কিঞ্চিত্ তত্ পৰত্র উপতিষ্ঠতে

গদ্যপাঠ ৪ ঃ অসদ্ভ্যো দীয়তে য়ত্তু তদ্ দানম্ ইহ ভুজ্যতে,
দানং য়াদৃশং দীয়তে তাদৃশং ফলম্ অশ্নুতে।

গদ্যপাঠ ৫ ঃ কিম্ কস্য ধর্মআচৰণম্, কিং বা ধর্মস্য
লক্ষণম্, ধর্মঃ কতিবিধ বা অপি।

গদ্যপাঠ ৬ ঃ স্ব ধর্ম আচৰণে যুক্তা তে ভৱন্তি মনীষিণঃ,
তেষাং স্বর্গফলম্অবাপ্তি য়ো অন্যথা স বিমুহ্যতে।

গদ্যপাঠ ৭ ঃ এতদ্ চতুৰাশ্রম্যং য়দ ব্রহ্মর্ষি বিদিতং পুৰা।
তেষাং স্বে স্বে সমাচাৰাঃ তান্ মে বক্তুম্ ইহা অর্হসি।

গদ্যপাঠ ৮ ঃ পূর্বমেৰ ভগৱতা ব্রহ্মণা লোকহিতমনুতিষ্ঠতা ধর্ম সংৰক্ষণার্থম্ আশ্রমচত্বাৰো অভি নির্দিষ্টাঃ। তত্র গুৰুকুল বাসমেৰ প্রথমম্ আশ্রম্ উদাহৰন্তি। সম্যগ্ য়ত্র শৌচ সংস্কাৰ নিয়ম ব্রতবিনিয়তাত্মা উভেসন্ধ্যে ভাস্কৰ অগ্নিদেৱতান্ উপস্থায় বিহায় তন্দ্রা আলস্যে গুৰুৰ অভিবাদন বেদ অভ্যাস শ্রবণ পৰিত্রী কৃত অন্তৰাত্মা ত্রিষবণম্ উপস্পৃশ্য ব্রহ্মচর্য অগ্নি পৰিচৰণ গুৰু শুশ্রুষাণ্ ইতি ভিক্ষা ভৈক্ষ আদি সর্বনিবেদিতান্তৰাত্মা গুৰুৱচননির্দেশান্ অনুষ্ঠান্ প্রতিকূলো গুৰুপ্রসাদলব্ধস্বাধ্যায় তত্ পরঃ স্যাত্।

গদ্যপাঠ ৯ ঃ ভৱতি চ অত্র শ্লোকঃ
গুৰুং য়ত্ তু সম্ আৰাধ্য দ্বিজঃ বেদম্
আপ্নুয়াত্, তস্য স্বর্গফলম্ অবাপ্তিঃ সিদ্ধ্যতে চ অস্য মানসম্ ইতি।

গদ্যপাঠ ১০ ঃ গার্হস্থ্যং খলু দ্বিতীয় আশ্রমং বদন্তি। অস্য সমুদাচাৰ লক্ষণং সর্বমনুষ্য ব্যাখ্যাসামঃ। সমাবৃত্তানং সদাচাৰানাং সহধর্মচর্যফলার্থিনা গৃহাশ্রমো বিধীয়তে। ধর্ম-অর্থ-কাম অবাপ্তি হি র্যত্র ত্রিবর্গসাধন অপেক্ষ্যয়া গর্হিতেন কর্মনা ধনান্ আদায় স্বাধ্যায় উপলব্ধ প্রকর্ষেণ বা ব্রহ্মর্ষিনির্মিতেন বা অদ্রিসাৰ গতেনবা। হব্য-কব্য নিয়ম অভ্যাস দৈৱত প্রসাদ উপলব্ধেন বা ধনেন গৃহস্থো গার্হস্থ্যং বর্ত্তয়েত্। তদ্ধি সর্ব আশ্রমানাং মূলম্ উদাহৰন্তি। গুৰুকুলনিবাসিনঃ পৰিব্রাজকা য়ে চ অন্যে সংকল্পিত ব্রত নিয়ম ধর্ম অনুষ্ঠায়িনঃ তেষাম্ অপি যত এৰ ভিক্ষা বলি সংবিভাগাঃ প্রৱর্ত্তন্তে।

গদ্যপাঠ ১১ ঃ বানপ্রস্থানাং চ দ্রব্য উপস্কাৰ ইতি প্রায়শঃ খলু এতে সাধৱঃ সাধুপথ্য ওদনাঃ স্বাধ্যায় প্রসঙ্গিনঃ তীর্থ অভিগমন দেশ-দর্শনার্থং পৃথিৱীং পর্যটন্তি। তেষাং প্রতুত্থান অভিগমন অভিবাদন অনসূয় বাক্ প্রদান সুখ শক্ত্যা আসন সুখ শয়নাভ্য ব্যৱহার সৎক্রিয়া চ ইতি।

গদ্যপাঠ ১২ ঃ ভৱতি চ অত্র শ্লোকঃ

য়স্য অতিথি ভগ্ন আশা গৃহাত্ প্রতিনিবর্ত্ততে স তস্মৈ দত্বা দুঃকৃতঃ পুণ্যমাদায় গচ্ছতি।

গদ্যপাঠ ১৩ ঃ অপি চ - অত্র য়জ্ঞক্রিয়াভিঃ দৈৱতঃ প্রীয়ন্তে।

পিতরৌ নিবাপেন, বিদ্যা অভ্যাস শ্রৱণ ধাৱণেন
ঋষয়ঃ প্রজাপতিঃ অপত্য উৎপাদনেন ইতি।

গদ্যপাঠ ১৪ ঃ শ্লোকৌ চ অত্র ভৱতঃ

শ্রোত সুখা গিৱঃ বাচ্যা বাৎসল্যাত্ সর্বভূতেভ্যঃ,
পাৰুষ্যং পৰিতাপ উপঘাতঃ চ অত্র গর্হিতং চ।

গদ্যপাঠ ১৫ ঃ অৱজ্ঞান, অহঙ্কাৰ দম্ভঃ চ এৱ বিগর্হিতঃ,

অহিংসা, সত্যম্, অক্রোধঃ সর্বআশ্রমগতং তপঃ।

গদ্যপাঠ ১৬ ঃ অপি চ অত্র মাল্য আভৱণ বস্ত্রভ্য অঙ্গ

নিত্য উপভোগ, নৃত্য, গীতৰ আদি শ্রুতিসুখ নয়নাভিৱাম দর্শনাং বিবিধান্ উপভোগঃ। কাম সুখম্ অবাপ্তিৰ ইতি স্ব বিহাৰ সন্তোষঃ।

গদ্যপাঠ ১৭ ঃ য়স্য গৃহাশ্রমে ত্রিবর্গ নিবৃত্তিঃ স সুখান্

অনুভূয় ইহ শিষ্টানাং গতিঃ আপ্নুয়াত্।

গদ্যপাঠ ১৮ ঃ য়ঃ স্বধর্মচৱণে ৱতঃ উঞ্ছবৃত্তি গৃহস্থো ত্যক্ত কাম-সুখ আৱন্ত ঃ তস্য স্বর্গ ন দুর্লভঃ।



জানি থোৱা ভাল

মহাভাৰতৰ শান্তিপৰ্বৰ ১৯১ সংখ্যক অধ্যায়ত চাৰি আশ্রমৰ বিশদ আৰু মহত্বপূর্ণ বিশ্লেষণ পোৱা যায়। আয়ুস আৰু কর্তব্যৰ দৃষ্টিৰে আশ্রম ব্যৱস্থাসমূহ হৈছে— ব্রহ্মচর্য, গার্হস্থ্য, বানপ্রস্থ আৰু সন্যাস মহাভাৰতৰ শান্তিপর্বত ব্রহ্মচর্য আশ্রমক বিদ্যাঅধ্যয়নৰ লগত সম্পর্কিত বুলি কোৱা হৈছে। ব্রহ্মচাৰীসকলে বেদমন্ত্রৰ ৰূপ আৰু প্রাতঃ সন্ধ্যা অগ্নি প্রজ্বলিত কৰি হোম কৰিব লাগে। মন আৰু ইন্দ্রিয়ক নিয়ন্ত্রিত কৰি বেদৰ স্বাধ্যায় কৰিব লাগে। ব্রহ্মচাৰীসকলৰ বাবে মাতৃ-পিতৃ আৰু গুৰুক তিনিলোক বুলি কোৱা হৈছে। তেওঁলোকেই তিনিবেদ, তিনি আশ্রম। যদি এই তিনিওকে নিয়মতে সেৱা কৰে অর্থাৎ শৌচ, সংস্কাৰ, ব্রত, নিয়ম আদিৰে শ্রদ্ধা কৰিলে যশস্যা লাভ হয় আৰুউত্তমলোক পাবলৈ সমর্থ হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ মহাভাৰতৰ শান্তিপর্বৰ অন্তর্গত ১৯১ সংখ্যক অধ্যায়টোৰ নাম কি?

.....

প্রশ্ন নং ২ঃ হোম কৰিলে কি হয়?

.....

প্রশ্ন নং ৩ঃ বেদ অধ্যয়ন কৰিলে কি লাভ হয়?

.....

প্রশ্ন নং ৪ঃ দান কেইপ্রকাৰৰ আৰু কি কি?

.....

প্রশ্ন নং ৫ঃ স্বধর্ম পালন কৰিলে কি লাভ হয়?

.....

প্রশ্ন নং ৬ঃ 'স্বাধ্যায়' বুলিলে কি বুজায়?

.....

প্রশ্ন নং ৭ঃ মহাভাৰতৰ অন্তর্গত শান্তিপর্বৰ ১৯১সংখ্যক অধ্যায়ৰ শ্লোকৰ সংখ্যা কিমান?

.....

প্রশ্ন নং ৮ঃ মহাভাৰতৰ শান্তিপর্বৰ ১৯১সংখ্যক অধ্যায়ৰ তিনি (৩) নং শ্লোকটো মুখস্থ লিখক।

.....

৪.৩.২ মহভাৰতত শান্তিপর্বৰ ১৯১ সংখ্যক অধ্যায়ৰ শ্লোকসমূহৰ (১-১৮) শব্দার্থ (সংস্কৃত আৰু অসমীয়া)

ইতিমধ্যে আপুনি মহভাৰতৰ অন্তর্গত শান্তিপর্বৰ ১১৯ সংখ্যক অধ্যায়ৰ শ্লোকসমূহৰ (১-১৮) মূল সংস্কৃত পাঠ পঢ়িলে লগতে গদ্য পাঠসমূহো অৱগত হৈছে। এতিয়া উক্ত শ্লোকসমূহৰ শব্দবিলাকৰ সংস্কৃত আৰু অসমীয়া অর্থ জানিবলৈ সমর্থ হ'ব।

শ্লোক ১ ঃ ভৰদ্বাজউবাচ- (ভৰদ্বাজে ক'লে) হে মহাত্মন।
দানস্য কিং ফলম্ (দান কৰিলে কি ফল পোৱা যায়, ধর্মস্য চৰিতস্য চ (ধর্ম আৰু আচাৰৰ পৰা কি ফল লাভ হয়), তপসশ্চ সুততপস্য স্বাধ্যায়স্য হুতস্য বা (তপস্যা, বেদ অধ্যয়ন আৰু হোম কৰিলে কি ফল পোৱা যায়), প্রাহু (কওক)।

শ্লোক ২ ঃ ভৃগুৰুবাচ (ভৃগুৱে ক'লে) দ্বিজবৰ।
হুতেন শাম্যতে পাপং (হোম কৰিলে পাপ নাশ হয়), স্বাধ্যায়ৈঃ শান্তিৰুত্তমা

(বেদ অধ্যয়ন কৰিলে শান্তি লাভ হয়), দানেন ভোগান্ (দান কৰিলে ভোগ কৰিবলৈ পায়), স্তপসা স্বর্গমাপ্নুয়াত্ (তপস্যাৰ দ্বাৰা স্বর্গলাভ হয়), ইত্যাহুঃ (এনেদৰে ক'লে)।

শ্লোক ৩ঃ দানং তু দ্বিবিধং প্রাহুঃ (দান দুই প্রকাৰৰ বুলি কোৱা হৈছে), পৰত্রার্থমিহৈৰ চ (ঐহিক আৰু পাৰলৌকিক), সদ্ভ্যো য়দ্ দীয়তে কিঞ্চিত্ তত্পৰত্রোপতিষ্ঠতে (সৎপাত্রত দান কৰিলে পাৰলৌকিক সুখ হয়)।

শ্লোক ৪ঃ অসদ্ভ্যো দীয়তে য়ত্তু তদ্ দানমিহভুজ্যতে (অসৎ পাত্রত দান কৰিলে ঐহিক অর্থাৎ পার্থিৱ সুখ লাভ হয়। য়াদৃশং দীয়তে দানং (যেনেদৰে দান কৰা হয়), তাদৃশং ফলম্ অশ্নুতে (তেওঁ তেনেধৰণৰ ফল পায়।)

শ্লোক ৫ঃ ভৰদ্বাজ উবাচ (ভৰদ্বাজে ক'লে), মহর্ষি।

কিং কস্য ধর্মাচৰণং (কোনে কেনেধৰণৰ ধর্ম আচৰণ কৰা উচিত?), কিং বদ, ধর্মস্য লক্ষণম্ (ধর্মৰ লক্ষণেই বা কি?), ধর্মঃ কতিবিধঃ (ধর্ম কেইপ্রকাৰৰ?) বাপি তদ্ভৱান্ বক্তুমর্হতি (অনুগ্রহ কৰি মোক বুজাই কওঁক)।

শ্লোক ৬ঃ ভৃগুৰুবাচ (ভৃগুৱে ক'লে)

স্বধর্মাচৰণে যুক্তা যে ভৱন্তি মনীষিণ ঃ (মনীষিসকলে কয়, স্বধর্ম পালন কৰিলে), তেষাং স্বর্গফলাবাপ্তি (তেওঁৰ স্বর্গ লাভ হয়), যো অন্যথা স বিমুহ্যতে (যিলোকে তাৰ অন্যথা কৰে তাক মূর্খ বুলিব পাৰি)।

শ্লোক ৭ঃ ভৰদ্বাজ উবাচ (ভৰদ্বাজে ক'লে) মহাত্মন।

য়দেতশ্চাতুৰাশ্রাম্যং ব্রহ্মর্ষিবিহিতং পুৰা (প্রাচীন কালত মহর্ষিসকলে চাৰি আশ্রমৰ কাৰণে কি ধৰণৰ ধর্ম নিৰূপণ কৰিছিল), তেষাং স্বে স্বে সমাচাৰেস্তান্ (সেই ধর্ম পালন কৰিবলৈ, কি কি আচৰণ কৰিবলৈ নির্দেশ দিছিল) মে বক্তুমিহার্হমি (সেই সকলোবিলাক বর্ণনা কৰক)।

শ্লোক ৮ঃ ভৃগুৰুবাচ (ভৃগুৱে ক'লে) ব্রহ্মণ্।

পূর্বমেৰ ভগৱতা ব্রহ্মণা লোকহিতমনুতিষ্ঠতা ধর্মসংৰক্ষনার্থমাশ্রমাশ্চত্বাৰোভিনির্দিষ্টাঃ (আদিতে ভগৱান ব্রহ্মাই প্রজাসকলৰ হিতৰ বাবে আৰু ধর্মৰক্ষাৰ কাৰণে চাৰি আশ্রম নির্ধাৰিত কৰি গৈছে), তত্র গুৰুকুলবাসমের প্রথমমাশ্রমমুদাহৰন্তি (ইয়াৰ ভিতৰত প্রথম আশ্রম হৈছে ব্রহ্মচর্যাশ্রম। এই ব্রহ্মচর্যাশ্রমবাসী ছাত্রসকল গুৰুৰ লগত পৰিত্রভাৱে বাস কৰিব লাগে), সম্যগ্ য়ত্র শৌচসংস্কাৰ নিয়ম ব্রতবিনিয়তাত্মা (তেওঁলোক সংস্কাৰসম্পন্ন হ'ব লাগে, বিনয়, নিয়ম আৰু ব্রত পালন কৰি সংযমী হ'ব লাগে), উভেসন্ধ্যে ভাস্কৰাগ্নিদৈৱতান্ধ্যপস্থায় (তেওঁলোকে প্রতিদিনে ৰাতিপুৱাতে সূর্যোপাসনা আৰু গধূলি অগ্নিৰ

উপাসনা কৰিব লাগে), বিহায় তন্দ্রাআলস্যে গুৰোঅভিবাদনবেদাভ্যাস শ্রৱণপৰিত্রীকৃতান্তৰাত্মা (তন্দ্রা আৰু এলাহ ত্যাগ কৰি গুৰুৰ আজ্ঞা পালি তেওঁৰ শুশ্রূষা আৰু অভ্যর্থনা কৰি বেদ অধ্যয়ন কৰি বেদৰ অর্থ বুজি ল'ব লাগে), ত্রিষৱণমুপস্পৃশ্য ব্রহ্মাচর্যাগ্নি পৰিচৰণ গুৰুশুশ্রূষানিস্য (দিনৌ তিনিবাৰকৈ স্নান কৰিব লাগে আৰু সদায় অগ্নি ৰক্ষা কৰিব লাগে, গুৰুপ্রণাম, বেদাভ্যাস আৰু বেদশ্রৱণ আদি সৎ কার্যৰ দ্বাৰা আত্মা পৰিত্র কৰিব লাগে), ভিক্ষাভৈক্ষাদিসর্বনিবেদিতান্তৰাত্মা (নিতৌ ভিক্ষা কৰি পোৱা সকলো বস্তুকে গুৰুক নিবেদন কৰিব লাগে), গুৰু বচননির্দেশানুষ্ঠানা প্রতিকূলো গুৰু প্রসাদলব্ধস্বাধ্যায়তত্পৰঃ স্যাত্ (গুৰুৰ আজ্ঞা প্রতিকূলে কোনো কাম কৰিব নেলাগে)।

শ্লোক ৯ঃ ভৱতি চাত্র শ্লোকঃ (এই বিষয়ে শাস্ত্রত কোৱা হৈছে) গুৰুং য়স্তু সমাৰাধ্য (গুৰুৰ অনুগ্রহত যি স্বাধ্যায় লাভ হয়), দ্বিজো বেদমবাপ্নুয়াত্ (তাৰ অধ্যয়নত তৎপৰ হ'ব লাগে), তস্য স্বর্গফলাবাপ্তিঃ সিধ্যতে চাস্য মানসমিতি (সি লোকে গুৰুক আৰাধনা কৰি বেদ অধ্যয়ন কৰে, তেওঁৰ সকলো অভীষ্ট সিদ্ধ হয় আৰু স্বর্গলাভ হয়)।

শ্লোক ১০ঃ গার্হস্থ্যং খলু দ্বিতীয়মাশ্রমং বদন্তি (গার্হস্থ্য আশ্রম হৈছে দ্বিতীয় আশ্রম), তস্য সমুদাচাৰলক্ষণং সর্বমনুব্যাখ্যাস্যামঃ (এই আশ্রমৰ আচাৰ আৰু লক্ষণবিলাক কওঁ শুনক), সমাবৃত্তানাং সদাচাৰানাং সহধর্ম চর্যফলার্থিনা গৃহাশ্রমো বিধীয়তে (যিবিলাক মানুহে ব্রহ্মচর্যাশ্রমৰ পৰা ওলাই আহি সদাচাৰ সম্পন্ন হৈ ধর্ম, অনুষ্ঠানৰ দ্বাৰা সুফল লাভ কৰিবলৈ ইচ্ছা কৰে তেওঁলোকৰ কাৰণে গৃহস্থাশ্রমৰ বিধান কৰা হৈছে), ধর্মার্থকামাবাপ্তির্হ্যত্র **ত্রিৱর্গ**সাধনমপেক্ষয়া গর্হিতেন কর্মনা ধনান্যাদায় স্বাধ্যায়ো পলব্ধ প্রকর্ষেণ বা ব্রহ্মর্ষিনির্মিতেন বা অদ্রিসাৰগতেন বা (এই আশ্রমত ধর্ম, অর্থ আৰু কাম — এই ত্রিৱর্গ সাধন কৰা হয়, মণিদীপ্ত ঔষধি, সোণ আদিৰে পোৱা ধনেৰে নাইবা নিজে অধ্যয়ন কৰা বিদ্যাৰ দ্বাৰা বা যাজন আদি ক্রিয়া), হব্যকব্য নিয়মাভ্যাসদৈৱত প্রসাদোপলব্ধেন বা ধনেন গৃহস্থো গার্হস্থ্যং বর্তয়েত্ (নাইবা হোম্ দেৱপূজা আদিৰে পোৱা ধনেৰে সংসাৰ যাত্রা নির্বাহ কৰিব), তদ্ধি সর্বাশ্রমানাং মূলমুদাহৱন্তি (গৃহাশ্রমেই সকলো আশ্রমৰ মূল), গুৰুকুলনিবাসিনঃ পৰিব্রাজকা য়ে চান্যে সঙ্কল্পিতব্রত নিয়ম ধর্মানুষ্ঠায়িনস্তেষামপ্যত এৱ ভিক্ষাবলি সংবিভাগাঃ প্রৱর্ত্তন্তে (ব্রহ্মচাৰী, পৰিব্রাজক বা আন আন ব্রত-নিয়মাদি অনুষ্ঠান কৰা সকলোলোকে এই আশ্রমবাসী (গৃহস্থাশ্রমী) সকলৰ পৰাই ভিক্ষা লাভ কৰি হোম, পূজা আদি কর্ম সম্পাদন কৰে।

ত্রিৱর্গ ঃ ধর্ম, অর্থ আৰু কাম।

শ্লোক ১১ ঃ বান প্রস্থানাং চ দ্রব্যোপস্কাৰ ইতি প্রায়শঃ
খলুএতে সাধৱঃ সাধুপথ্যৌদনাঃ স্বাধ্যায়প্রসঙ্গিন স্তীর্থাভিগমনদেশদর্শনার্থং পৃথিৱী পর্যটন্তি (বানপ্রস্থী আশ্রমবাসীসকলে ধন সাঁচিব নোৱাৰে, তেওঁলোকে সাধাৰণতে বেদ অধ্যয়ন নাইবা তীর্থদর্শনৰ উদ্দেশ্যে পৃথিৱী পর্যটন কৰি ফুৰে), তেষাং প্রত্যুথানাভিগমনা ভিবাদনানসূয়বাক্ প্রদান সুখ শক্ত্যাসন সুখ শয়নাভ্যব্যৱহাৰ সৎক্রিয়া চেতি (গৃহস্থীয়ে তেওঁলোকক দেখা মাত্রকে আনন্দমনেৰে আগবঢ়াই আনিব লাগে আৰু তেওঁলোকক নমস্কাৰ কৰি, মিঠামুখে সম্ভাষণ জনাই খোৱা-বোৱা আৰুথকা-শোৱাৰ ব্যৱস্থা কৰি তেওঁলোকক শুশ্রূষা কৰিব লাগে— অর্থাৎ পূজা কৰিব লাগে)।

শ্লোক ১২ ঃ ভৱতি চাত্র শ্লোকঃ (এই বিষয়ে শাস্ত্রত কোৱা আছে) অতিথির্যস্য ভগ্নাশো গৃহাত্ প্রতিনিৱর্ত্ততে (যি গৃহস্থৰ ঘৰৰ পৰা অতিথি নিৰাশ হৈ উভতি যাবলগীয়া হয়), স দত্ত্বা দুষ্কৃতংতস্মৈ পুণ্যমাদায় গচ্ছতি (সেই গৃহস্থই অতিথিৰ সকলো দুষ্কর্মৰ ফলভাগী হয় আৰু অতিথিয়ে তেওঁৰ সকলো পুণ্য লৈ যায়)

শ্লোক ১৩ ঃ অপি চ অত্র (ইয়াৰোপৰি এই আশ্রমতে) যজ্ঞক্রিয়াভির্দেৱতাঃ প্রীয়ন্তে (যজ্ঞৰ অনুষ্ঠানেৰে দেৱতাসকলক সন্তুষ্ট কৰি), নিবাপেন পিতৰো (শ্রাদ্ধাদিৰ দ্বাৰা পিতৃলোকক), বিদ্যাভাস শ্রৱণধাৰণেন ঋষয়ঃ (বেদ অধ্যয়ন আদিৰে ঋষিসকলক) অপত্যোৎপাদনেন প্রজাপতিৰিতি (পুত্র উৎপাদনৰ দ্বাৰা প্রজাপতিক সন্তুষ্ট কৰিব পাৰি)।

শ্লোক ১৪ ঃ শ্লোকৌ চাত্র ভৱতঃ (এই সম্পর্কে শাস্ত্রই কৈছে) বাৎসল্যাত্সর্বভূতেভ্যো (গৃহস্থীয়ে সকলো প্রাণীকে (মানুহক), বাচ্যাঃ শ্রোতসুখাগিৰঃ (মধুৰ ভাষাৰে সম্ভাষণ কৰিব), পৰিতাপোপঘাতশ্চ (কাকো নিন্দা নকৰিব), পাৰুষ্যং চাত্র গর্হিতম্ (কাৰো প্রতি কর্কশ বাক্য প্রয়োগ নকৰিব)।

শ্লোক ১৫ ঃ অৱজ্ঞানমহঙ্কাৰো দম্ভশ্চৈৱ বিগর্হিতঃ (কেতিয়াও দম্ভ, অহঙ্কাৰ প্রকাশ নকৰিব), অহিংসা সত্যমক্রোধঃ সর্বাশ্রমগতং তপঃ (গৃহীয়ে সকলো আশ্রমতে উৎকৃষ্ট তপস্যাস্বৰূপ অহিংসা, সত্য আৰু ক্রোধহীনতা বা আক্রোধ এই তিনিগুণ ধাৰণ কৰিব।

শ্লোক ১৬ ঃ অপি চাত্র (ইয়াৰোপৰি) মাল্যাভৰণ বস্ত্রাভ্যঙ্গ নিত্য উপভোগ নৃত্য গীত বাদিত্রশ্রুতিসুখ নয়নাভিৰাম দর্শনানাং প্রাপ্তির্ভক্ষভোজ্য লেহ্য পেয় চোষ্যানামভৎব্যৱহার্যানাং বিবিধানা মুপভোগঃ (গৃহস্থাশ্রমত মাল্যধাৰণ, বহুমূলীয়া বস্ত্র পৰিধান, তৈলমর্দ্দন, গন্ধ, দ্রব্য সেৱন, নৃত্য দর্শন, গীত শ্রৱণ, চোৱাই কোৱা, চেলেকি খোৱা, চুহি খোৱা, পি-খোৱা আদি বিবিধ

বস্তু উপভোগ কৰাৰ বিধান আছে), স্ববিহাৰসন্তোষঃ কামসুখাবাপ্তিৰিতি (তেওঁলোকে নিজ পত্নীত উপগত হৈ কামসুখ লাভ কৰিব পাৰে)।

শ্লোক ১৭ঃ ত্রিবর্গ গুণনিবৃত্তির্যস্য নিত্যং গৃহাশ্রমে (যি লোকে গৃহাশ্রমত থাকি ত্রিবর্গসাধন আৰু সত্ত্ব, ৰজ, তম গুণৰ চৰিতার্থতা সাধন কৰিব পাৰে), স সুখান্যনুভূয়েহ শিষ্টানাং গতিমাপ্নুয়াত্। (তেওঁ সাধুলোকে পাবলগীয়া গতি লাভ কৰে)।

শ্লোক ১৮ঃ উঞ্ছবৃত্তি গৃহস্থো য়ঃ তৎক্তকামসুখাৰম্ভঃ স্বধর্মাচৰণে ৰতঃ (এই গৃহস্থীআশ্রমত থাকি যি লোকে কাম সুখ পৰিত্যাগ কৰি শস্য আহৰণ কৰি জীৱিকা নির্বাহ কৰিও স্বধর্ম পালন কৰে) স্বর্গস্তস্য ন দুর্লভঃ (স্বর্গ তেওঁৰ বাবে দুর্লভ নহয়)।

ইতি শ্রীমহাভাৰতে শান্তিপর্বণি মোক্ষধর্মপর্বণি ভৃগু-ভৰদ্বাজ সংবাদে একনৱত্যধিক শততমোঅধ্যায়ঃ ।। ১৯১।।

ইতি মহাভাৰতৰ শান্তিপর্বত ভৃগু-ভৰদ্বাজ সংবাদনামৰ (১৯১) একনৱত্যধিকশততম অধ্যায় ।। ১৯১।।

উঞ্ছবৃত্তি = শস্য আহৰণ কৰি জীৱিকা নির্বাহ কৰা লোক।

৪.৩.৩ মহভাৰতত শান্তিপর্বৰ ১৯১ সংখ্যক অধ্যায়ৰ শ্লোকসমূহৰ (১-১৮) শব্দার্থ অসমীয়া অনুবাদ

শ্লোক ১ঃ ভৰদ্বাজে ক'লে মহাত্মনহ্লু দা, ধর্ম, তপস্যা, বেদ অধ্যয়ন আৰু হোম কার্য কৰিলে কি ফল হয় সেই বিষয়ে মোক কওঁক।

শ্লোক ২ঃ ভৃগুৱে ক'লে— দ্বিজবৰহ্লু হোম সম্পাদন কৰিলে পাপ নাশ হয়, বেদ অধ্যয়ন কৰিলে শান্তি লাভ হয়, দান কৰিলে ভোগ কৰিবলৈ পায় আৰু তপস্যাৰ দ্বাৰা স্বর্গ লাভ হয়।

শ্লোক ৩ঃ দান দুই প্রকাৰৰ ঐহিক আৰু পাৰলৌকিক। সৎপাত্রত দান কৰিলে পাৰলৌকিক সুখ হয়।

শ্লোক ৪ঃ অসৎপাত্রত দান কৰিলে ঐহিক সুখ লাভ হয়। যিয়ে যেনে ধৰণৰ দান কৰে তেওঁ তেনেধৰণৰ ফল পায়।

শ্লোক ৫ঃ ভৰদ্বাজে ক'লে মহর্ষিহ্লু কোনে কেনেধৰণৰ ধর্ম আচৰণ কৰা উচিত? ধর্মৰ লক্ষণেই বা কি? ধর্ম কেইপ্রকাৰৰ? অনুগ্রহ কৰি মোক বুজাই কওক।

শ্লোক ৬ঃ ভৃগুৱে ক'লে— ব্রহ্মাহ্লু স্ব ধর্ম পালন কৰিলেই স্বর্গ লাভ হয়। যি লোকে তাৰ অন্যথা কৰে তাক অজ্ঞানী বুলি ক'ব পাৰি।

শ্লোক ৭ঃ ভৰদ্বাজে ক'লে মহাত্মনহ্লু প্রাচীন কালত মহর্ষিসকলে চাৰিও আশ্রমৰ কাৰণে কি কি ধৰণৰ ধর্ম নিৰূপণ কৰিছিল আৰু সেই ধর্ম পালন কৰিবলৈ কি কি আচৰণ কৰিবলৈ নির্দেশ দিছিল সেই সকলোবোৰ বর্ণনা কৰক।

শ্লোক ৮ ঃ ভৃগুৱে ক'লে— ব্রহ্মণ' আদিতে ভগৱান ব্রহ্মাই প্রজাসকলৰ হিতৰ কাৰণে আৰু ধর্মৰক্ষাৰ কাৰণে চাৰিআশ্রম নির্ধাৰিত কৰি গৈছে। ইয়াৰ ভিতৰত প্রথম আশ্রম হৈছে ব্রহ্মচর্য্যাশ্রম। এই আশ্রমবাসী ছাত্রসকল পৱিত্রভাবে গুৰুৰ ওচৰত বাস কৰিব লাগে। তেওঁলোক সংস্কাৰসম্পন্ন হ'ব লাগে। বিনয়, নিয়ম আৰু ব্রত পালন কৰি সংযমী হ'ব লাগে। তেওঁলোকে প্রতিদিনে ৰাতিপুৱাতে সূর্যোপাসনা আৰু গধূলি অগ্নিৰ উপাসনা কৰিব লাগে। তন্দ্রা আৰু এলাহ পৰিত্যাগ কৰি গুৰুৰ আজ্ঞা পালি তেওঁৰ শুশ্রূষা আৰু অভ্যর্থনা কৰি বেদ অধ্যয়ন কৰিব লাগে আৰু বেদৰ অর্থ বুজি ল'ব লাগে। প্রতিদিনে তিনিবাৰকৈ স্নান কৰিব লাগে আৰু সদায় অগ্নিৰক্ষা কৰিব লাগে আৰু গুৰু প্রণাম, বেদাভ্যাস আৰু বেদ শ্রৱণ আদি সৎ কার্যৰ দ্বাৰা আত্মা পৱিত্র কৰিব লাগে। নিতৌ ভিক্ষা কৰি পোৱা সকলো বস্তুকে গুৰুক নিবেদন কৰিব লাগে গুৰুৰ আজ্ঞাৰ প্রতিকূলে কোনো কাম কৰিব নেলাগে।

শ্লোক ৯ ঃ এই সম্পর্কে শাস্ত্রত কোৱা আছে—
গুৰুৰ অনুগ্রহত যি স্বাধ্যায় লাভ হয় তাৰ দ্বাৰা বেদ অধ্যয়নত তৎপৰ হ'বলাগে। যি লোকে গুৰুক আৰাধনা কৰি বেদ অধ্যয়ন কৰে তাৰ সকলো অভীষ্ট সিদ্ধি হয় আৰু স্বর্গ লাভ হয়।

শ্লোক ১০ ঃ গার্হস্থ্য আশ্রম হৈছে দ্বিতীয় আশ্রম। এই আশ্রমৰ আচাৰ আৰু লক্ষণবিলাক কওঁ শুনক। যিবিলাক মানুহে ব্রহ্মচর্যাশ্রমৰ পৰা ওলাই আহি সদাচাৰ সম্পন্ন হৈ ধর্মানুষ্ঠানৰ দ্বাৰা সুফল লাভ কৰিবলৈ ইচ্ছা কৰে তেওঁলোকৰ কাৰণে গৃহস্থাশ্রমৰ বিধান কৰা হৈছে। এই আশ্রমত ধর্ম, অর্থ, কাম— এই ত্রিবর্গৰ সাধন কৰা হয়। মণিদীপ্ত ঔষধি, সোণ আদিৰে পোৱা ধনেৰে নাইবা নিজে অধ্যয়ন কৰা বিদ্যাৰ দ্বাৰা বা যাজন আদি ক্রিয়াৰ দ্বাৰা নাইবা হোম, দেৱপূজা আদিৰে পোৱা ধনেৰে সংসাৰ যাত্রা নির্বাহ কৰিব। গৃহাশ্রমেই সকলো আশ্রমৰ মূল। ব্রহ্মচাৰী, পৰিব্রাজক বা আন আন ব্রত নিয়মাদি অনুষ্ঠান কৰা সকলো লোকে এই আশ্রমবাসীসকলৰ পৰাই ভিক্ষা লাভ কৰি হোম পূজা আদি কর্ম সম্পাদন কৰে।

শ্লোক ১১ ঃ বানপ্রস্থীসকলে ধন সাঁচিব নোৱাৰে। তেওঁলোকে সাধাৰণতে বেদ অধ্যয়ন নাইবা তীর্থদর্শনৰ উদ্দেশ্যে পৃথিৱী পর্যটন কৰি ফুৰে। গৃহস্থীয়ে তেওঁলোকক দেখা মাত্রকে আনন্দ মনেৰে আগবঢ়াই আনিব লাগে আৰু তেওঁলোকক দেখা মাত্রকে আনন্দ মনেৰে আগবঢ়াই আনিব লাগে আৰু তেওঁলোকক নমস্কাৰ কৰি, মিঠামুখে সম্ভাষণ জনাই খোৱা-বোৱা, থকা-শোৱাৰ ব্যৱস্থা কৰি তেওঁলোকক পূজা কৰিব লাগে।

শ্লোক ১২ ঃ এই বিষয়ে শাস্ত্রত কোৱা আছে যি গৃহস্থৰ ঘৰৰ পৰা অতিথি নিৰাশ হৈ উভতি যাবলগীয়া হয় সেই গৃহস্থই অতিথিৰ সকলো দুষ্কর্মৰ ফলভাগী হয় আৰু অতিথিয়ে তেওঁৰ সকলো পুণ্য লৈ যায়।

শ্লোক ১৩ ঃ ইয়াৰোপৰি এই আশ্রমতে যজ্ঞৰ অনুষ্ঠানেৰে দেৱতাসকলক, শ্রাদ্ধাদিৰ দ্বাৰা পিতৃলোকক, বেদ অধ্যয়ন আদিৰে ঋষিসকলক আৰু পুত্র উৎপাদনৰ দ্বাৰা প্রজাপতিক সন্তুষ্ট কৰিব পাৰি।

শ্লোক ১৪ ঃ এই সম্পর্কে শাস্ত্রই কৈছে যে গৃহস্থীয়ে সকলোকে মধুৰ ভাষাৰে সম্ভাষণ কৰিব। কাকো নিন্দা নকৰিব আৰু কাৰো প্রতি বাক্য প্রয়োগ নকৰিব।

শ্লোক ১৫ ঃ কেতিয়াও দম্ভ, অহংকাৰ প্রকাশ নকৰিব, গৃহীয়ে সকলো আশ্রমৰে উৎকৃষ্ট তপস্যাস্বৰূপ অহিংসা, সত্য আৰু অক্রোধ এই তিনিগুণ ধাৰণ কৰিব।

শ্লোক ১৬ ঃ গৃহস্থ্যাশ্রমত মাল্যধাৰণ, বহুমূলীয়া বস্ত্র পৰিধান, তৈলমর্দন, গন্ধ-দ্রব্য সেৱন, নৃত্যদর্শন, গীত শ্রৱণ, চোৰাই খোৱা, চুহি খোৱা, চেলেকি খোৱা আৰু পি-খোৱা বিবিধ বস্তুত উপভোগ কৰাৰ বিধান আছে। তেওঁলোকে নিজ পত্নীত উপগত হৈ কামসুখ লাভ কৰিব পাৰে।

শ্লোক ১৭ ঃ যিলোকে গৃহাশ্রমত থাকি ত্রিবর্গসাধন আৰু সত্ত্ব, ৰজ, তম গুণৰ চৰিতার্থতা সাধন কৰিব পাৰে তেওঁ সাধুলোকে পাবলগীয়া গতি লাভ কৰে।

শ্লোক ১৮ ঃ গৃহাশ্রমতে থাকি যিলোকে কাম পৰিত্যাগ কৰি উঞ্ছবৃত্তি অর্থাৎ শস্য আহৰণ কৰি জীৱিকা অৱলম্বন কৰিও স্বধর্ম পালন কৰে তেওঁৰ পক্ষে স্বর্গ দুর্লভ নহয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৯ঃ মহাভাৰতৰ তিনিটা স্তৰৰ নাম কি কি?

.....

প্রশ্ন নং ১০ঃ শান্তিপর্বৰ এটা অংশৰ নাম কি?

.....

প্রশ্ন নং ১১ঃ স্বধর্ম পালন কৰিলে কি লাভ হয়?

.....

প্রশ্ন নং ১২ঃ চাৰি আশ্রমৰ নাম কি কি?

.....

প্রশ্ন নং ১৩ঃ ত্রিবর্গ বুলিলে কি বুজায়?

.....

প্রশ্ন নং ১৪ঃ গুণসমূহ কি কি?

.....

২.৪ মহাভাৰতৰ শান্তিপৰ্বৰ ১৯১ সংখ্যক অধ্যায়ৰ শ্লোকসমূহৰ (১-১৮) সাৰাংশ

ইতিমধ্যে আপুনি শান্তিপৰ্বৰ অন্তৰ্গত ১৯১ সংখ্যক অধ্যায়ৰ শ্লোকসমূহৰ অসমীয়া অনুবাদ জানিব পাৰিলে। এই অধ্যায়ত আপুনি শ্লোকসমূহৰ সাৰাংশ জানিব পাৰব।

ব্যাসদেৱৰ বিৰচিত মহাভাৰতৰ শান্তিপৰ্বৰ অন্তৰ্গত ১৯১ সংখ্যক অধ্যায়টোত মুনি ভৰদ্বাজ আৰু ভৃগুৰ কথোপকনৰ মাধ্যমেৰে মানুহৰজীৱন চাৰিআশ্রমৰ কথা উল্লেখ কৰি প্রথম দুবিধ অর্থাৎ ব্রহ্মচর্য্য আৰু গার্হস্থ্য আশ্রমৰ কর্তব্যসমূহ আলোচনা কৰা হৈছে। তলত অধ্যায়টোৰ সংক্ষিপ্ত বর্ণনা উল্লেখ কৰা হ'ল—

এই অধ্যায়ৰ আৰম্ভণিতে মুনি ভৰদ্বাজে মহর্ষি ভৃগুক প্রশ্ন কৰিছে। আচৰিত ধর্ম, তপস্যা, বেদ অধ্যয়ন আৰু দানৰ ফল কি? স্বাধ্যায় তথা অগ্নিহোত্রৰ কি ফল উল্লেখিত হৈছে। ইয়াৰ উত্তৰ স্বৰূপে মুনি ভৃগুৱে কৈছিল, অগ্নিহোত্রৰ দ্বাৰা পাপ নাশ হয়। বেদ অধ্যয়নৰ দ্বাৰা শান্তি লাভ হয়, দানৰ দ্বাৰা ভোগ আৰু তপস্যাৰ দ্বাৰা স্বর্গ লাভ হয়।

মহাভাৰতত দান দুই প্রকাৰৰ বুলি কোৱা হৈছে। এবিধ পৰলোকৰ বাবে আৰু এবিধ ইহলোকৰ বাবে। ভৰদ্বাজে ভৃগুক পুনৰ প্রশ্ন কৰিছিল কাৰ ধর্মাচৰণ কেনেধৰণৰ হ'ব। অথবা ধর্মৰ লক্ষণ কি? ই কেইপ্রকাৰৰ ইয়াৰ উত্তৰত ভৃগুৱে কৈছিল— যিসকল মনীষীয়ে নিজ বর্ণাশ্রমোচিত ধর্ম আচৰণত যুক্ত হৈ থাকে, তেওঁলোকে স্বর্গ লাভ কৰে আৰু ইয়াৰ বিপৰীত আচৰণকাৰীসকলে মোহৰ বশীভূত হয় অর্থাৎ মোহাচ্ছন্ন হয়। ইয়াৰ পিছত ভৰদ্বাজে ব্রহ্মর্ষিসকলে পুৰণি কালত যি চাৰি আশ্রমৰ বিভাগ কৰিছিল, সেইবোৰৰ নিজ নিজ ধর্ম কি কি তাক জানিবলৈ ভৃগুৰ ওচৰত ইচ্ছা প্রকাশ কৰিছিল। ইয়াৰ উত্তৰত ভৃগুৱে কৈছিল জগতৰ কল্যাণকাৰী ভগৱান ব্রহ্মই পুৰণিকালত ধর্মৰক্ষাৰ কাৰণে চাৰি আশ্রমৰ (ব্রহ্মচর্য, গার্হস্থ্য, বাণপ্রস্থ আৰু সন্যাস) ভিতৰত গুৰুকুলত বাস কৰাকেই প্রথম আশ্রম বোলে।

ব্রহ্মচর্য চাৰি আশ্রমৰ ভিতৰত প্রধান। গুৰুৰ ওচৰত বিদ্যালাভেই ইয়াৰ প্রধান উদ্দেশ্য। এই আশ্রমত ব্রহ্মচাৰীজনে তেওঁৰ অন্তৰ বাহিৰ শুদ্ধ কৰি বৈদিক সংস্কাৰ আৰু ব্রত নিয়ম পালনৰ দ্বাৰা নিজৰ মনক বশীভূত কৰা উচিত। প্রাতঃ আৰু সন্ধ্যা উভয় কালতেই সূর্যোপাসনা আৰু অগ্নিহোত্রৰ দ্বাৰা অগ্নিদেৱতাৰ পূজা কৰা উচিত। তন্দ্রা আৰু আলস্য পৰিত্যাগ কৰি প্রতিদিনে গুৰুক প্রণাম কৰি, বেদমন্ত্রৰ অভ্যাস আৰু শ্রৱণৰ দ্বাৰা অন্তৰাত্মা পৰিত্র কৰা উচিত। প্রাতঃ, সন্ধ্যা আৰু মধ্যাহ্ন এই তিনিও কালতেই স্নান কৰি ব্রহ্মচর্য পালন, অগ্নিৰ উপাসনা, গুৰু সেৱা কৰা উচিত। ব্রহ্মচাৰীজনে সদায়ে জীৱিকা নির্বাহৰ অর্থে ভিক্ষা বৃত্তি অৱলম্বন কৰে। সেই বৃত্তিৰ দ্বাৰা প্রতিদিনে তেওঁ যি কিছু ভিক্ষা আহৰণ কৰে সেই সকলো ভক্ষ্য বস্তুত গুৰুৰ ওচৰত অর্পণ কৰা উচিত। তেওঁলোকে গুৰুৰ সকলো বচন, আদেশ শ্রদ্ধাৰে সৈতে পালন কৰা উচিত। প্রতিকূল আচৰণ কৰা উচিত নহয়। গুৰুৰ অনুগ্রহত লব্ধ বেদাধ্যয়নত তৎপৰ হোৱা উচিত। মুঠতে বৈদিক সংস্কাৰেৰে সুসংস্কৃত হৈ, গুৰুৰ প্রতি যথাযথ শ্রদ্ধা প্রদর্শন কৰি বেদ অধ্যয়ন কৰা এই আশ্রমৰ

প্ৰধান কৰ্তব্য। যিজন ব্ৰহ্মচাৰীয়ে এই সকলোবোৰ কৰ্তব্য পালন কৰে, তেওঁ স্বৰ্গলাভ কৰিবলৈ সমৰ্থ হয় আৰু তেওঁৰ সকলো মানসিক সংকল্প সিদ্ধি হয়।

মহাপুৰুষসকলে 'গাৰ্হস্থ্য'ক দ্বিতীয় আশ্ৰম বুলি অভিহিত কৰিছে। ব্ৰহ্মচাৰীজনে গুৰুৰ পৰা বিদ্যা লাভ কৰাৰ পাছত তেওঁলোকে সহধৰ্মিনীৰ সৈতে বাস কৰি ধৰ্মাচৰণ কৰি তাৰ ফল লাভৰ ইচ্ছা কৰে, তেওঁলোকে গাৰ্হস্থ্যাশ্ৰমত কৰিবলগীয়া বহুতো কৰ্তব্য আছে। এই ধৰ্ম, অৰ্থ আৰু কাম এই ত্ৰিবৰ্গৰ ফল লাভ হয়।

গৃহস্থীসকলৰ জীৱিকা নিৰ্বাহৰ বাবে কৰিবলগীয়া প্ৰধান কৰ্তব্য হৈছে ধন সংগ্ৰহ কৰা, তেওঁলোকে বেদাধ্যয়নৰ পৰা লাভ কৰা জ্ঞানৰ দ্বাৰা, মহৰ্ষি প্ৰদৰ্শিত মাৰ্গৰ দ্বাৰা ধন সংগ্ৰহ কৰা উচিত। যজ্ঞ, শ্ৰাদ্ধ বেদাভ্যাস আৰু দেৱতাৰ অনুগ্ৰহত লাভ কৰা ধনৰ দ্বাৰা গৃহস্থই গাৰ্হস্থ্যাশ্ৰম পালন কৰা উচিত।

গৃহস্থীসকলে ব্ৰহ্মচাৰী, বানপ্ৰস্থী আৰু সন্যাসীসকলক ভিক্ষা প্ৰদান কৰি নিজ ধৰ্ম পালন কৰিব লাগে। বানপ্ৰস্থীসকলৰ বাবে ধন সংগ্ৰহ নিষিদ্ধ। সেয়েহে তেওঁলোকে যদি ঘৰত উপস্থিত হয়, তেতিয়া গৃহস্থই তেওঁলোকক স্বাগত জনোৱা উচিত। যথাশক্তি খোৱা-বোৱা, থকা-শোৱাৰ ব্যৱস্থা কৰি তেওঁলোকৰ শুশ্ৰূষা কৰিব লাগে। এই বিষয়ে শাস্ত্ৰত কোৱা হৈছে যে যি গৃহস্থৰ ঘৰৰ পৰা অতিথি নিৰাশ হৈ উভতি যাবলগীয়া হয় সেই গৃহস্থ অতিথিৰ সকলো দুষ্কৰ্মৰ ফলভাগী হয় আৰু অতিথিয়ে সকলো পুণ্যৰ ভাগ লৈ যায়।

এই আশ্ৰমতে যজ্ঞানুষ্ঠানৰ দ্বাৰা দেৱতাসকলক, শ্ৰাদ্ধাদিৰ দ্বাৰা পিতৃলোকক, বেদ অধ্যয়নৰ দ্বাৰা ঋষিসকলক আৰু পুত্ৰ উৎপাদনৰ দ্বাৰা প্ৰজাপতিক সন্তুষ্ট কৰিব পাৰি।

এই সম্পৰ্কে শাস্ত্ৰই কৈছে যে গৃহস্থীয়ে সকলোকে মধুৰ ভাষাৰে সম্ভাষণ কৰিব। কাকো নিন্দা আৰু কাৰো প্ৰতি কৰ্কশ বাক্য প্ৰয়োগ কৰিব নালাগে। দম্ভ, অহংকাৰ কৰা উচিত নহয়। গৃহীয়ে সকলো আশ্ৰমতে উৎকৃষ্ট অহিংসা, সত্য আৰু অক্ৰোধ এই তিনিগুণ ধাৰণ কৰিব লাগে। গৃহস্থাশ্ৰমত মাল্যধাৰণ, বহুমূলীয়া বস্ত্ৰ পৰিধান, তৈল মৰ্দ্দন, গন্ধ-দ্ৰব্য সেৱন, নৃত্য-গীত আদি দৰ্শন, বিবিধ বস্তুৰ উপভোগ কৰা বিধান আছে। যি সকল গৃহস্থীয়ে গৃহাশ্ৰমত থাকি ত্ৰিবৰ্গ সাধন কৰে আৰু সত্ত্ব, ৰজ, তম গুণৰ চৰিতাৰ্থতা সাধন কৰে তেওঁ সাধুসকলে পাবলগীয়া গতি লাভ কৰে। গৃহস্থাশ্ৰমত থাকি যি লোকে কাম পৰিত্যাগ কৰি উঞ্ছবৃত্তি অৰ্থাৎ শস্য আহৰণ কৰি জীৱিকা নিৰ্বাহ কৰে তেওঁৰ বাবে স্বৰ্গ লাভ কৰা দুৰ্লভ নহয়।

৪.৫ মহত্বপূৰ্ণ শ্লোকৰ ভাৱাৰ্থ

ইয়াৰ আগতে আপুনি শান্তিপৰ্বৰ ১৯১ অধ্যায়ৰ শ্লোকসমূহৰ সাৰাংশ জানিব পাৰিলে। এতিয়া কেইটামান লাগতিয়াল শ্লোকৰ ভাৱাৰ্থ পঢ়িবলৈ পাব।

দানস্য কি ফলং প্ৰাহুধৰ্মস্য চৰিতস্য চ।
তপসশ্চ স্তৱপ্তস্য স্বাধ্যায়স্য হুতস্য বা ।। ১।।

মহাভাৰতৰ শান্তিপৰ্বৰ ১৯১ অধ্যায়ৰভৃগুভৰদ্বাজ সংবাদত ভৰদ্বাজে ভৃগুক সুধিছিল ে দানৰ ফল কি? তেতিয়া ভৃগুৱে তাৰ উত্তৰ এনেদৰে দিছিল অগ্নিহোত্ৰ দ্বাৰা পাপ নাশ হয়। বেদ অধ্যয়নৰ দ্বাৰা শান্তিলাভ হয়, দানৰ দ্বাৰা ভোগ আৰু তপস্যাৰ দ্বাৰা মানুহৰ স্বৰ্গলোক প্ৰাপ্তি হয়। দান দুই ধৰণৰ হয়— এবিধ পাৰলৌকিক আৰু ইহলৌকিক। সৎপুৰুষসকলক যি কিছু দান কৰা হয় সেই দানৰ ফল আমি পৰলোকতেই পাওঁ। অসৎ পুৰুষক যি দান কৰা হয় তাৰ ফল আমি ইহ লোকতেই ভোগ কৰো। গতিকে যেনেকুৱা দান কৰা হয় তেনেকুৱা ফল দেখা যায়।

অতিথিৰ্য়স্য ভগ্নাশো গৃহাত্ প্ৰতিনিবৰ্ত্ততে।

সদত্ত্বা দুষ্কৃতং তস্মৈ পুণ্যমাদায় গচ্ছতি ।। ১২।।

গাৰ্হস্থ্য জীৱনত অতিথি সেৱা অৱশ্য কৰ্তব্য। তৈতিৰীয় উপনিষদত পঞ্চমহাযজ্ঞৰ সাহাত্ম্য বৰ্ণনা কৰা হৈছে। দেৱযজ্ঞ, পিতৃযজ্ঞ, ব্ৰহ্মযজ্ঞ, অতিথিযজ্ঞ, ভূতযজ্ঞ এই পঞ্চমহাযজ্ঞৰ বিষয়ে উল্লেখ কৰা হৈছে। এইসকলোবোৰ গৃহস্থীসকলে পালন কৰিব লাগে। কেতিয়াবা অতিথিসকলে গৃহস্থীজনৰ পৰা কোনো বস্তু পোৱাৰ আশাত তেওঁলোকৰ গৃহত উপস্থিত হয়। তেতিয়া গৃহস্থই যদি তেওঁক আদৰ নেদেখুৱায় বা মনৰ অভিলাষ পূৰ্ণনকৰে তেতিয়া অতিথিয়ে ভগ্ন আশা লৈ ঘূৰি যাবলগীয়া হয় তেতিয়া সেই গৃহস্থ অতিথিৰ দুষ্কৰ্মৰ ভাগী হয় আৰু অতিথিয়ে তেওঁৰ সকলো পুণ্য অপহৰণ কৰি লৈ যায়।

সেই কাৰণে, গৃহস্থীসকলে অতিথিসকলৰ মনোবাঞ্ছা পূৰণ কৰিবলৈ যত্নবান হ'ব লাগে। তেতিয়াহে গৃহস্থীজনে পুণ্য লাভ কৰিব পাৰে।

স্বধৰ্মাচৰণে যুক্তা যে ভৱন্তি মনীষিণঃ ।। ৬।।

স্বধৰ্মপালন কৰা জনে স্বৰ্গলাভ কৰে। যিজনে স্বধৰ্ম পালন কৰিবলৈ অনিচ্ছা প্ৰকাশ কৰে তেওঁ মোহত আকৃষ্ট হৈ এই সংসাৰতে থাকিবলগীয়া হয়। স্বাধ্যায় শব্দৰ অৰ্থ হৈছে আবৃত্তিৰ দ্বাৰা বেদপাঠ অথবা ধৰ্মশাস্ত্ৰ পাঠ। শ্ৰীমদ্ ভগৱদ্গীতাৰ চতুৰ্থ অধ্যায়ত কোৱা হৈছে

শ্ৰীমদ্ভগৱদ্গীতা = শ্ৰীমদ্ভগৱদ্ গীতোপনিষদ

দ্ৰব্যয়জ্ঞাস্তপোয়জ্ঞা যোগয়জ্ঞাস্তথাপৰে।

স্বাধ্যায়জ্ঞানয়জ্ঞাশ্চ য়তয়ঃ শংশিতব্ৰতাঃ ।। ৪/২৮।।

অৰ্থাৎ দ্ৰব্যয়জ্ঞ, তপোয়জ্ঞ, যোগয়জ্ঞ আৰুস্বাধ্যায় বা আনযজ্ঞ এই চাৰিবিধ যজ্ঞ কৰিব পাৰে। স্বাধ্যায় অৰ্থাৎ বেদ শ্ৰৱণ মননাদিৰ দ্বাৰা যিজনে বেদাৰ্থ জ্ঞান লাভ কৰে তেওঁৰ স্বৰ্গলাভ হয়। ধৰ্ম, অৰ্থ, কাম, মোক্ষ এই চাৰিবিধ পুৰুষাৰ্থৰ ভিতৰত মোক্ষৰূপ পুৰুষাৰ্থই হৈছে শ্ৰেষ্ঠ। ইয়াৰ দ্বাৰা পুৰুষে জীৱন্মুক্তি লাভ কৰে। উক্ত কথাফাঁকিৰে স্বৰ্গ লাভ ৰূপ মোক্ষ প্ৰাপ্তিক সূচাইছে। সেই কাৰণে স্বাধ্যায়ৰ যোগেদি ইয়াকে বুজাইছে যে মনীষিসকল অৰ্থাৎ যিসকল আত্মতত্ত্ববিদ্ প্ৰজ্ঞাবান্ স্বধৰ্ম পালন কৰে, বেদ অধ্যয়নত ৰথত থাকে সেইসকলে স্বৰ্গপ্ৰাপ্তি ৰূপ মোক্ষ লাভ কৰে। যিসকলে ইয়াৰ অন্যথা কৰে বা বিমুখ হয় সেইসকলে এই সংসাৰতে দুঃখ ভোগ (আধিদৈবিক, আধিভৌতিক, আধ্যাত্মিক) কৰিবলগীয়া হয়। সেই কাৰণে স্বধৰ্মত ৰত হৈ থাকিলেহে স্বৰ্গলাভৰূপ সুফল লাভ কৰিব পাৰে।

অহিংসা সত্যমক্রোধঃ সর্বাশ্রমগতং তপঃ ।। ১৫।।

গৃহস্থাশ্রমেই হৈছে সকলো আশ্রমৰ মূল। গার্হস্থ্য আশ্রম দ্বিতীয় আশ্রম। যিবিলাক মানুহে ব্রহ্মাচর্যাশ্রমৰ পৰা ওলাই আহি সদাচাৰ সম্পন্ন হৈ ধর্মানুষ্ঠানৰ দ্বাৰা সুফল লাভ কৰিবলৈ ইচ্ছা কৰে সেইসকলৰ বাবে গৃহস্থাশ্রমৰ বিধান কৰা হৈছে। এই আশ্রমত ধর্ম, অর্থ, কাম এই ত্রিবর্গ সাধন কৰা হয়। অতিথিক শুশ্রূষা কৰা গৃহস্থীসকলৰ অন্যতম কর্তব্য। এই আশ্রমতে যজ্ঞানুষ্ঠানেৰে দেৱতাসকলক, শ্রাদ্ধাদিৰ দ্বাৰা পিতৃলোকক, বেদ অধ্যয়ন আদিৰে ঋষিসকলক আৰু পুত্র উৎপাদনৰ দ্বাৰা প্রজাপতিক সন্তুষ্ট কৰিব পাৰি। শাস্ত্রত কোৱা হৈছে গৃহস্থীয়ে সকলোকে মধুৰ ভাষাৰে সম্ভাষণ কৰিব। কাকো নিন্দা কৰা আৰু কাৰো প্রতি কর্কশ বাক্য প্রয়োগ গৃহস্থীসকলে পৰিত্যাগ কৰিব লাগে। অহিংসা, সত্যকথা কোৱা আৰু ক্রোধভাৰ নৰখা এইসকলোবোৰ গৃহস্থীসকলৰ তপস্যা স্বৰূপ।



জানি থোৱা ভাল

ইন্দ্রিয়দমন আৰু কামনা ত্যাগ ঃ

ইন্দ্রিয় দমন আৰু কামনা ত্যাগ আধ্যাত্মিক উন্নতিৰ প্রধান পথ। পিতামহ ভীষ্মই শান্তিপর্বত যুধিষ্ঠিৰক ইন্দ্রিয় দমনৰ লক্ষণসমূহ কৈছে। সেয়া হৈছে— অদীনতা, অভিনিবেশ, সন্তোষ, শ্রদ্ধা, অক্রোধ সৰলতা, গুৰুপূজা, অনসূয়া, দয়া, সত্যভাষণ স্তুতি নিন্দা ত্যাগ ইত্যাদি ইন্দ্রিয় দমনৰ লক্ষণ।

শান্তিপর্বৰ এঠাইত কোৱা হৈছে— দান, যজ্ঞ, বেদ অধ্যয়নতকৈ ইন্দ্রিয় দমন শ্রেষ্ঠ। ইয়াৰ দ্বাৰা ব্যক্তি পাপৰহিত হৈ তেজস্বীতা প্রাপ্ত হৈ মহান ফল লাভ কৰিবলৈ সক্ষম হয়। ইন্দ্রিয় নিগ্রহ কৰা জনে ইহলোক আৰু পৰলোকত পৰমসুখ ভোগ কৰিব পাৰে। (শান্তিপর্ব ১৫৪/১০-১৪)

মহাভাৰতত ত্যাগ আৰু ৰাজভোগ দুই দুয়োটাৰে ভিতৰত ত্যাগক অধিক মহত্ব দিয়া দেখা যায়। এই সন্দর্ভত পিতামহ ভীষ্মই কৈছে যে ৰাজ্য আৰু সমৃদ্ধি সমাপ্ত হ'ব পাৰে, কিন্তু ত্যাগৰ কোনো সংকট নহয়। সংসাৰ সমুদ্র পাৰ হ'বলৈ ইন্দ্রিয় দমন কৰিব লাগিব। আত্মাৰ অধোগতি হ'বলৈ দিব নালাগে। কাৰণ, জীৱাত্মা নিজেই নিজৰ শত্রু, নিজেই নিজৰ মিত্র। জীৱাত্মাই মন আৰু ইন্দ্রিয়ৰ সৈতে শৰীৰ জিকি লয়।

৪.৬ ব্যাকৰণগত টোকা

ইয়াৰ আগতে আপুনি কেইটামান শ্লোকৰ ভাৱার্থ জানিব পাৰিলে। এতিয়া আপুনি কেইটামান শ্লোকৰ ব্যাকৰণগত টোকাৰ বিষয়ে জানিব পাৰিব।

প্রাহুঃ = প্র — √ ব্রু + লিট্ + উস্

ফলম্ = কর্মণি দ্বিতীয়া

স্বর্গমাপ্নুয়াত্ = স্বর্গম্ + আপ্নুয়াত্

আপ্নুয়াত্ = √ আপ্ + বিধিলিঙ্ য়াত্

হুতেন, স্বাধ্যয়ৈঃ দানেন, তপসা = কৰণে তৃতীয়া

সদ্ভ্যো = সম্প্রদানে চতুর্থী

উপতিষ্ঠতে = উপ — √ স্থা + লট্ তে

অসদ্ভ্যো = সম্প্রদানে চতুর্থী

ভুজতে = √ ভুজ্ + কর্মণি লট্ তে

অশ্নুতে = √ অশ্ + লট্ তে

বক্তুমর্হতি = বক্তুম্ + অর্হতি

বক্তুম্ = √ বচ্ + তুমুন্

য়ুক্তা = √ য়ুজ + ক্ত + পুংলিঙ্গ প্রথমা বহুবচনে।

অবাপ্তি ঃ = অৱ - √ আপ্ + ক্তিন্

বক্তুমিহার্হসি = বক্তুম্ + ইহ + অর্হসি

লোকহিতম্ = লোকাসংহিতম্ = ষষ্ঠীত্যপুৰুষ সমাস

অনুতিষ্ঠতা = অনু - স্থা + শতৃ, পুংলিঙ্গ তৃতীয়া একবচন। কৰণে তৃতীয়া

উদাহৰন্তি = উত্ আ - √ হৃ + লট্ অন্তি

উপস্থায়া = উপ - √ স্থা + ল্যপ্

সমাৰাধ্য = সম-আ √ ৰাধ্ + ল্যপ্

গার্হস্থম্ = কর্মণি দ্বিতীয়া

প্রৱর্ত্তন্তে = প্র- √ বৃত + লট্ আন্তে

দ্রব্যোপস্কাৰ = দ্রব্যানাম্ উপস্কাৰ = ষষ্ঠীতৎপুৰুষ সমাস।

পৃথিৱীম্ = কর্মণি দ্বিতীয়া

ভগ্নাশঃ = ভগ্না আশা য়স্যসঃ = বহুব্রীহি সমাস।

দত্ত্বা = √ দা + ক্ত্বাচ্

প্রতিনিবর্ত্ততে = প্রতি - √ নি - √ বৃত্ + লট্ তে

ঋষভঃ = কর্ত্তৰি প্রথমা

শ্রোতসখা = শ্রোতুম্ সুখাঃ = ষষ্ঠী তৎপুৰুষ সমাস

অৱজ্ঞানম্ = অৱ - √ জ্ঞা + ল্যুট্

প্রাপ্তিঃ = প্র - √ আপ্ + ক্তিন্

উপভোগঃ = উপ - √ ভুজ্ + অচ্

গতিম্ = √ গম্ + ক্তিন্

গৃহাশ্রমে = গৃহস্য আশ্রমঃ = ষষ্ঠীতৎপুৰুষ সমাস

স্বধর্মাচৰণে = স্বস্য ধর্মঃ = ষষ্ঠীতৎপুৰুষ সমাস

তস্য আচৰণম্ = ষষ্ঠী তৎপুৰুষ তস্মিন।



৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- মহাভাৰতৰ শান্তিপৰ্বৰ অন্তর্গত ১৯১ সংখ্যক অধ্যায়ৰ শ্লোকসমূহৰ (১-১৮) সংস্কৃত পাঠৰ লগতে গদ্যপাঠ জানিব পাৰিলে।
- শ্লোকসমূহৰ শব্দার্থ আৰু অসমীয়া অনুবাদ জানিলে।
- শ্লোকসমূহৰ সাৰাংশ আৰু মহত্বপূর্ণ শ্লোকৰ ভাৱার্থৰ বিষয়ে অৱগত হ'ল।
- কিছুমান শব্দৰ ব্যাকৰণগত টোকা জানিব পাৰিলে।



৪.৮ অধিক জানিবলৈ

১) মহাভাৰত, শান্তিপর্ব (সংস্কৃত), বাৰানসী ঃ চৌখম্বা সুৰভাৰতী প্রকাশন।

২) মহাভাৰত, শান্তিপর্ব (অসমীয়া) গুৱাহাটী ঃ বিশ্ববিদ্যালয় পাব্লিকেছন বর্ড।

৩) বিদ্যালঙ্কৰ, সুমেধা, মহাভাৰতমে শান্তি পর্বকা আলোচনাত্মক অধ্যয়ন, দিল্লী ঃ ইষ্টার্ণ বুক্ লিংকর্স।

৪) বৰা শইকীয়া, ইন্দিৰা, মহাভাৰত, শান্তিপর্ব (১৯১ সংখ্যক অধ্যায়), গুৱাহাটী ঃ প্রকাশিকা পাণবজাৰ।



৪.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ ভৃগু-ভৰদ্বাজ সংবাদঃ।

২ নং প্রশ্নৰ উত্তৰঃ পাপ নাশ হয়।

৩ নং প্রশ্নৰ উত্তৰঃ শান্তি লাভ হয়।

৪ নং প্রশ্নৰ উত্তৰঃ দুই প্রকাৰৰ— (১) ঐহ্যিক (পার্থিৱ সুখ লাভ হয়) সেয়া অনিত্য।
(২) পাৰলৌকিক (পৰলোক সম্পর্কীয় সুখ সেয়া নিত্য)

৫ নং প্রশ্নৰ উত্তৰঃ স্বর্গপ্রাপ্তি হয়।

৬ নং প্রশ্নৰ উত্তৰঃ বেদাদি শাস্ত্র অধ্যয়ন

৭ নং প্রশ্নৰ উত্তৰঃ ১৮ টা।

৮ নং প্রশ্নৰ উত্তৰঃ দানং তু দ্বিবিধং প্রাহুঃ পৰত্রার্থমিহৈব চ।

সদ্‌ভ্যো য়দ্ দীয়তে কিঞ্চিত্ তত্‌পৰত্রোপ তিষ্ঠতে।।

৯ নং প্ৰশ্নৰ উত্তৰঃ জয়, ভাৰত আৰু মহাভাৰত।

১০ নং প্ৰশ্নৰ উত্তৰঃ নাৰায়ণীয়।

১১ নং প্ৰশ্নৰ উত্তৰঃ স্বৰ্গলাভ হয়।

১২ নং প্ৰশ্নৰ উত্তৰঃ ব্ৰহ্মচৰ্য, গাৰ্হস্থ্য, বানপ্ৰস্থ আৰু সন্যাস।

১৩ নং প্ৰশ্নৰ উত্তৰঃ ধৰ্ম, অৰ্থ, কাম।

১৪ নং প্ৰশ্নৰ উত্তৰঃ সত্ত্ব, ৰজ, তম।



২.১০ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ মহাভাৰতৰ কোনটো পৰ্বৰ কিমান অধ্যায় আপোনাৰ পাঠ্যাংশ হিচাবে দিয়া হৈছে?

প্ৰশ্ন ২ঃ 'হুতেন শাম্যতে পাপম্'

এই উক্তিটোৰ অৰ্থ কি?

প্ৰশ্ন ৩ঃ খালী ঠাই পূৰ্ণ কৰক—

অতিথিৰ্যস্য ভগ্নাশো .....।

..... দুষ্কৃতং তস্মৈ ..... গচ্ছতি।।

(খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০-৩০০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ মহাভাৰতৰ শান্তিপৰ্বৰ ১৯১ সংখ্যক অধ্যায়ৰ আলমত গাৰ্হস্থ্য আশ্ৰমত থকা পুৰুষৰ কৰ্তব্যৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ২ঃ ব্ৰহ্মচৰ্য আশ্ৰমত থকা কৰ্তব্যসমূহৰ বিষয়ে লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ মহাভাৰতৰ শান্তিপৰ্বৰ ১৯১ নং অধ্যায়ৰ সাৰাংশ লিখক।

প্ৰশ্ন ২ঃ মহাভাৰতৰ বৰ্তমান ৰূপটো পাবলৈ কেইটা স্তৰ পাৰ হৈছে আলোচনা কৰক।

প্ৰশ্ন ৩ঃ মহাভাৰতৰ শান্তিপৰ্বৰ ওপৰত এটি টোকা লিখক।

*** ***** ***

অধ্যায় ৫ ঃ শ্রীবিষ্ণুপুৰাণ - সাধাৰণ আলোচনা

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য
৫.২ পৰিচয়
৫.৩ নামৰ তাৎপর্য
৫.৪ বিষ্ণু পুৰাণৰ আলোচ্য বিষয়
৫.৫ ৰচয়িতা আৰু ৰচনা কাল
৫.৬ বিষ্ণুপুৰাণৰ অংশসমূহৰ সাৰাংশ
৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৫.৮ অধিক জানিবলৈ
৫.৯ অগ্রগতিৰ খতিয়ান
৫.১০ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- বিষ্ণুপুৰাণ নামটোৰ তাৎপর্য জানিব পাৰিব।
- এই পুৰাণখনৰ আলোচ্য বিষয় অৱগত হ'ব।
- বিষ্ণু পুৰাণৰ ৰচয়িতা আৰু ৰচনাকাল জানিব পাৰিব
- কেইগৰাকীমান বিখ্যাত ঋষিমুনি আৰু ৰজাৰ বিষয়ে জানিব পাৰিব।
- গ্রন্থখনৰ ছয় (৬) টা অংশৰ বিষয়বস্তুৰ লগত পৰিচিত হ'ব পাৰিব।

৫.২ পৰিচয়

অষ্টাদশ মহাপুৰাণৰ ভিতৰত এখন অত্যন্ত মহত্বপূর্ণ পুৰাণ হ'ল বিষ্ণুপুৰাণ। এই পুৰাণখনত ছয়টা অংশ আৰু তেইশ হাজাৰ (২৩,০০০) শ্লোক আছে। কিন্তু বর্তমান উপলব্ধ বিষ্ণুপুৰাণত ১০,০০০তকৈ কম শ্লোক আছে আৰু ইয়াত ১২৬ টা অধ্যায় আছে। এই গ্রন্থখনৰ মূল প্রতিপাদ্য বিষয় হ'ল ভগৱান শ্রীবিষ্ণু, যি পুৰুষ সৃষ্টিৰ আদিকৰণ, নিত্য, অক্ষয় আৰু অব্যয়। পুৰাণৰ পঞ্চলক্ষণ ইয়াত সম্পূর্ণৰূপে প্রতিফলিত হৈছে অর্থাৎ সর্গ, প্রতিসর্গ, বংশ, মন্বন্তৰ আৰু বংশানুচৰিত বিশদভাৱে বর্ণনা কৰা হৈছে। দেৱতা, দৈত্য, গন্ধর্ব, সর্প ৰাক্ষস, যক্ষ, বিদ্যাধৰ, সিদ্ধ, অপ্সৰা, চাৰিবর্ণৰ আচাৰ, বিশুদ্ধ চৰিত্রৰ মনুষ্য, পৃথিৰীৰ পুণ্যক্ষেত্র, পৰিত্র নদী, পর্বত, সাগৰ, সমগ্র বেদধর্ম বর্ণনা দাঙি ধৰিছে পৰাশৰ মুনিয়ে মৈত্রেয়ৰ আগত। ভগৱান বিষ্ণুৰ বিষয়ে প্রধানভাৱে বর্ণনা কৰাৰ উপৰিও এইপুৰাণখনত বিষ্ণু আৰু শিৱৰ অভিন্নতাও প্রতিপাদিত কৰা হৈছে। শ্রীকৃষ্ণ চৰিত্র মুখ্যতঃ আলোচনা কৰিলেও সংক্ষেপে শ্রীৰামকথাও এই পুৰাণত বর্ণনা

কৰা হৈছে। বাহ্যিক দৃষ্টিত বিষ্ণু পুৰাণখন পৰাশৰ আৰু মৈত্রেয়ৰ কথোপকথনৰ মাজেৰে প্রকাশিত হোৱা এখন শাস্ত্র যেন লাগিলেও এই গ্রন্থখনত সমগ্র ভাৰতীয় আদর্শ, সমাজ, সংস্কৃতি আদিৰ প্রতিচ্ছবি দেখা পোৱা যায়। এই অধ্যায়ত আপুনি শ্রীবিষ্ণু পুৰাণৰ সাধাৰণ পৰিচয় লাভ কৰিব।

৫.৩ নামৰ তাৎপর্য

'বিষ্ণুপুৰাণ' শব্দটো কেতিয়াবা 'শ্রীবিষ্ণু পুৰাণ', কেতিয়াবা 'শ্রীশ্রী বিষ্ণুপুৰাণ' বুলিও উল্লেখ থকা দেখা যায়। বিভিন্ন পণ্ডিতে 'বিষ্ণু' শব্দৰ বিভিন্ন অর্থ দিয়া পৰিলক্ষিত হয়। 'বিষ্ণু' শব্দৰ বিভিন্ন অর্থ দিয়া পৰিলক্ষিত হয়। যি সকলোতে আছে'; 'যি সকলো বন্ধনৰ পৰা মুক্ত'; 'যি সর্বত্র ব্যাপি আছে' বিষ্ণু শব্দৰ এনেকুৱা বিভিন্ন অর্থ উপলব্ধ। 'পুৰাণ' শব্দৰ সাধাৰণ অর্থ হৈছে 'পুৰণি আখ্যান'। 'বিষ্ণুপুৰাণ' অর্থাৎ য'ত ভগৱান বিষ্ণুৰ কীর্তন অথবা আখ্যান বর্ণনা কৰা হৈছে। বিষ্ণুৱেই সৃষ্টিকর্তা, তেৱেঁই মুক্তিদাতা, তেওঁ সর্বভূতম, অব্যয়, সকলো জীৱৰ আত্মস্বৰূপ। ভগৱান বিষ্ণুকেই সকলো দেৱ-দেৱতাৰ ভিতৰত সর্বশ্রেষ্ঠ হিচাপে এই গ্রন্থত কীর্তিত হৈছে বাবেই এই গ্রন্থৰ নাম বিষ্ণুপুৰাণ।

৫.৪ বিষ্ণুপুৰাণৰ আলোচ্য বিষয়

বিষ্ণুপুৰাণখনত ভগৱান বিষ্ণুৰ কীর্তন কৰা হৈছে বুলি আপুনি ইতিমধ্যে গম পাইছে। ভগৱান বিষ্ণুৰ কীর্তনৰ মাধ্যমেদি বিভিন্ন কাহিনী উপকাহিনীৰ জৰিয়তে সেই সময়ৰ সমাজ, সামাজিক স্থিতি, সমাজত প্রচলিত বিভিন্ন নীতি নিয়ম, সংস্কাৰ, ধর্ম-কর্ম, জ্যোতিষ চর্চা, ভৌগলিক স্থিতি আদিৰো বর্ণনা দিয়া হৈছে। পৃথিৱীৰ সৃষ্টি প্রক্রিয়াৰ লগতে ভাৰতবর্ষৰ বর্ণনা বিশদভাৱে উল্লেখ থকাটো বিষ্ণুপুৰাণৰ এটি উল্লেখযোগ্য বৈশিষ্ট্য। সূর্যবংশীয়, চন্দ্রবংশীয় আৰু যদু বংশীয় ৰজা-মহাৰজাৰ উত্থান-পতনৰ বর্ণনাৰ মাধ্যমেদি সেই সময়ৰ ৰাজনৈতিক-কূটনৈতিক স্থিতিৰো কিঞ্চিৎ উমান পোৱা যায়। সাংখ্যদর্শন যোগদর্শনৰ প্রতিপাদ্য বিষয়সমূহৰ সুসংহত ৰূপ বিষ্ণু পুৰাণত পৰিলক্ষিত হয়। চাৰিবেদৰ বিভাজন, অষ্টাদশ পুৰাণৰ ক্রমানুসৰি নাম, ওঠৰ শাস্ত্রৰ নাম উল্লেখ থকা এই পুৰাণ অধ্যয়ন কৰিলে অশ্বমেধ যজ্ঞৰ শেষত অৱভৃথ স্নান কৰিলে যি ফল লাভ হয়, সেই একেই ফলকেই পোৱা যায় বুলি এই গ্রন্থৰ সপ্তম অংশত বর্ণনা কৰা হৈছে। এইখিনিয়েই বিষ্ণুপুৰাণৰ মুখ্য আলোচ্য বিষয়।

৫.৫ ৰচয়িতা আৰু ৰচনা কাল

বিষ্ণুপুৰাণৰ তৃতীয় অংশৰ ষষ্ঠ অধ্যায়ত উল্লেখ আছে যে কৃষ্ণদ্বৈপায়ন বেদব্যাসে আখ্যান, উপাখ্যান, গাথা আৰু কল্পশুদ্ধিৰ সৈতে পুৰাণ সংহিতা ৰচনা কৰে। গতিকে বিষ্ণুপুৰাণৰ ৰচকো বেদব্যাস। মৎস্য পুৰাণতো পুৰাণসংসহিতাৰ ৰচক হিচাপে বেদব্যাসৰ নাম উল্লেখ কৰা হৈছে। বিষ্ণুপুৰাণৰ তৃতীয় অংশত উল্লেখ কৰা আছে যে ব্যাসে তেওঁৰ শিষ্য ৰোমহর্ষণক পুৰাণ-

সংহিতা অধ্যয়ন কৰায়। ৰোমহর্ষণৰ ছয়জন শিষ্য। তাৰে তিনিজন শিষ্যই ৰোমহর্ষণৰ পৰা লাভ কৰা জ্ঞানেৰে তিনিখন পুৰাণ-সংহিতা ৰচনা কৰে। এই তিনিখন সংহিতাত বিষ্ণুৰ তত্ত্ব যেনেদৰে আছে তেনেদৰেই বিষ্ণুৰ তত্ত্ব বিষ্ণু পুৰাণত প্ৰকাশ কৰা হৈছে। এই পুৰাণ পদ্মপুৰাণৰ শেষত ৰচিত হৈছিল বুলি বিষ্ণুপুৰাণৰ তৃতীয় অংশত পোৱা যায়।

বিষ্ণুপুৰাণৰ ৰচনাকাল সম্পৰ্কে পণ্ডিতসকলৰ মাজত বৈমত্য পৰিলক্ষিত হয়। এই পুৰাণখনত আলোচিত বিষয়বস্তুৰ ওপৰত ভিত্তি কৰি পণ্ডিতসকলে তেওঁলোকৰ মতামত ব্যক্ত কৰিছে। উইন্টাৰনিৎজ, পাৰ্জিতাৰ আদিৰ মতে এই পুৰাণ পঞ্চম শতিকাত ৰচিত হৈছিল। জ্যোতিষ গণনাৰ পদ্ধতি বিশ্লেষণ কৰি পণ্ডিত, গৱেষক হাজাৰে কয় যে বিষ্ণুপুৰাণখন ষষ্ঠ শতিকাৰ আগতে ৰচিত হৈছিল। বিভিন্ন পণ্ডিত, গৱেষকৰ মতামত অধ্যয়ন কৰি এইকথা অনুমান কৰি ক'ব পাৰি যে দ্বিতীয় শতিকাৰ পৰা চতুর্থ শতিকাৰ ভিতৰত বিষ্ণুপুৰাণখন ৰচিত হৈছিল। বিষ্ণুপুৰাণৰ ওপৰত লিখা ভাষ্যসমূহৰ ভিতৰত শ্ৰীধৰস্বামীৰ ভাষ্যখনেই উল্লেখযোগ্য।



জানি থোৱা ভাল

ক) বিষ্ণুপুৰাণৰ তৃতীয় অংশৰ ষষ্ঠ অধ্যায়ত (২০-২৪) অষ্টাদশ পুৰাণৰ নাম ক্ৰমানুসৰি দিয়া আছে। সেই অনুসৰি বিষ্ণুপুৰাণৰ স্থান তৃতীয়।

খ) দ্বিতীয় অংশত গ্ৰহ নক্ষত্ৰৰ বৰ্ণনাৰ লগতে বৰষুণ কেনেদৰে হয় তাৰো বৰ্ণনা আছে। সমগ্ৰ জগতৰ আধাৰ সূৰ্যই নিজৰ কিৰণৰ দ্বাৰা আঠমাহ ক্ৰমান্বয়ে ষড়ৰসাত্মক ৰস বা পানী শুহি লয় আৰু বাকী চাৰি মাহত সেই শুহি লোৱা পানী পৃথিৱীত বৰ্ষণ কৰে। সূৰ্যই নদী, সাগৰ, মাটি আৰু প্ৰাণী দেহৰপৰা চাৰি প্ৰকাৰে পানী শোষণ কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ পুৰাণৰ পঞ্চলক্ষণ কি?

.....

প্ৰশ্ন নং ২ ঃ 'বিষ্ণু' শব্দৰ এটা অৰ্থ লিখক।

.....

প্ৰশ্ন নং ৩ ঃ বিষ্ণুপুৰাণৰ ৰচক কোন?

.....

প্ৰশ্ন নং ৪ ঃ বিষ্ণুপুৰাণৰ এগৰাকী ভাষ্যকাৰৰ নাম লিখক

.....

প্ৰশ্ন নং ৫ ঃ বিষ্ণুপুৰাণৰ আনুমানিক ৰচনাকাল কি?

.....

প্ৰশ্ন নং ৬ ঃ বিষ্ণুপুৰাণত কিমানটা অধ্যায় আছে?

.....

৫.৬ বিষ্ণুপুৰাণৰ অংশসমূৰ সাৰাংশ

প্ৰথম অংশ ঃ বিষ্ণুপুৰাণৰ প্ৰথম অংশত বাইশটা অধ্যায় আছে। পৰাশৰ আৰু মৈত্ৰেয়ৰ কথোপকথনেৰে বিষ্ণুপুৰাণৰ আৰম্ভণি হৈছে। চৰাচৰ জগতৰ উৎপত্তি, প্ৰলয়, দেৱতা আদিৰ উৎপত্তি; সাগৰ, পৰ্বত আৰু পৃথিৱীৰ অৱস্থান; সূৰ্য প্ৰমুখ্যে গ্ৰহবোৰৰ সংস্থান আৰু পৰিমাণ; দেৱতাসকলৰ বংশ; যুগধৰ্ম; দেৱতা, ঋষি আৰু ৰজাসকলৰ চৰিত্ৰ; চাৰিবেদ; চাৰিবৰ্ণ; চতুৰাশ্ৰম আৰু আশ্ৰমবাসীসকলৰ ধৰ্মৰ বিষয়ে বৰ্ণনা কৰিবলৈ বশিষ্ঠ মুনিৰ নাতি মৈত্ৰেয়ই পৰাশৰক অনুৰোধ কৰে। পূৰ্বতে ভগৱান বশিষ্ঠ আৰু ধীমান পুলস্ত্যই পৰাশৰক এই সম্পৰ্কত যিবোৰ কথা কৈছিল পৰাশৰে সেইবোৰ স্মৰণ কৰি মৈত্ৰেয়ক ক'বলৈ আৰম্ভ কৰে। বিষ্ণুৰ পৰাই এই জগত সৃষ্টি হৈছে আৰু তেওঁতেই অৱস্থিতও হৈ আছে। বিষ্ণু জগতৰ স্থিতি আৰু নিয়ন্ত্ৰণৰ কৰ্তা আৰু তেৱেঁই জগত স্বৰূপ। বিশ্ব-ব্ৰহ্মাণ্ডৰ সৃষ্টি প্ৰক্ৰিয়া বৰ্ণনা কৰাৰ পিচত পৰাশৰে উল্লেখ কৰে যে বিষ্ণুয়েই সৃষ্টি, স্থিতি আৰু প্ৰলয় কৰিবৰ বাবে ব্ৰহ্মা, বিষ্ণু আৰু শিৱ নাম লয়। প্ৰলয়ৰ সময়ত বাকী সকলোবোৰ ধ্বংস হয় যদিও একমাত্ৰ প্ৰকৃতি, পুৰুষ আৰু ব্ৰহ্মাহে বৰ্তমান হৈ থাকে। প্ৰলয়ত ত্ৰিলোক **একাৰ্ণৱ** হোৱাত নাৰায়ণাত্মক ব্ৰহ্মাই শয়ন কৰে আৰু সময় হ'লে জাগ্ৰত হৈ কল্পান্তত পুনৰ সৃষ্টি কাৰ্য আৰম্ভ কৰে। ভগৱান ব্ৰহ্মাই দেৱতা, অসুৰ, মানৱ, যক্ষ, পিশাচ, পশু-পক্ষী আদি স্থাৱৰ-জঙ্গম আদি সমস্ত জগত সৃষ্টি কৰে। সৃষ্টি প্ৰক্ৰিয়া হোৱাৰ পিচত প্ৰজা পালনৰ বাবে ব্ৰহ্মাই নিজকে আত্মসম্ভূত মনু কৰি লয়। এই অংশতে দেৱতা আৰু অসুৰসকলে মিলি সমুদ্ৰ মন্থন কৰাৰো বৰ্ণনা আছে। স্বায়ম্ভুৱ মনুৰ নাতি ধ্ৰুৱৰ উপাখ্যান, ধ্ৰুৱৰ বংশধৰ বেণ আৰু পৃথুৰ কাহিনী, কাশ্যপ আৰু দিতিৰ পুত্ৰ হিৰণ্যকশিপু আৰু হিৰণ্যাক্ষ, হিৰণ্যকশিপুৰ পুত্ৰ প্ৰহ্লাদৰ বিষ্ণু ভক্তিৰ কাহিনী, প্ৰহ্লাদ বধৰ চেষ্টা, বিষ্ণুৰ নৰসিংহ ৰূপ ধাৰণ আৰু হিৰণ্যকশিপু বধ, প্ৰহ্লাদৰ বংশাৱলী আৰু বিষ্ণুৰ চাৰি বিভূতি বৰ্ণনাৰে বিষ্ণুপুৰাণৰ প্ৰথম অংশৰ অন্ত পৰিছে।



একাৰ্ণৱ - জলাশয়

দ্বিতীয় অংশ ঃ বিষ্ণুপুৰাণৰ দ্বিতীয় অংশত যোল্লটা অধ্যায় আছে। মৈত্ৰেয়ই পৰাশৰৰ পৰা স্বায়ম্ভুৱ মনুৰ পুত্ৰ প্ৰিয়ব্ৰতৰ সন্তানসকলৰ বিষয়ে জানিব বিচৰাত পৰাশৰ মুনিয়ে প্ৰিয়ব্ৰতৰ বংশাৱলী বৰ্ণনা কৰে। এই প্ৰসঙ্গতে তেওঁ সপ্তদ্বীপ— জম্বুদ্বীপ, প্লক্ষদ্বীপ, শাল্মলীদ্বীপ, কুশদ্বীপ, কৌঞ্চদ্বীপ, শাকদ্বীপ আৰু পুষ্কৰদ্বীপৰ বিস্তাৰিত বিৱৰণ দিয়ে। জম্বুদ্বীপৰ বিভাগ অৰ্থাৎ নটা বৰ্ষৰ বৰ্ণনাও এই অংশত উপলব্ধ। জম্বুদ্বীপৰ বিশদ বৰ্ণনাৰ লগতে সাতসাগৰ, বৰ্ষপৰ্বত, গঙ্গানদী, বিভিন্ন পৰ্বতৰ বৰ্ণনা কৰিছে। সাগৰৰ উত্তৰে আৰু হিমালয় পৰ্বতৰ দক্ষিণে থকা ভাৰতবৰ্ষ নামৰ ভূখণ্ডৰ চাৰিসীমা, তাৰ অধিবাসীসকল, নদ-নদী, যজ্ঞপুৰুষ বিষ্ণু পূজা, সূৰ্য-চন্দ্ৰ আদিৰপূজা, বাকী ছয়টা দ্বীপ আৰু লোকালোকৰ বৰ্ণনা, **সপ্তপাতাল**, নাগৰাজ অনন্তদেৱৰ বৰ্ণনাও ইয়াত উপলব্ধ। পৃথিৱী আৰু পানীৰ তলত থকা নৰক নামৰ স্থান, কেনেকুৱা ব্যক্তি নৰকত পতিত হয়, নৰকত পতিত হ'বলগীয়া লোকসকলৰ উপযুক্ত প্ৰায়শ্চিত্ত ব্যৱস্থাৰ বৰ্ণনাও আছে। ভূ-লোকৰ বৰ্ণনাৰ পিচত ভূবৰ্লোকত অৱস্থিত গ্ৰহবিলাকে কোনে কাৰ ওপৰত কেনেদৰে অৱস্থান কৰি আছে পৰস্পৰৰ মাজত ব্যৱধান কিমান বৰ্ণনা কৰাৰ লগতে স্বলোকৰ বিৱৰণ আছে। সূৰ্যৰ ৰথৰ



সপ্তপাতাল— অতল, বিতল, নিতল, গভস্তিসৎ, মহাতল, শ্ৰেষ্ঠসুতল আৰু সপ্তম পাতাল।



যিমান দূৰলৈকে খোজ কঢ়াৰ যোগ্য বস্তু আছে, সিমান দূৰলৈকে **ভূলোক** বুলি কোৱা হয়। ভূমি আৰু সূর্যৰ মাজত যি ঠাই আছে, য'ত সিদ্ধ আৰু মুনি সকলৰ সেৱিত ঠাই আছে তাকেই **ভূৱর্লোক** বোলে। ধ্রুৱ আৰু সূর্যৰ মাজত যি চৈধ্য নিযুত যোজন ঠাই আছে সেয়াই স্বর্লোক।



মন্বন্তৰ— মনুৰ কাল বা যুগ। চৈধ্য মন্বন্তৰ মিলি ব্রহ্মাৰ এদিন হয়। এটা মন্বন্তৰ মানুহৰ ৪,৩২০,০০০ বছৰৰ সমান।



ঋক্, যজু আৰু সাম এই তিনিবেদক ব্রাহ্মণ, ক্ষত্রিয় আৰু বৈশ্য এই তিনি বর্ণৰ আৱৰণ বুলি কোৱা হয়। যিসকল ব্যক্তিয়ে মোহৰ বশৱর্তী হৈ এই আৱৰণ ত্রয় ত্যাগ কৰে সেই মহাপাপীকেই **নগ্ন** বুলি কোৱা হয়।

ভগৱান শ্রীহৰিয়ে নিজৰ দেহৰ পৰা মায়া মোহক উৎপন্ন কৰি দেৱতাসকলক প্রদান কৰে।

অৱস্থান, কাল নিৰূপণ গঙ্গা নদীৰ উৎপত্তি, বৰষুণৰ কাৰণ, বছৰৰ ১২ টা মাহৰ প্রতি মাহতেই ভিন্ ভিন্ দেৱতাসকলৰ সূর্য ৰথত অৱস্থিতিৰ কথা, ৰথত থকা বিষ্ণু শক্তি, বিভিন্ন গ্রহৰ ৰথ, জড় ভৰতৰ কথা, ভৰতৰ সৌৱীৰৰ প্রতি তত্ত্ব উপদেশ, ব্রহ্মাৰ পুত্র ঋভু আৰু পুলস্ত্যৰ পুত্র নিদাঘৰ কথোপকথন, ঋভুৰ নিদাঘক আত্মতত্ত্বৰ উপদেশ প্রদানৰ বর্ণনাৰে দ্বিতীয় অংশৰ অন্ত পৰিছে।

তৃতীয় অংশ ঃ এই অংশত ওঠৰটা অধ্যায় আছে। এই অংশ মন্বন্তৰৰ বর্ণনাৰে আৰম্ভ কৰা হৈছে। ছয়জন মনু (যথাক্রমে— স্বায়ম্ভুৱ, স্বাৰোচষ, ঔত্তমি, তামস, ৰৈৱত, চাক্ষুস) অতীত হৈ গৈছে। আৰু সূর্যৰ পুত্র ৰৈৱস্বত মনুৰ অধিকাৰ বর্তমান চলি আছে। ভৱিষ্যতৰ সপ্তমন্বন্তৰৰ বর্ণনা, ভগৱান বিষ্ণুৰ দ্বাৰা চাৰিযুগৰ উপযোগী ব্যৱস্থা, বিষ্ণুৱে বেদব্যাসৰ ৰূপ ধাৰণ কৰি যুগে যুগে বেদৰ বিভাজন কৰা, ঋগবেদ, যজুর্বেদ, সামবেদ আৰু অথর্ববেদৰ বিভাগৰ বর্ণনা তৃতীয় অংশত উপলব্ধ। পাপহীন কর্মৰ কথা ক'বলৈ গৈ পৰাশৰৰ 'যগমীতা'ৰ উল্লেখ, বিষ্ণু পূজাৰ ফলশ্রুতি, চাৰি আশ্রম অর্থাৎ ব্রহ্মচর্য, গার্হস্থ্য, বানপ্রস্থ আৰু সন্যাসৰ কথা, নিত্য নৈমিত্তিক আৰু কাম্য কর্ম, গৃহস্থৰ সদাচাৰ, শৱদাহ, অশৌচ আৰু শ্রাদ্ধাদিৰ কথা, শ্রাদ্ধত কৰা দানৰ ফল, শ্রাদ্ধ দর্শন দোষ, নগ্নৰ লক্ষণ, মায়া মোহৰ উৎপত্তি আৰু গমন, মায়া মোহৰ দ্বাৰা দৈত্যসকলৰ বিপথগমন, বৌদ্ধ ধর্মৰ উৎপত্তি আৰু এই প্রসঙ্গতে শতধনু নামৰ এগৰাকী বিখ্যাত ৰজাৰ নাস্তিকৰ লগত প্রীতিমধুৰ আলোচনা কৰাৰ ফলত হোৱা দুর্গতি আৰু দুর্গতিৰ পৰা মুক্তি লাভ কৰা বর্ণনাৰে বিষ্ণু পুৰাণৰ তৃতীয় অংশৰ সামৰণি পৰিছে।

চতুর্থ অংশ ঃ এই অংশত চৌবিশ (২৪) টা অধ্যায় আছে। মৈত্রেয়ৰ অনুৰোধ মর্মে পৰাশৰে বিভিন্ন বংশসমূহৰ বিৱৰণ আৰু বিস্তৃতি দাঙি ধৰে। প্রথমতেই মনুৰ বংশ বিৱৰণ দিয়ে। দক্ষকন্যা অদিতিৰ পুত্র সূর্য আৰু সূর্যৰ পুত্র হ'ল মনু। মনুৰ ঈক্ষ্বাকুকে আদি কৰি দহজন পুত্র আছিল আৰু পূর্বতে ইলা নামৰ এগৰাকী কন্যা আছিল। মনুৰ এগৰাকী বংশধৰ হ'ল কুকদ্মী। কুকদ্মীৰ কন্যা ৰেৱতীক ভগৱান বিষ্ণুৰ এক অৱতাৰ বলদেৱলৈ বিয়া দিয়া হয়। মনুৰ অন্য এজন পুত্র ইক্ষ্বাকুৰ বংশৰ বিখ্যাত বিখ্যাত ৰজাসকলৰো বর্ণনা দিয়া আছে এই অংশত। সৌভৰি, মান্ধাতা, অম্বৰীষ, ত্রিশঙ্কু, হৰিশ্চন্দ্র, ৰোহিতাশ্চ, আদি ৰজা সকলৰ কথা বর্ণনা কৰাৰ পিচত সগৰৰ বর্ণনা দিয়ে। সগৰৰ অশ্বমেধ যজ্ঞৰ ঘোৰা অপহৰণ হোৱাত তেওঁৰ ৬০ হেজাৰ পুত্রক ঘোৰা বিচাৰি পঠিওৱাত কপিল মুনিৰ ক্রোধানলত তেওঁলোক ভস্ম হয়। সগৰৰ বংশধৰ ভগীৰথে স্বর্গৰ পৰা স্তুতি কৰি গঙ্গাক পাতাললৈ বোৱাই আনি সেই পূর্বপুৰুষক জীয়াই তোলে। ইক্ষ্বাকু বংশৰ ৰজা ৰঘু, অজ, দশৰথ, ৰামচন্দ্র, লক্ষ্মণ, ভৰত, শত্রুঘ্ন, লৱ-কুশ আদিৰ পৰা আৰম্ভ কৰি বৃহদ্বললৈকে বর্ণনা কৰা আছে। সূর্যবংশীয় ৰজাসকলৰ সকলো বৃতান্ত বর্ণনা কৰাৰ পিচত প্রখ্যাত চন্দ্রবংশীয় ৰজাৰ বর্ণনা আছে। চন্দ্রপুত্র বুধৰ পৰা আৰম্ভ কৰি চন্দ্রবংশৰ ৰজা পুৰূৰৱা, আয়ু, ধন্বন্তৰী, ৰজি, নহুষ, যযাতি আদিৰ বর্ণনা এই অংশত উপলব্ধ। যদুবংশৰ বিভিন্ন ৰজাৰ বংশাৱলী বর্ণনা কৰাৰ পিছত সত্বতৰ বংশ, শিশুপালৰ পূর্বজন্ম, কুৰুবংশীয় ৰজাসকলৰো বর্ণনা কৰা হৈছে। ভৱিষ্যৎ ঈক্ষ্বাকুবংশীয় ৰজা, কলিকালত হ'বলগীয়া ৰজাসকল আৰু কলিধর্মৰ বর্ণনাৰে বিষ্ণুপুৰাণৰ এই অংশৰ সামৰণি পৰিছে।

পঞ্চম অংশ ঃ পঞ্চম অংশত আঠত্রিশ (৩৮)টা অধ্যায় আছে। বিষ্ণুপুৰাণৰ এই অংশত বসুদেৱ দৈৱকীৰ বিবাহৰ পৰা আৰম্ভ কৰি যদুকুল ধ্বংসলৈকে বৰ্ণনা কৰা হৈছে। যদুকূলত জন্ম লোৱা ভগৱান বিষ্ণুৰ অংশ অৱতাৰ সম্পৰ্কে সকলো কথা মৈত্ৰেয়ই বিস্তাৰিতভাৱে জানিবলৈ ইচ্ছা কৰাত পৰাশৰে তেনেদৰেই বৰ্ণনা কৰে। পৃথিৱী জনসাধাৰণৰ দ্বাৰা নানাভাৱে পীড়িতা হৈ দেৱতাসকলক সেই দুখ দূৰ কৰিবলৈ অনুৰোধ কৰাত দেৱতাসকলে পৃথিৱীৰ মহাভাৰ দূৰীকৰণৰ বাবে ব্ৰহ্মাক অনুৰোধ কৰে। ব্ৰহ্মাই দেৱতাসকলক লগত লৈ শ্ৰীহৰিক কাকুতি মিনতি কৰে পৃথিৱীৰ ভাৰ দূৰ কৰিবলৈ। শ্ৰীহৰিয়েও সেই উদ্দেশ্যে বসুদেৱ-দৈৱকীৰ অষ্টম সন্তান হিচাপে জন্ম লয়। শ্ৰীকৃষ্ণ নাম লৈ গোকুলত নন্দ-যশোদাৰ পুত্ৰ হিচাপেহে ডাঙৰ -দীঘল হয়। শ্ৰীকৃষ্ণই গোকুলত থাকোতেই পুতনাকে আদি কৰি বহুতো ৰাক্ষসী আৰু অসুৰক বধ কৰে। বিষ্ণু পুৰাণৰ এই অংশতে শৰৎকালৰ পূৰ্ণিমা তিথিত শ্ৰীকৃষ্ণ আৰু গোপীসকলে কৰা ৰাসক্ৰীড়াৰ মনোমোহা বৰ্ণনা আছে। শ্ৰীকৃষ্ণৰ এই সকলোবোৰ কাৰ্যৰ কথা নাৰদৰ মুখে গম পাই শিশু অৱস্থাতে শ্ৰীকৃষ্ণ আৰু বলৰামক বধ কৰাৰ উদ্দেশ্যে দুয়োকে মথুৰালৈ আনিবলৈ শ্বফল্কৰ পুত্ৰ অক্ৰুৰক পঠিয়ালে আৰু ধনুৰ্যজ্ঞৰো আয়োজন কৰে। অক্ৰুৰৰ লগত মথুৰালৈ আহোঁতে বাটে বাটে শ্ৰীকৃষ্ণই লীলা প্ৰদৰ্শন কৰি আহে আৰু বহুতো মুষ্টিযোদ্ধাক পৰাস্ত কৰি কংসবধ কৰে আৰু কংসৰ পিতৃ উগ্ৰসেনক কা�ৰাগাৰৰ পৰা মুকলি কৰি ৰাজ সিংহাসনত অভিসিক্ত কৰে। মগধৰ ৰজা জৰাসন্ধই একেৰাহে ওঠৰবাৰ মথুৰানগৰ আক্ৰমণ কৰা বাবে শ্ৰীকৃষ্ণই মথুৰাৰ সকলো প্ৰজাৰ বাবে দ্বাৰকাত নতুনকৈ নগৰ স্থাপন কৰে। ভীষ্মক জীয়ৰী ৰুক্মিণীক শ্ৰীকৃষ্ণৰ দ্বাৰা হৰণ কৰি বিবাহ কাৰ্য সম্পন্ন কৰা বৰ্ণনাও ইয়াত উপলব্ধ। শ্ৰীকৃষ্ণৰ দ্বাৰা নৰকাসুৰ বধ, সত্যভামাৰ বাবে স্বৰ্গৰ পাৰিজাতফুল হৰণ, ষোল্লহাজাৰ এশ ৰমণীক বিবাহ, নাতি অনিৰুদ্ধক উদ্ধাৰৰ বাবে বাণৰজাৰ লগত যুদ্ধ, কাশী, দহনৰ বৰ্ণনা বিস্তাৰিতভাৱে দিয়া হৈছে। ঋষিসকলৰ অভিশাপত যদুকূল ধ্বংস, ভগৱানৰ স্বধামলৈ প্ৰত্যাৱৰ্তন, পৰীক্ষিতৰ ৰাজ্যাভিষেকৰ বিস্তাৰিত বৰ্ণনাৰে পঞ্চম অংশৰ সামৰণি পৰিছে।

ষষ্ঠ অংশ ঃ এই অংশত আঠোটা অধ্যায় আছে। প্ৰলয়কালত প্ৰাণীবিলাকৰ কেনেদৰে বিনাশ ঘটে, মহাপ্ৰলয়ৰ স্বৰূপ কি এই বিষয়ে পৰাশৰে মৈত্ৰেয়ৰ আগত বৰ্ণনা কৰে। সত্য, ত্ৰেতা, দ্বাপৰ আৰু কলি— এই চাৰিটা যুগ। সত্যযুগত প্ৰথমে ব্ৰহ্মাই জীৱবিলাকৰ সৃষ্টি কৰে আৰু অন্তিম কলি যুগত সমস্ত সৃষ্টিকে আকৌ নাশ কৰে। কলিকালত চাৰিপ্ৰকাৰৰ ধৰ্ম বিলুপ্তপ্ৰায় হ'ব বুলি কোৱা আছে। পৰাশৰে মৈত্ৰেয়ৰ আগত কলিকালৰ স্বৰূপ বিস্তৃতভাৱে কোৱাৰ লগতে ব্যাসদৱে কোৱা কলিযুগৰ তত্ত্বও বৰ্ণনা কৰে। কালৰ পৰিমাণ, ভূতবিলাকৰ তিনি প্ৰকাৰৰ প্ৰলয়— নৈমিত্তিক, আত্যন্তিক, প্ৰাকৃতিক প্ৰলয়ৰ কথা, তিনি প্ৰকাৰৰ দুখ— আধ্যাত্মিক, আধিদৈৱিক, আধিভৌতিকৰ কথাও পৰাশৰে বৰ্ণনা কৰে। পৰমেশ্বৰক লাভ কৰিব পৰা যোগ, ব্ৰহ্মযোগৰ বিষয়ে বৰ্ণনা কৰাৰ পিছত পৰাশৰে মৈত্ৰেয়ক বিষ্ণু পুৰাণৰ মাহাত্ম্য বৰ্ণনা দাঙি ধৰে। এইখিনিতে ষষ্ঠ অংশ তথা সমগ্ৰ বিষ্ণু পুৰাণৰ বৰ্ণনাৰ সামৰণি পৰিছে।



জানি থোৱা ভাল

পৰাশৰ — মহর্ষি বশিষ্ঠৰ পুত্র শক্রি, শক্রিৰ পুত্র হ'ল পৰাশৰ।

পুলস্ত্য ঃ ব্রহ্মাৰ মানস পুত্র।

জৰাসন্ধ ঃ মগধৰ ৰজা, বৃহদ্রথৰ পুত্র। মথুৰাৰ ৰজা কংসই জৰাসন্ধৰ দুজনী জীয়েক অস্তি আৰু প্রাপ্তিক বিয়া কৰাইছিল। শ্রীকৃষ্ণই কংসক বধ কৰাৰ বাতৰি পোৱাত জৰাসন্ধ অতিকে ক্রোধান্বিত হৈ মথুৰা আক্রমণ কৰে। অৱশেষত ভীমৰ হাতত জৰাসন্ধৰ মৃত্যু হয়।

সত্যভামা ঃ যদুবংশীয় ৰজা সত্রাজিতৰ কন্যা। শ্রীকৃষ্ণৰ অন্যতমা মহর্ষি। সত্যভামাৰ অনুৰোধত শ্রীকৃষ্ণই স্বর্গৰ দেৱসৈন্য আৰু শ্রীকৃষ্ণৰ মাজত যুদ্ধ হয়। যুদ্ধত ইন্দ্র পৰাজিত হয় যদিও শ্রীকৃষ্ণ আৰু সত্যভামাই তেওঁক পাৰিজাত বৃক্ষ ওভটাই দিয়ে। কিন্তু দেৱৰাজে শেষত শ্রীকৃষ্ণক পাৰিজাত দ্বাৰকালৈ লৈ যাবলৈ দিয়ে। শ্রীকৃষ্ণই সেই ফুল সত্যভামাৰ উদ্যানত প্রতিষ্ঠা কৰে।

বাণ ঃ ৰজা বলিৰ জ্যেষ্ঠ পুত্র। বাণ ৰজাৰ জীয়ৰী ঊষাক শ্রীকৃষ্ণৰ নাতি অনিৰুদ্ধই বিয়া কৰায়। ঊষাৰ সখী চিত্রলেখাই অনিৰুদ্ধক মায়াৰ বলেৰে অপহৰণ কৰি শোণিতপুৰলৈ লৈ আহে। বাণৰজাৰ নাগপাশত অনিৰুদ্ধ বন্দী হয়। তেওঁক মুক্ত কৰিবলৈ শ্রীকৃষ্ণই বাণৰজাৰ লগত যুদ্ধ কৰে। বাণ আছিল শিৱভক্ত। বাণক ৰক্ষা কৰিবলৈ স্বয়ং শিৱ আৰু কার্তিকো আহি বাণপক্ষ লৈ বিষ্ণুৰ লগত যুদ্ধ কৰে। এই যুদ্ধকে হৰিহৰ যুদ্ধ বুলি কোৱা হয়। যুদ্ধত বাণ পৰাজিত হয়। শিৱৰ স্তুতিত বিষ্ণুৱে নিজৰ সুদর্শন চক্রক নিৱাৰণ কৰে। বিষ্ণুৰ বাহন গৰুড়ক দেখি নাগপাশৰ সকলোবোৰ নাগ পলাই যায় আৰু অনিৰুদ্ধ মুক্ত হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ একার্ণৰ মানে কি?

.....

প্রশ্ন নং ৮ ঃ সপ্তদ্বীপৰ নাম লিখক?

.....

প্রশ্ন নং ৯ ঃ সপ্ত পাতালৰ নামবোৰ একাদিক্রমে লিখক?

.....

প্রশ্ন নং ১০ ঃ স্বর্লোক কাক বোলে?

.....

প্রশ্ন নং ১১ ঃ বিষ্ণুপুৰাণৰ চতুর্থ অংশত কিমানটা অধ্যায় আছে?

.....

প্রশ্ন নং ১২ ঃ জৰাসন্ধ কোনখন দেশৰ ৰজা আছিল?

.....

প্রশ্ন নং ১৩ ঃ বিষ্ণুপুৰাণৰ মতে 'প্রলয়' কেই প্রকাৰৰ আৰু কি কি?

.....

প্রশ্ন নং ১৪ ঃ সত্যভামা কাৰ জীয়ৰী আছিল?

.....

প্রশ্ন নং ১৫ ঃ বিষ্ণুপুৰাণ অনুসৰি 'দুখ' কেইপ্রকাৰৰ আৰু কি কি?

.....



৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- বিষ্ণুপুৰাণ নামটোৰ তাৎপর্য জানিব পাৰিলে।
- বিষ্ণুপুৰাণৰ আলোচ্য বিষয়ৰ লগত পৰিচিত হ'ল।
- গ্রন্থখনৰ ৰচয়িতা আৰু ৰচনাকালৰ বিষয়ে জানিলে।
- কেইগৰাকীমান ঋষি মুনি আৰু ৰজাৰ বিষয়ে জানিলে।
- গ্রন্থখনৰ আটাইকেইটা অংশৰ বিষয়বস্তুৰ বিষয়ে জানিব পাৰিলে।



৫.৮ অধিক জানিবলৈ

১) Josi, K. L. (Edt.) (2011); *The Visnu Puranam*; Delhi, Parimal Publications,

২) ভাগৱতী, সুৰেণ (সম্পাদিত); (২০০৩), *বিষ্ণুপুৰাণ;* দত্তবৰুৱা পাবলিচিং কোঃ প্রাঃ লিঃ।

৩) শর্মা, ড° থানেশ্বৰ; (২০১৫) *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত*; গুৱাহাটীঃ চন্দ্ৰ প্ৰকাশ।
৪) শর্মাদলৈ, ড° হৰিনাথ; (২০০৮) *ভাৰতকোষ*; নলবাৰীঃ সৰস্বতী কম্পিউটাৰ প্ৰেছ।



৫.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ সর্গ, প্রতিসর্গ, বংশ, মন্বন্তৰ আৰু বংশানুচৰিত।

২ নং প্ৰশ্নৰ উত্তৰ ঃ যি সকলোতে ব্যাপি আছে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ বেদব্যাস।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ শ্রীধৰস্বামী।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ দ্বিতীয় শতিকাৰ পৰা চতুর্থ শতিকাৰ ভিতৰত।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ১২৬।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ জলাশয়।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ জম্বুদ্বীপ, প্লক্ষদ্বীপ, শাল্মলীদ্বীপ, কুশদ্বীপ, ক্রৌঞ্চদ্বীপ, শাকদ্বীপ আৰু পুষ্কৰদ্বীপ।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ অতল, বিতল, নিতল গভস্তিসৎ, মহাতল, শ্রেষ্ঠসুতল আৰু সপ্তমপাতাল।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ ধ্রুৱ আৰু সূর্যৰ মাজত যি চৈধ্যনিযুত যোজন ঠাই আছে সেয়াই স্বর্লোক।

১১ নং প্ৰশ্নৰ উত্তৰ ঃ চৌবিশ (২৪) টা।

১২ নং প্ৰশ্নৰ উত্তৰ ঃ মগধ দেশৰ।

১৩ নং প্ৰশ্নৰ উত্তৰ ঃ তিনি প্ৰকাৰৰ— নৈমিত্তিক, আত্যন্তিক আৰু প্রাকৃতিক।

১৪ নং প্ৰশ্নৰ উত্তৰ ঃ সত্রাজিতৰ।

১৫ নং প্ৰশ্নৰ উত্তৰ ঃ তিনি প্ৰকাৰৰ— আধ্যাত্মিক, আধিদৈৱিক আৰু আধিভৌতিক।



৫.১০ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ বিষ্ণুপুৰাণৰ ৰচয়িতা আৰু ৰচনাকালৰ বিষয়ে লিখক।

প্ৰশ্ন ২ ঃ চমুটোকা লিখক— জৰাসন্ধ, সত্যভামা; বাণ

(খ) ৰচনাধর্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ বিষ্ণুপুৰাণৰ ষষ্ঠ অংশৰ সাৰাংশ লিখক।

*** ***** ***

অধ্যায় ৬ ঃ ভাৰতবর্ষৰ বর্ণনা (বিষ্ণুপুৰাণৰ মতে)

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ জম্বুদ্বীপৰ পৰিচয়

৬.৪ ভাৰতবর্ষৰ বর্ণনা

৬.৫ সংস্কৃত পাঠ্যাংশ

৬.৬ সংস্কৃত পাঠ্যাংশৰ অসমীয়া অনুবাদ

৬.৭ শব্দার্থ

৬.৮ বিসন্ধি

৬.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.১০ অধিক জানিবলৈ

৬.১১ অগ্রগতিৰ খতিয়ান

৬.১২ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- জম্বুদ্বীপৰ বিষয়ে জনিব পাৰিব
- ভাৰতবর্ষৰ বর্ণনা জানিব পাৰিব
- বিষ্ণুপুৰাণৰ দ্বিতীয় অংশৰ তৃতীয় অধ্যায়ৰ সংস্কৃত পাঠ অধ্যয়ন কৰিব পাৰিব
- সংস্কৃত পাঠৰ লগতে অসমীয়া অনুবাদ জানিব পাৰিব
- কঠিন শব্দসমূহৰ অর্থ আৰু বিসন্ধি জানিব পাৰিব।

৬.২ পৰিচয়

আপুনি ইতিমধ্যে বিষ্ণুপুৰাণৰ সাধাৰণ পৰিচয় ইয়াৰ আগৰ অধ্যায়ত জানিব পাৰিছে। এই অধ্যায়টিত এই গ্রন্থখনৰ দ্বিতীয় অংশত উপলব্ধ 'ভাৰতবর্ষ' নামৰ অধ্যায়টিৰ বিষয়ে আলোচনা কৰা হ'ব। বিষ্ণুপুৰাণৰ সময়ৰ ভাৰতবর্ষৰ ভৌগলিক স্থিতি, ভাৰতবর্ষৰ অধিবাসী, সমাজত প্রচলিত ৰীতি-নীতি, ব্যৱসায়-বাণিজ্য, ধর্মীয় কাম-কাজ আদিৰ বর্ণনা এই গ্রন্থখনত আলোচনা কৰা আছে। এই অধ্যায়টিত এই বিষয়বস্তুসমূহ আলোকপাত কৰা হ'ব। তদুপৰি এই অধ্যায়ত বিষ্ণু পুৰাণৰ 'ভাৰতবর্ষ' নামৰ অধ্যায়ত থকা শ্লোকসমূহৰ সংস্কৃত পাঠ, অসমীয়া অনুবাদ, কঠিন শব্দসমূহৰ বিসন্ধি আৰু কিছুমান গুৰুত্বপূর্ণ শব্দৰ অর্থ আপোনাৰ বাবে আগবঢ়োৱা হৈছে। লগতে মূল

পাঠ্যাংশ সহজবোধ্য হ'বৰ বাবে জম্বুদ্বীপৰ (দ্বিতীয় অংশ, দ্বিতীয় অধ্যায়) চমু বৰ্ণনাও দাঙি ধৰা হৈছে।

৬.৩ জম্বুদ্বীপৰ চমু পৰিচয়

পৰাশৰ মুনিয়ে ভূমণ্ডলৰ বিৱৰণ দিবলৈ গৈ মৈত্রেয়ৰ সন্মুখত জম্বুদ্বীপৰ বৰ্ণনা কৰে।

ভূমণ্ডলত থকা দ্বীপ হ'ল সাতোটা— জম্বু, প্লক্ষ, সাল্মল, কুশ, ক্রৌঞ্চ, শাক আৰু পুষ্কৰ। এই সাতোটা দ্বীপক যথাক্রমে সাতোটা সাগৰে (লৱণ, ইক্ষু, সুৰা, সর্পি, দধি, দুগ্ধ আৰু জল) চাৰিওফালে সমভাৱে আগুৰি আছে। এই সকলোৰে মাজভাগত জম্বুদ্বীপ অৱস্থিত আৰু তাৰ মাজ ভাগত সুৱর্ণ পর্বত মেৰু অর্থাৎ হিমালয় পর্বত অৱস্থিত হৈ আছে। হিমালয় পর্বতৰ উচ্চতা চৌৰাশী হাজাৰ যোজন। তলৰফালে ষোল্ল হাজাৰ আৰু উপৰফালে বত্রিশ হাজাৰ যোজন বিস্তৃত হৈ আছে। হিমালয়ৰ দক্ষিণফালে হিমৱান, হিমকূট আৰু নিষধ; উত্তৰফালে নীল, শ্বেত আৰু শৃঙ্গী পর্বত অৱস্থিত। এইবোৰক বর্ষ পর্বত বুলি কোৱা হয়। এই পর্বতবোৰে ভাৰত আদি দেশ বা বর্ষ বিলাকৰ সীমা নির্দ্ধাৰণ কৰি আছে। হিমালয়ৰ দক্ষিণে সাগৰৰ পাৰত প্রথমে ভাৰতবর্ষ, তাৰ পাছত কিম্পুৰুষবর্ষ আৰু তাৰ পাছত হৰিবর্ষ অৱস্থিত হৈ আছে। উত্তৰ ফালে ৰম্যক, হিৰন্ময় আৰু উত্তৰ কুৰুবর্ষ অৱস্থিত। এইবিলাক প্রত্যেকেই ন হাজাৰ যোজনকৈ বিস্তৃত হৈ আছে। মেৰুৰ চাৰিওফালে চাৰি পর্বত আছে— মন্দৰ, গন্ধমাদন, বিপুল আৰু সুপার্শ্ব। এই পর্বতসমূহত এঘাৰশ যোজন উচ্চ কদম্ব, জম্বু, পিপ্পল আৰু বট— এই চাৰিজোপা গছ পর্বতৰ ধ্বজ্জাৰদৰে নির্মিত যেন হৈ আছে। সেই জম্বু গছজোপাৰ বাবেই এই দ্বীপৰ নম জম্বুদ্বীপ হয় বুলি মৈত্রেয়ক পৰাশৰে কৈছে। একেটা জম্বু ফল হাতীৰ সমান আছিল। ফলবোৰ পর্বতত পৰি চূর্ণীকৃত হয় আৰু তাৰ ৰসৰ পৰা ততেই বিখ্যাত জম্বুনদী প্রৱাহিত হয়। সেই নদীৰ পানীকেই জম্বুদ্বীপৰ অধিবাসীসকলে পান কৰে। সেই নদীৰ পানী বিশুদ্ধ হোৱাৰ বাবে মানুহৰ কোনো বেমাৰ আজাৰ নহৈছিল।

মেৰুৰ পূবফালে ভদ্রাশ্ব বর্ষ আৰু পশ্চিমফালে থকা কেতুমানবর্ষ আৰু দুয়ো বর্ষৰ মাজত ইলাবৃতবর্ষ। মেৰুৰ বিভিন্ন দিশত থকা বিভিন্ন বননি, সৰোবৰ আৰু পর্বতসমূহৰ বর্ণনাও বিস্তৃতভাৱে উল্লেখ আছে। মেৰুৰ ওপৰফালে আছে ব্রহ্মাপুৰী আৰু ব্রহ্মাপুৰীৰ চাৰিওফালে চাৰিওকোণত ইন্দ্র প্রমুখ্যে লোকপালকসকলৰ পুৰী আছে। বিষ্ণু পদৰ পৰা উদ্ভৱ হোৱা গঙ্গানদী এই ব্রহ্মাপুৰীত পৰিছে। গঙ্গা আকাশ পথত ইখন পর্বতৰ পৰা সিখন পর্বতত পৰি ভদ্রাশ্বৰে প্রবাহিত হৈ সাগৰত মিলিছে।

ভাৰতবর্ষ, কেতুমানবর্ষ, ভদ্রাশ্ববর্ষ আৰু কুৰুবর্ষই পদুমপাতৰ দৰে জম্বুদ্বীপক আগুৰি আছে। মেৰুৰ চাৰিওফালে থকা মনোৰম পর্বত বিলাকৰ ভিতৰৰ সন্ধিস্থলত সিদ্ধ দেৱগায়কসকল থাকে। তাত থকা মনোহৰপুৰীত লক্ষ্মী, বিষ্ণু, অগ্নি আৰু সূর্য, গন্ধর্ব, যক্ষ, ৰক্ষ, দৈত্য-দানৰ আদি থাকে। সেই সকলোবোৰ স্থানকে ভৌম অর্থাৎ পৃথিৱীৰ স্বর্গ বুলি কোৱা হয়। ভগৱান বিষ্ণু

বিভিন্ন বৰ্ষত বিভিন্ন ৰূপে অৱস্থান কৰি আছে। ভাৰতবৰ্ষত কূৰ্মৰূপে অৱস্থান কৰি আছে। সকলো জীৱতে ভগৱান হৰিয়ে বিশ্বৰূপে অৱস্থান কৰি আছে। জম্বুদ্বীপৰ এই আঠোটা বৰ্ষতে শোক, ক্ষুধা, ভয় আদি নাই। দহ-বাৰহাজাৰ বছৰলৈকে স্থিৰ আয়ুস। পার্থিৱ জল যথেষ্ট; সত্য, ত্রেতা, আদি যুগৰ বিষয়ে কোনো কল্পনা নাই। এই আঠোটা বৰ্ষতে সাতোটাকৈ কুলাচল (মহেন্দ্ৰ, মলয়, সহ্য, শুক্তিমান, ঋক্ষ, বিন্ধ্য আৰু পাৰিপাত্ৰ) পৰ্বত আৰু শ শ নদী আছে।

৬.৪ ভাৰতবৰ্ষৰ বৰ্ণনা

জম্বুদ্বীপৰ বৰ্ণনাৰ পৰা আপুনি গম পালে যে জম্বুদ্বীপৰ আঠোটাবৰ্ষৰ ভিতৰত এটা বৰ্ষ হ'ল ভাৰতবৰ্ষ। এই অংশত বিষ্ণুপুৰাণৰ দ্বিতীয় অধ্যায়ৰ তৃতীয় অংশৰ মতে ভাৰতবৰ্ষৰ বৰ্ণনা দাঙি ধৰা হৈছে।

সাগৰৰ উত্তৰে আৰু মেৰু বা হিমালয় পৰ্বতৰ দক্ষিণ দিশে থকা ভূখণ্ডকেই ভাৰতবৰ্ষ বুলি কোৱা হয়। ভাৰতবৰ্ষৰ ভূখণ্ডৰ বিস্তৃতি সেই সময়ৰ হিচাবত ন হাজাৰ (৯,০০০) যোজন। স্বৰ্গকামনা কৰা আৰু মোক্ষ কামনা কৰা ব্যক্তিসকলৰ বাসস্থান বুলি কোৱা হয় এই ভূখণ্ডক। নিজ কৰ্মফল অনুসাৰে তেনে ব্যক্তি এই ভূখণ্ডৰ পৰাই স্বৰ্গ লাভ কৰে আৰু মোক্ষও লাভ কৰে। আকৌ নিজ কৰ্মৰ দোষত পাপত ডুবি তীর্য্যক যোনিত জন্মলাভ কৰাৰ উপৰিও নৰকলৈ গতি কৰে। এই ভাৰতবৰ্ষৰ পৰাই ভৌম, পাতাল আদিলৈও গতি কৰে। ভাৰতবৰ্ষৰ বাহিৰে অন্য ঠাইত এনেকুৱা বিধি নাই বুলি কোৱা হয়।

ভাৰতবৰ্ষক নটা ভাগত ভাগ কৰা হৈছে— ইন্দ্ৰদ্বীপ, কশেৰুমান, তাম্ৰবর্ণ, গভাস্তিমান, নাগদ্বীপ, সৌম্য, গন্ধর্ব আৰু বাৰুণ। নৱম দ্বীপ সাগৰেৰে আবৃত্ত আৰু ই উত্তৰা-দক্ষিণাকৈ এহেজাৰ যোজন জুৰি বিস্তৃত হৈ আছে। নৱমদ্বীপৰ পূবদিশত কিৰাত, পশ্চিম দিশত যৱন, মাজৰ অংশত ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ জাতিৰ লোকসকল বাস কৰে। এই চাৰিজাতিৰ লোকসকলে নিজৰ কৰ্মৰ ভাগ অনুসৰি যজ্ঞ, যুদ্ধ, বেপাৰ-বাণিজ্য আদি কৰ্ম কৰি জীৱিকা নির্বাহ কৰে।

বিভিন্ন পৰ্বতৰ পৰা নদীবোৰ উদ্ভৱ হোৱা বৰ্ণনাও ইয়াত উপলব্ধ।

শতদ্রু, চন্দ্ৰভাগা প্ৰমুখ্যে নদীবোৰ হিমালয় পৰ্বতৰ পৰা, বেদস্মৃতি আদি পাৰিপাত্ৰ পৰ্বতবোৰৰ পৰা; নর্মদা, সুৰসা আদি নদীবোৰ বিন্ধ্যপৰ্বতৰ পৰা; তাপী, পায়োষ্ণী আৰু নির্বিন্ধ্যা আদি ঋক্ষ পৰ্বতৰ পৰাও গোদবৰী, ভীমৰথী, কৃষ্ণবেণী আদি পাপভয়হাৰিণী নদী সহ্য পৰ্বতৰ পৰা; কৃতমালা আৰু তাম্ৰপর্ণী আদি মলয় পৰ্বতৰ পৰা; ত্ৰিসামা, আচার্য্যকুলা আদি মহেন্দ্ৰ পৰ্বতৰ পৰা; ঋষিকুল্যা, কুমাৰী প্ৰমুখ্যে আন কিছুমান নদী শুক্তিমান পৰ্বতৰ পৰা উদ্ভৱ হৈছে। এই নদীসমূহৰ আকৌ হাজাৰ হাজাৰ শাখানদী, উপনদী, আদি আছে। নদীবোৰৰ পাৰে পাৰে কুৰু-পাঞ্চাল, মধ্যদেশ, কামৰূপ, পূর্বদেশ পুণ্ড্ৰ, কলিঙ্গ, মগধ, দাক্ষিণাত্য আদি দেশৰ মানুহবোৰ বাস কৰে। ইয়াৰ উপৰিও পশ্চিম প্ৰান্ত, সৌৰাষ্ট্ৰ, শূৰ, আভীৰ, অর্বুদ, কাৰূষ, মালৱ, পাৰিপাত্ৰবাসী, সৌবীৰ, সৈন্ধৱ, হূণ, শাল্ব, সাকলবাসীসকল, মদ্ৰ, আৰাম, অম্বষ্ঠ আৰু পাৰসীক আদি লোকসকল এই নদী উপত্যকাবোৰত অর্থাৎ বিভিন্ন নদী উপত্যকাবোৰত বাস কৰে। তেওঁলোকে সেই নদীৰ

পানী খায়। সেইনদীৰ পানী পান কৰা সেই অধিবাসীসকল হৃষ্ট-পুষ্ট আৰু তেওঁলোক মহাভাগ্যবান। সত্য, ত্রেতা, দ্বাপৰ আৰু কলি— এই চাৰিটা যুগৰ ধাৰণা অকল ভাৰতবৰ্ষতহে আছে, অন্য কতো নাই। এই ভাৰতবৰ্ষতে মুনিসকলে তপস্যা কৰে, যাজ্ঞিকসকলে হোম-যজ্ঞ কৰে আৰু পৰলোকৰ কামনাৰে দান-দক্ষিণা কৰে। জম্বুদ্বীপৰ মানুহবিলাকে যজ্ঞপুৰুষ বিষ্ণুক সকলো সময়তে যজ্ঞৰ দ্বাৰা পূজা কৰে। আন দ্বীপবোৰত অন্য পূজা অর্থাৎ সোম, সূর্য্য আদি গ্রহৰ পূজা কৰা হয়। জম্বুদ্বীপত যিমানবোৰ বর্ষ আছে, সকলোতকৈ ভাৰতবর্ষ শ্রেষ্ঠ। কাৰণ ভাৰতবর্ষ কর্মভূমি, বাকী ঠাইবোৰ ভোগ্যভূমি। জীৱবোৰে হাজাৰ হাজাৰ জন্মৰ পাছত মহাপুণ্যৰ বলত কেতিয়াবাহে ভাৰতবর্ষত মানুহৰূপে জন্মলাভ কৰিব পাৰে। ভাৰতবর্ষ এনেকুৱা পুণ্যক্ষেত্র বাবেই দেৱতাসকলে এনেদৰে গীত গায়—

'যিবিলাকে স্বর্গ আৰু মোক্ষস্পদৰ পথ স্বৰূপ ভাৰত ভূমিত জন্ম গ্রহণ কৰে বা কৰিছে, সেইসকল পুৰুষ দেৱতাসকলতকৈও শ্রেষ্ঠ বাবেই তেওঁলোক ধন্য। তেওঁলোকে অনুষ্ঠিত কৰা কর্মবিলাকৰ ফল আৰু আকাংক্ষাৰ সংকল্প নকৰি পৰমাত্মাস্বৰূপ বিষ্ণুতেই নিজক অর্পণ কৰে আৰু নির্মল নিষ্পাপ হৈ বিষ্ণুতে লয় পায়।'

এয়ে হ'ল ভাৰতবর্ষৰ বর্ণনা, যি জম্বুদ্বীপৰ ভিতৰত এখন শ্রেষ্ঠ বর্ষ।

৬.৫ ভাৰতবর্ষৰ বর্ণনা (দ্বিতীয় অংশ, অধ্যায় ৩)ৰ সংস্কৃত পাঠ্যাংশ

পৰাশৰ উবাচ ঃ

উত্তৰং যৎ সমুদ্রস্য হিমাদ্রেশ্চৈৱ দক্ষিণম্।
বর্ষং তদ্ ভাৰতং নাম ভাৰতী যত্র সন্ততি ঃ ।। ১ ।।
নৱযোজনসাহস্রো বিস্তাৰো২স্য মহামুনে ঃ ।
কর্মভূমিৰিয়ং স্বর্গমপবর্গঞ্চ গচ্ছতাম্ ।। ২ ।।
মহেন্দ্রো মলয় ঃ সহ্য ঃ শক্তিমান ঋক্ষ পর্বত ঃ ১
বিন্ধ্যশ্চ পাৰিপাত্রশ্চ সপ্তাত্র কুলপর্বতা ঃ ।। ৩ ।।
অতঃ সম্প্রাপ্যতে স্বর্গো মুক্তিমস্মাৎ প্রয়ান্তি ৱৈ
তির্যক্ত্বং নৰকঞ্চাপি যান্ত্যতঃ পুৰুষা মুনে ।। ৪ ।।
ইতঃ স্বর্গ শ্চ মোক্ষশ্চ মধ্যশ্চান্তশ্চ গম্যতে।
ন খন্বন্যত্র মর্ত্ত্যানাং কর্ম ভূমৌ বিধীয়তে ।। ৫ ।।
ভাৰতস্যাস্য বর্ষস্য নৱ ভেদান্ নিশাময়।
ইন্দ্রদ্বীপ ঃ কশেৰুমান্ তাম্রবর্ণো গভস্তিমান্।
নাগদ্বীপস্তথা সৌম্যো গন্ধর্ৱস্ত্ব বাৰুণ ।। ৬ ।।
অয়ন্তু নৱমস্তেষাং দ্বীপ ঃ সাগৰসংবৃত ঃ।
যোজনানাং সহস্রন্তু দ্বীপো২য়ং দক্ষিণোত্তৰাৎ ।। ৭ ।।
পূর্বে কিৰাতা যস্য স্যুঃ পশ্চিমে যৱনা ঃ স্থিতা ঃ।

ব্রাহ্মণা ঃ ক্ষত্রিয়া বৈশ্যা মধ্যে শুদ্রাশ্চ ভাগশঃ ।। ৮ ।।
ইজ্যা-যুদ্ধ-বাণিজ্যদ্যৈর্বর্ত্তয়ন্তো ব্যৱস্থিতা ঃ ।
শতদ্রুচন্দ্রভাগাদ্যা হিমবৎপাদনির্গতা ঃ।। ৯ ।।
বেদ-স্মৃতিসুখ্যাদ্যাশ্চ পাৰিপাত্রোদ্ভৱা মুনে।
নর্মদা সুৰসাদ্যাশ্চ নদ্যো বিন্ধ্যাদ্রিনির্গতা ঃ।। ১০ ।।
তাপী-পায়োষ্ণী-নির্বিন্ধ্যাপ্রমুখা ঋসম্ভৱা ঃ ।
গোদাবৰী ভীমৰথী কৃষ্ণবেণ্যাদিকাস্তথা ।। ১১ ।।
সহ্যপাদোদ্ভৱা নদ্য ঃ স্মৃতা ঃ পাপভয়াপহা ঃ
কৃতমালা-তাম্রপর্ণী প্রমুখা মলয়োদ্ভৱা ঃ ।। ১২ ।।
ত্রিসামাচার্যকুল্যাদ্যা মহেন্দ্রপ্রভৱা ঃ স্মৃতা ঃ ।
ঋষিকুল্যা-কুমার্যাদা ঃ শুক্তিমৎপাদসম্ভৱা ঃ ।। ১৩ ।।
আসাং নদ্যুপনদ্যশ্চ সন্ত্যন্যাশ্চ সহস্রশ ঃ ।
তাস্বিমে কুৰুপাঞ্চালা মধ্যদেশাদয়ো জনা ঃ।। ১৪ ।।
পূর্বদেশাদিকাশ্চৈৰ কামৰূপনিবাসিন ঃ ।
পুণ্ড্রা ঃ কলিঙ্গা মগধা দাক্ষিণাত্যাশ্চ সর্বশ ঃ।। ১৫ ।।
তথাপাৰান্তা ঃ সৌৰাষ্ট্রা ঃ শূৰাভীৰাস্তথার্বুদা ঃ ।
কাৰ্ষা মান্যবাংশ্চৈৰ পাৰিপাত্রনিবাসিন ঃ।। ১৬ ।।
সৌবীৰা ঃ সৈন্ধৱা হুণা ঃ শাল্বা ঃ শাকলবাসিন ঃ ।
মদ্রাৰামাস্তথাম্বষ্ঠা ঃ পাৰসীকাদয়স্তথা।। ১৭ ।।
আসাং পিবন্তি সলিলং বসন্তি সৰিতাং সদা।
সমীপতো মহাভাগা হৃষ্টপুষ্টজনাকুলা ঃ।। ১৮ ।।
চত্বাৰি ভাৰতে বর্ষে যুগান্যত্র মহামুনে।
কৃতং ত্রেতা দ্বাপৰশ্চ কলিশ্চান্যত্র ন ক্বচিৎ ।। ১৯ ।।
তপস্তপ্যন্তি মুনয়ো জুহ্বতে চাত্র যজ্বিনঃ ।
দানানি চাত্র দীয়ন্তে পৰলোকার্থমাদৰাৎ।। ২০ ।।
পুৰুষৈর্যজ্ঞপুৰুষো জম্বুদ্বীপে সদেজ্যাতে।
যজ্ঞৈর্যজ্ঞময়ো বিষ্ণুৰন্যদ্বীপেষু চান্যথা।। ২১ ।।
অত্রাপি ভাৰতং শ্রেষ্ঠং জম্বুদ্বীপে মহামুনে।
যতো হি কর্মভূৰেষা ততো২ন্যা ভোগভূময়া ঃ।। ২২ ।।
অত্র জন্মসহস্রানং সহস্রৈৰপি সত্তম।
কদাচিল্লভতে জন্তুর্মানুষ্যং পুন্যাসঞ্চয়াৎ।। ২৩ ।।
গায়ন্তি দেৱাঃ কিল গীতকানি
ধন্যাস্তু তে ভাৰতভূমিভাগে।

স্বর্গাপবর্গাস্পদমার্গভূতে
ভৱন্তি ভূয় ঃ পুৰুষাঃ সুৰত্বাৎ।। ২৪ ।।
কর্মাণ্যসঙ্কল্পিততৎফলানি
সংন্যস্ত বিষ্ণৌ পৰমাত্মভূতে।
অবাপ্য তাং কর্মমহীমনন্তে
তস্মিংল্লয়ং যে ত্বমলা ঃ প্রয়ান্তি।। ২৫ ।।
জানীম নৈতৎ কব বয়ং বিলীনে
স্বর্গপ্রদে কর্মণি দেহবন্ধম্।
প্রাপ্স্যাম ধন্যাঃ খলু তে মনুষ্যা
যে ভাৰতে নেন্দ্রিয়বিপ্রহীণা ঃ।। ২৬ ।।

৬.৬ বিষ্ণুপুৰাণৰ দ্বিতীয় অংশৰ তৃতীয় অধ্যায়ৰ শ্লোকসমূহৰ অসমীয়া অনুবাদ

১। পৰাশৰে ক'লে (হে মৈত্রেয়) সাগৰৰ উত্তৰে আৰু হিমালয় পর্বতৰ দক্ষিণে থকা ভূখণ্ডকেই ভাৰতবর্ষ বুলি কোৱা হয় আৰু তাতেই ভাৰতৰ সন্তানবিলাকে বাস কৰে।

২। হে মহামুনি! এই ভাৰতবর্ষৰ বিস্তৃতি ন হাজাৰ যোজন। এই ঠাই স্বর্গগামী আৰু মোক্ষগামী পুৰুষসকলৰ কর্মক্ষেত্র।

৩। ইয়াতে মহেন্দ্র, মলয়, সহ্য, শুক্তিমান, ঋক্ষ, বিন্ধ্য আৰু পাৰিপাত্র নামেৰে সাতখন কুল পর্বত আছে।

৪। এই ঠাইৰ পৰাই স্বর্গলাভ কৰা হয়। পুৰুষবিলাকে এই ঠাইৰ পৰাই মুক্তি লাভ কৰে আৰু ইয়াৰ পৰাই তেওঁলোকৰ কর্ম অনুসৰি তির্য্যকযোনিত আৰু নৰকলৈ গতি কৰে।

৫। এই ঠাইৰ পৰাই স্বর্গ, মোক্ষ, অন্তৰিক্ষলোক আৰু পাতাল আদি লোকলৈও গতি কৰে। ইয়াৰ (ভাৰতবর্ষৰ) বাহিৰে অন্য ঠাইত মানুহৰ বাবে বিধি নাই।

৬। এই ভাৰতবর্ষক নটা ভাগত ভাগ কৰা হৈছে। সেই ভাগকেইটা হ'ল— ইন্দ্রদ্বীপ, কশেৰুমান, তাম্রবর্ণ, গভস্তিমান, নাগদ্বীপ, সৌম্য, গন্ধর্ব আৰু বাৰুণ।

৭। সাগৰেৰে আবৃত দ্বীপ বিলাকৰ ভিতৰত ইনৰম। উত্তৰা-দক্ষিণাকৈ এই দ্বীপ সহস্র যোজন দীঘল।

৮। পূব অংশত কিৰাত জাতিৰ মানুহ আছে, পশ্চিম অংশত যৱনবিলাকে বাস কৰি আছে, মাজৰ অংশটোত ব্রাহ্মণ, ক্ষত্রিয়, বৈশ্য আৰু শূদ্র জাতিৰ লোকসকল বাস কৰি আছে।

৯। এই চাৰি জাতিৰ লোকে নিজৰ ভাগ অনুসৰি যথাক্রমে যজ্ঞ, যুদ্ধ, বেপাৰ-বাণিজ্য আদি কর্মক অৱলম্বন কৰি বাস কৰি আছে। শতদ্রু, চন্দ্রভাগা আদি নদীবিলাক ইয়াত হিমালয়ৰ পৰা প্রবাহিত হৈ আছে।

১০। বেদস্মৃতি আদি পাৰিপাত্র পর্বতৰ পৰা উদ্ভৱ হৈছে। নর্মদা আৰু সুৰসা আদি বিন্ধ্য পর্বতৰ পৰা নির্গত হৈছে।

(১১-১৫) তাপী, পায়োষ্ণী, নির্বিন্ধ্যা আদি নদী ঋক্ষ পর্বতৰ পৰা উৎপন্ন হৈছে। গোদাবৰী, ভীমৰথী, কৃষ্ণবেণী আদি পাপভয়হাৰিণী নদীবিলাক সহ্য পর্বতৰ পৰা উদ্ভৱ হৈছে। কৃতমালা আৰু তাম্রপর্ণী প্রমুখ্যে কিছুমান নদী মলয় পর্বতৰ পৰা উদ্ভৱ হৈছে। ত্রিসামা, আচার্যকুলা আদি মহেন্দ্র পর্বতৰ পৰা উৎপত্তি হৈছে। ঋষিকুল্যা, কুমাৰী আদি শুক্তিমৎ পর্বতৰ পৰা উদ্ভৱ হৈছে। এই নদীবিলাকৰ হাজাৰ হাজাৰ শাখানদী আৰু উপনদী আছে। সেই ঠাইত (নদীবোৰৰ পাৰে পাৰে) কুৰু-পাঞ্চাল আৰু মধ্যদেশ আদিৰ মানুহ, পূবদেশাদিৰ কামৰূপনিবাসী লোকসকল, পুণ্ড্র, কলিঙ্গ, মগধ, দাক্ষিণাত্যৰ সমগ্র লোক বাস কৰি আছে।

(১৬-১৮) ইয়াৰ উপৰিও পশ্চিম দিশত থকা সৌৰাষ্ট্র, শূৰ, ভীৰ, অর্বুদ, কাৰূষ আৰু মালৱসকল পাৰিপাত্র পর্বতত বাস কৰে। সৌৱীৰ, সৈন্ধৱ হুন, শাল্ব, মদ্র, ৰাম অম্বষ্ঠ আৰু পাৰসীকসকলো ইয়াত বাস কৰে।

তেওঁলোকে ওপৰত উল্লেখ কৰা নদীসমূহৰ পানী সেৱন কৰে আৰু তেওঁলোক মহভাগ্যবান আৰু সুখী।

১৯। হে মহামুনি! এই ভাৰতবর্ষতে সত্য, ত্রেতা, দ্বাপৰ আৰু কলি— এই চাৰিটা যুগ আছে। অন্য ক'তো আৰু নাই।

২০। ইয়াতে মুনিসকলে কঠোৰ তপস্যা কৰে, যাজ্ঞিসকলে যজ্ঞ কৰে আৰু পৰলোকৰ কামনাৰে দানাদি কর্ম কৰে।

২১। জম্বুদ্বীপৰ মানুহবিলাকে যজ্ঞপুৰুষ বিষ্ণুক সদায়েই যজ্ঞৰ দ্বাৰা পূজা কৰে, অন্য দ্বীপসমূহত বেলেগ ধৰণে হয়।

২২। হে মহামুনি! গতিকে জম্বুদ্বীপৰ ভিতৰত ভাৰতবর্ষ শ্রেষ্ঠ। কাৰণ ই কর্মভূমি আৰু অন্য দ্বীপবোৰ ভোগ্যভূমি।

২৩। জীৱবিলাকে হাজাৰ হাজাৰ জন্মৰ পিছত, মহ পুণ্যৰ বলত কেতিয়াবাহে ইয়াত (ভাৰতবর্ষত) মানুহৰূপে জন্ম লাভ কৰিব পাৰে।

(২৪-২৫) এই কাৰণেই দেৱতাসকলে এনেদৰে গীত গায়— 'যিবিলাকে স্বর্গ আৰু মোক্ষপদৰ পথ স্বৰূপ ভাৰতভূমিত জন্মগ্রহণ কৰে বা কৰিছে, সেইসকল পুৰুষ দেৱতাসকলোতকৈও শ্রেষ্ঠ বাবেই ধন্য। তেওঁলোকে অনুষ্ঠিত কৰা কর্মবিলাকৰ ফলাকাংক্ষাৰ সংকল্প নকৰি পৰমাত্মা স্বৰূপ বিষ্ণুতেই নিজক অর্পণ কৰে আৰু নির্মল নিষ্পাপ হৈ বিষ্ণুতে লয় পায়।'

২৬। স্বর্গপদ কর্ম ক্ষয় হৈ গলে আমি ক'ত জন্ম লাভ কৰিম সেই কথা নাজানো সেইকাৰণে সেইসকল মানুহেই ধন্য, যি সকলে নিতান্ত ইন্দ্রিয়বিহীন নহৈ ভাৰতত জন্ম লাভ কৰিছে।

৬.৭ শব্দার্থ

ইয়াত আপুনি শ্লোকসমূহত থকা কিছুমান কঠিন শব্দৰ অর্থৰ লগত পৰিচিত হ'ব।

শব্দ	**অর্থ**
বর্ষ	অংশ (ভূমণ্ডলৰ এটা ভাগ)
যোজন	দূৰত্বৰ এটা জোখ (বর্তমান ৮/৯ মাইলৰ সমান ১ যোজন)
অপবর্গ	মোক্ষ
তির্য্যক	নিম্ন শ্রেণীৰ জন্তু
ইজ্যা	যজ্ঞ
অপৰান্ত	পশ্চিম দিশত বাস কৰা
যজ্ঞপুৰুষ	বিষ্ণু
অমলঃ	নির্মল ঃ

৬.৮ বিসন্ধি

এই শিতানত শ্লোকসমূহত থকা কঠিন শব্দসমূহৰ সন্ধি ভাঙি দেখুৱা হৈছে। কঠিন শব্দসমূহৰ বিসন্ধি জানিলে শ্লোকবোৰ অধ্যয়ন কৰাত যথেষ্ট সুবিধা হ'ব।

হিমাদ্রেশ্চৈৰ	=	হিমাদ্রে ঃ + চ + এৰ
বিস্তাৰো২স্য	=	বিস্তাৰ ঃ + অস্য
কর্মভূমিৰিয়ম্	=	কর্মভূমি ঃ + ইয়ম্
স্বর্গমপবর্গঞ্চ	=	স্বর্গম্ + অপবর্গং + চ
মুক্তিমস্মাৎ	=	মুক্তিম্ + অস্মাৎ
নৰকঞ্চাপি	=	নৰকং + চ + অপি
মধ্যশ্চান্তশ্চ	=	মধ্য ঃ + চ + অন্তঃ + চ
খল্বন্যত্র	=	খলু + অন্যত্র
ভাৰতস্যাস্য	=	ভাৰতস্য + অস্য
গন্ধর্ৱস্ত্বথ	=	গন্ধর্ৱঃ + তু + অথ
দক্ষিণোত্তৰাৎ	=	দক্ষিণ + উত্তৰাৎ
বাণিজ্যাদ্যৈর্ৱর্ত্তয়ন্তো	=	বাণিজ্যাদ্যৈ ঃ + বর্ত্তয়ন্তঃ
পাৰিপাত্রোদ্ভৱা	=	পাৰিপাত্র + উদ্ভৱা
কৃষ্ণৱেণ্যাদিকাস্তথা	=	কৃষ্ণাৱেণী + আদিকাঃ + তথা
পাপভয়াপহা	=	পাপভয় + অপহা
কুমার্য্যাদ্যাঃ	=	কুমাৰী + আদ্যাঃ
নদ্যুপনদ্যশ্চ	=	নদী + উপনদীঃ + চ

তাস্বিমে	=	তাসু + ইমে
তথাপৰান্তাঃ	=	তথা + অপৰান্তাঃ
মদ্রাৰামাস্তথাম্বষ্ঠাঃ	=	মদ্রাৰামা ঃ + তথা + অম্বষ্ঠাঃ
যুগন্যাত্র	=	যুগানি + অত্র
কলিশ্চান্যত্র	=	কলিঃ + চ + অন্যত্র
তপস্তপ্যন্তি	=	তপঃ + তপ্যন্তি
সদেজ্যতে	=	সদা + ইজ্যাতে
যজ্ঞৈর্যজ্ঞময়ো	=	যজ্ঞৈঃ + যজ্ঞময়ো
কর্মভূৰেষা	=	কর্মভূ ঃ + এষা
ততোঽন্যা	=	তত ঃ + অন্যা
সহস্রৈৰপি	=	সহস্রৈ ঃ + অপি
কদাচিল্লভতে	=	কদাচিৎ + লভতে
স্বর্গাপবর্গাস্পদমার্গভূতে	=	স্বর্গ + অপবর্গাঃ + পদমাগর্ভূতে
কর্মাণ্যসঙ্কল্পিততৎফলানি	=	কর্মাণি + অসঙ্কল্পিত + তৎফলানি
ত্বমলাঃ	=	তু + অমলা ঃ
নৈতৎ	=	ন + এতৎ
নেন্দ্রিয়বিপ্রহীনা ঃ	=	ন + ইন্দ্রিয়বিপ্রহীনাঃ



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ হিমালয় পর্বতৰ উচ্চতা কিমান?

.....

প্রশ্ন নং ২ ঃ জম্বুদ্বীপত কেইটা বর্ষ আছে? কি কি?

.....

প্রশ্ন নং ৩ ঃ 'ভৌম' মানে কি?

.....

প্রশ্ন নং ৪ ঃ ভাৰতবর্ষৰ নটা ভাগৰ (দ্বীপ) নাম লিখক।

.....

প্রশ্ন নং ৫ ঃ ভাৰতবর্ষৰ ৬টা নদী আৰু ৬টা পর্বতৰ নাম লিখক।

.....

প্রশ্ন নং ৬ ঃ ভাৰতবর্ষৰ ৬খন ঠাইৰ নাম লিখক।

.....

প্রশ্ন নং ৭ ঃ 'যোজন' শব্দৰ অর্থ লিখক।

.....

প্ৰশ্ন নং ৮ ঃ অপৰান্ত মানে কি ?

.....

প্ৰশ্ন নং ৯ ঃ বিসন্ধি কৰক—

হিমাদ্রেশ্চৈৰ;	খল্বন্যত্র;	গন্ধৰ্বস্ত্বথ;	তাস্বিমে;	
কুমাৰ্য্যাদ্যাঃ;	সদেজ্যতে;	কৰ্মভূৰেষা;	ত্বমলাঃ	নৈতৎ



৬.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- জম্বুদ্বীপৰ বিষয়ে জানিব পাৰিলে।
- ভাৰতবৰ্ষৰ বৰ্ণনা জানিব পাৰিলে।
- বিষ্ণুপুৰাণৰ দ্বিতীয় অংশৰ তৃতীয় অধ্যায়ৰ সংস্কৃত পাঠ্যাংশ আৰু অসমীয়া অনুবাদ অধ্যয়ন কৰিব পাৰিলে।
- কঠিন শব্দসমূহৰ অৰ্থ আৰু বিসন্ধি জানিব পাৰিলে।



৬.১০ অধিক জানিবলৈ

১) Joshi, K. L; (edt.) (2011) *Vishnupurana*; Delhi: Parimal Publications.

২) ভাগৱতী, সুৰেন (2003), *শ্ৰীশ্ৰী বিষ্ণুপুৰাণ*; (edt.) গুৱাহাটী ঃ দত্তবৰুৱা পাব্লিচিং কোঃ প্ৰাঃ লিঃ।

৩) শৰ্মা, ড° থানেশ্বৰ; (২০১৫) *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত*, গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।



৬.১১ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ চৌৱাশী হাজাৰ যোজন।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ৯টা— ভাৰতবৰ্ষ, কিম্পুৰুষবৰ্ষ, হৰিবৰ্ষ, ৰম্যক, হিৰন্ময়, উত্তৰকুৰুবৰ্ষ,

ইলাবৃতবৰ্ষ, ভদ্রাশ্ববর্ষ, কেতুমানবর্ষ।

৩ নং প্রশ্নৰ উত্তৰ ঃ পৃথিৱীৰ স্বর্গ।

৪ নং প্রশ্নৰ উত্তৰ ঃ ইন্দ্রদ্বীপ, কশেৰুমান, তাম্রবর্ণ, গভাস্তিমান, নাগদ্বীপ, সৌম্য, গন্ধর্ব, বাৰুণ, নৰমদ্বীপ।

৫ নং প্রশ্নৰ উত্তৰ ঃ শতদ্রু, চন্দ্রভাগা, নর্মদা, তাপী, গোদাবৰী — নদী
পাৰিপাত্র, সহ্য, ঋক্ষ, মলয়, মহেন্দ্র, শুক্তিমান— পর্বত।

৬ নং প্রশ্নৰ উত্তৰ ঃ পাঞ্চাল, কলিঙ্গ, মগধ, কামৰূপ, মদ্র, সৌৰাষ্ট্র।

৭ নং প্রশ্নৰ উত্তৰ ঃ এটা জোখ, দূৰত্ব বুজাবলৈ ব্যৱহাৰ কৰা হয়। বর্তমান ১ যোজন = ৮/৯ মাইল।

৮ নং প্রশ্নৰ উত্তৰ ঃ পশ্চিম দিশ।

৯ নং প্রশ্নৰ উত্তৰ ঃ হিমাদ্রেঃ + চ + এৱ,

খলু + অন্যত্র

গন্ধর্বঃ + তু + অথ

তাসু + ইমে

কুমাৰী + আদ্যাঃ

সদা + ইজ্যতে

কর্মভূঃ + এষা

তু + অমলাঃ

ন + এতৎ



৬.১২ আৰ্হি প্রশ্ন

(ক) চুটি প্রশ্ন ঃ

প্রশ্ন ১ ঃ প্রথম পোন্ধৰটা শ্লোকৰ অনুবাদ নিজৰ ভাষাত লিখক।

(খ) ৰচনাধর্মী প্রশ্ন ঃ

প্রশ্ন ১ ঃ জম্বুদ্বীপৰ বিষয়ে বর্ণনা কৰক।

প্রশ্ন ২ ঃ ভাৰতবর্ষৰ বিষয়ে বিস্তৃত বিৱৰণ দিয়ক।

*** ***** ***